# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): CHANDRA DHAR BARUAH | |
| Title: অসমৰ সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaāma Saāhaitya Sabhaā Patraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1935-36 (1857-58 Sak) | Edition: |
| Size: 22 cms. - 224 pages | Genre: Magazine |
| Volumes: 6th - 4 issues | Condition of the original: Not bad |
| Remarks: 1st published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য-সভা পত্ৰিকা

শাওন—আহিন, ১৮৫৭—৫৮ শক

ষষ্ঠ বছৰ | মুঠ সংখ্যা—৩০ | চতুৰ্থ সংখ্যা


## "অসীম জীৱন"

(১)

মৰণ নহয় শেষ
    জীৱন সমাধি,
আৰু আছে জীৱনৰ
    অসীম পৰিধি।
অনন্ত কালৰ সোঁত
    মানুহ জীৱন,
নিয়তিৰ লীলা গতি
    কৰে নিয়ন্ত্ৰণ।
সৌ নীলা আকাশৰ—
চকুৱে নেপাই চুকি,
    মনেও নোৱাৰে সামৰিব,
সৌ-সে অশেষ তৰা,
আঙুলি পাৰত পাৰে—
    কোনে বাৰু লেখিব বুজিব?

মানুহ জীৱন এটি
অখণ্ড কৰম সোঁত
        মহা লীলা মহা প্ৰকৃতিৰ,
স্ৰষ্টাৰ অপূৰ্ব্ব সৃষ্টি
চৈতন্যৰ প্ৰহেলিকা
        সুমহিমা বিশ্বৰ শিৰোৰ।

(হে মানৱ,) মৰণৰ লগে লগে
জীৱনৰ যৱনিকা
        শেষ যাৰ নহয় পতন,
প্ৰতি কৰ্ম্ম প্ৰতি চিন্তা
বিশ্ব তৰঙ্গত মিলি
        প্ৰকৃতিত তুলিছে স্পন্দন।

প্ৰত্যেক কান্দোন গই
আলোড়িত কৰে বিশ্ব
        সৌৰ জগত খলকাই,
তোমাৰ প্ৰাণৰ ভাষা
জগত বিয়পি উড়ে
        প্ৰকৃতিৰ হৃদয় কঁপাই।

তোমাৰ প্ৰাণৰ ৰূপে
উজলাই পুৰাকণ
        জোন বেলি তৰাৰ জেউতি,
তোমাৰ অমৰ কণ্ঠ
বিশ্বত ধ্বনিত হৈ
        চিৰকাল গায় মহাগীতি।

নহয়, তোমাৰ শেষ
মৰাৰ পিচতো এই
        ভঙিনীয়া ভঙ্গুৰ দেহৰ,
দেহৰ কণিকাবোৰে
প্ৰকৃতি বুকুত মিলি
        প্ৰাণ শক্তি দিয়ে জীৱনৰ।

প্ৰাণৰ অনন্ত শক্তি
বিজুলীৰ লীলা গতি
        তাৰ লয় নহয় বিশ্বত,
অদৃশ্য প্ৰেৰণা কত
নেজানা বিলোৱা নিজে
        বসুধাৰ অসীম বুকুত।

তোমাৰ মহান যোগ
আছে, থ'ব চিৰকাল
        তুমি চিৰ শাশ্বত অমৰ,
তোমাৰ প্ৰেৰণা লৈয়ে
চলিছে নিয়তি লীলা
        কত কম যুগ যুগান্তৰ।

খুঁদিছা কৰম জাল
নিমেষে নিমেষে তুমি
        ঘূৰি ঘূৰি লৈছা মেৰাই,
এটি এটি পলকত
একো একো জনমৰ
        পাতনিৰ বহন চলাই।

মুকুতি বিচাৰা কিয়?
দুখ নাই ধৰাত
        মুকুতি যে কৰমৰ শেষ,
নিজে তুমি মুক্তৰূপী
অনন্ত অসীমব্যাপী
        চিৰ মুক্ত অমৰ অশেষ।

স্ৰষ্টা তুমি জগতৰ
ৰূপৰ পূজাৰি ৰূপে
        অৰূপক তুলিছা জগাই,
অসীমৰ মহাৰূপ
প্ৰাণৰ ৰূপেৰে তুমি
        ভুচকুত তুলিছা ফুটাই।

সেই চিৰ সুন্দৰৰ
অনন্ত অসীম ৰূপ
        কোন দিনা কোনেনো দেখিছে,
তীব্ৰ প্ৰেৰণা দানি
বিশ্বৰ সৌন্দৰ্য্য আনি
        মানুহেই প্ৰতিমা গঢ়িছে।



ই মহা প্ৰকৃতিখনি
কত পুৰা শক্তিয়াৰ
        কত লীলা ৰূপ. ৰূপান্তৰ,
জ্বলিছে নভত সৌ
দীপ্ত জোন বেলি তৰা
        তৰিৎ স্পন্দন লৈ তোমাৰে প্ৰাণৰ।

তোমাৰ জীৱন গতি
যদি থামি যায়
        সিদিনা প্ৰলয় হ'ব নেথাকে প্ৰকৃতি,
প্ৰাণৰ স্পন্দন যদি
হয় প্ৰতিহত
        জোন বেলি মাৰ যাব নেথাকে দীপিতি।

শ্ৰীনলিনীবালা দেৱী।

---

# অসম ৰত্ন মহামহোপধ্যায় ৺ ধীৰেশ্বৰাচাৰ্য্য।

[ শ্ৰীযুত দেৱেন্দ্ৰনাথ ভট্টাচাৰ্য্য বি, এচ্. চি, বি টি ]

মহাপুৰুষ পণ্ডিত-প্ৰৱৰ মহামহোপাধ্যায় ৺ধীৰেশ্বৰ ভট্টাচাৰ্য্য কবিৰত্ন দেহ ত্যাগ কৰাৰ আজি ১৭ বছৰ হ'ল। ১৭৭৩ শকৰ জেঠ মাহত কামৰূপ জিলাৰ নলবাৰী থানাৰ অন্তৰ্গত উপৰ বৰনাগ মৌজাৰ আঠগৰীয়া গাঁৱৰ প্ৰসিদ্ধ ভট্টাচাৰ্য্য বংশত ধীৰেশ্বৰৰ জন্ম হয়। ধীৰেশ্বৰৰ পিতাকৰ নাম পণ্ডিত কেশৱাচাৰ্য্য আছিল আৰু মাকৰ নাম আছিল চন্দ্ৰপ্ৰভা। ক্ৰিয়াপূত. বৈদিক আচাৰ সম্পন্ন আৰু যজ্ঞাদি বৈদিক অনুষ্ঠানত আসক্ত বাবে এই ভট্টাচাৰ্য্য বংশৰ খ্যাতি বহু দিনৰ পৰা জনাজাত হৈ আহিছে।

ধীৰেশ্বৰাচাৰ্য্য অসমৰ এটি উজ্জ্বল ৰত্ন আছিল। তেওঁৰ ঠাই অসমত আজিও পূৰ হোৱা নাই আৰু কেতিয়াবা যে পূৰ হব তাৰো আশা বৰ কম। স্বৰ্গীয় পণ্ডিতৰ যশ, গুণ আৰু পাণ্ডিত্যৰ প্ৰভাৱ অকল অসমতে নহয়, ভাৰততো নানা ঠাইত বিয়পি পৰিছিল আৰু সেই প্ৰভাৱ আৰো দুগুণ তেজেৰে জ্বলি উঠিব, যেতিয়া তেওঁৰ বহুত্নময়ী কবিত্বশালিনী বৃত্তমঞ্জৰী গ্ৰন্থই কাব্য আৰু ছন্দজগতৰ সাহিত্য ভঁৰাল চহকী কৰিব। এতিয়ালৈকে অসমবাসীয়ে জানে যে তেওঁেত এজন শক্তিশালী সংস্কৃতজ্ঞ বক্তা আছিল; বৃত্তমঞ্জৰী গ্ৰন্থই প্ৰমাণ কৰিব পাৰিব যে তেওঁেত এজন মহান্ কবি আছিল। অসমৰ বৰ দুৰ্ভাগ্য যে এনে হেন গ্ৰন্থখনি এতিয়াও হাতে লিখা অৱস্থাতে পৰি আছে।

আচাৰ্য্য দেৱৰ ছাত্ৰাৱস্থা বৰ বহস্যপূৰ্ণ। তেওঁ কোনো এখন টোলতেই স্থায়ী ভাৱে থাকি পঢ়া শুনা কৰিব পৰা নাই। মহৎ লোকসকলৰ চৰিত্ৰ অধ্যয়ন কৰিলে দেখা যায় যে সাধাৰণ মানুহৰ লগত অনেক বিষয়ত তেওঁলোকৰ অনৈক্য থাকে। এই অনৈক্যই মহৎ লোকসকলৰ চৰিত্ৰৰ বিশেষত্ব। স'ৰু কালৰ ধীৰেশ্বৰ যে সংস্কৃতৰ অগাধ পণ্ডিত আৰু অসাধাৰণ কবি হৈ উঠিব পাৰিব এই কথা কোনেও ভাবিব পৰা নাছিল। পাঁচ বছৰ বয়সত যদিও ধীৰেশ্বৰৰ বিদ্যাৰম্ভ হয়, পোন্ধৰ যোল বছৰলৈকে ধীৰেশ্বৰৰ কোনো শিক্ষা হোৱা নাছিল। খেলাধুলা আৰু বং ধেমালিত বাজে ধীৰেশ্বৰৰ আন ফালে মতি গতি দেখা নগৈছিল। যি গছত উঠি ধীৰেশ্বৰে বং ধেমালি কৰিছিল সেই প্ৰকাণ্ড আহঁত গছৰ তলত বহি মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যই পৰা কালৰ ছুটালিৰ কথা নাতিসকলৰ আৰু নাতি বয়সীয়া ল'ৰা-ছোৱালীৰ আগত হাঁহি হাঁহি নিজে সাধুকথাৰ নিচিনাকৈ কৈছিল। সেই গছজোপা এতিয়াও বিদ্যমান আৰু

পণ্ডিত ধীৰেশ্বৰে এসময়ত সেই গছৰ তলতে টোল পাতিছিল। পণ্ডিত কেশৱাচাৰ্য্যই পুত্ৰৰ বিদ্যা শিক্ষাৰ কালে কোনো মতি গতি নেদেখি আঠঘৰীয়াৰ পৰা ছুই মাইল মান আঁতৰত নাগৰকুছি গাঁৱত মোমায়েকৰ টোলত ধীৰেশ্বৰক থয়। এই সময়তে তেওঁৰ প্ৰকৃত বিদ্যাৰম্ভ হয়। ধীৰেশ্বৰে নিজে বৰকৈ পঢ়া শুনা নকৰিছিল। আন লৰাই যেতিয়া পঢ়ে তেতিয়া নিজৰ বিছনাত পৰি থাকি আনৰ পাঠ পঢ়া শুনি থাকিছিল আৰু আনৰ লগত আলোচনাত যোগ দিছিল। ধীৰেশ্বৰৰ অদ্ভুত স্মৃতি শক্তি আছিল। যি কথা এবাৰ পঢ়িছিল বা শুনিছিল সেই কথা কেতিয়াও নাপাহৰিছিল আৰু কোনো কথা নুবুজাকৈ নেৰিছিল।

অধ্যাপকৰ অনুপস্থিতিত তেওঁ ওজা ছাত্ৰ হিচাবে ছাত্ৰ সকলক পাঠ দিছিল। ইয়াতেই ধীৰেশ্বৰে ৰত্নমালা ব্যাকৰণৰ জটিল সূত্ৰবোৰৰ নিগূঢ় তত্বৰ কিছু সম্ভেদ লয়। কিছু দিনৰ পাচত তেজগ্ৰহণী নৰিয়াত পৰি তেওঁ ঘৰলৈ উলটি যায়। তাৰ পাচত কামৰূপত পঢ়া শুনাত সন্তুষ্ট হব নোৱাৰি তেওঁ কোচবিহাৰলৈ গৈ খাগৰাবাৰীৰ ৺সিদ্ধনাথ বিদ্যাবাগীশ মহাশয়ৰ টোলত কিছু দিন পঢ়িছিল। তাতো ছমাহৰ পাচত নৰিয়াত পৰি নানা দুখ কষ্ট ভুগি ঘৰলৈ উভতি আহে। ঘৰত কিছু দিন থাকি আৰোগ্য হোৱাৰ পাচত পৰিণয় সূত্ৰত আবদ্ধ হয়। পিতা কেশৱাচাৰ্য্যই কিছু ধাৰ এৰি মৰিছিল। গতিকে সংসাৰত প্ৰবেশ কৰাৰ লগে লগে জীৱিকা নিৰ্ব্বাহ কৰিব লগা হ'ল। সেই বাবে ধীৰেশ্বৰে প্ৰথমতে উত্তৰ গুৱাহাটীত এখন সংস্কৃত টোল পাতে এই টোল কেইবাবাৰো ভাঙে আৰু কেইবাবাৰো পাতে। শেহত ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাকে আদি কৰি কেইজন মান ভদ্ৰলোকৰ অনুৰোধত নগাঁৱত গৈ টোল পাতে। নগাঁৱতেই তেখেতৰ দৈৱিকশক্তি বিকাশৰ সূত্ৰপাত হয়।

এই হেন কলিকালত যে কালিদাসৰ নিচিনা দৈৱ বলত বিদ্যানিধি লাভ কৰিব পাৰি তাক কোনে বিশ্বাস কৰিব? মহাকবি কালিদাসে তপস্যা কৰিও সৰস্বতী আইৰ দৰ্শন নাপাই বিদ্যাহীন জীৱন কীটাদপি ঘৃণনীয় ভাবি আত্মহত্যা কৰিবলৈ ওলোৱাতহে সৰস্বতী আইৰ বৰ লাভ কৰিছিল; কিন্তু পণ্ডিত ধীৰেশ্বৰ আচাৰ্য্যই স্বপ্নাদেশত সৰস্বতী দেৱীৰ কৃপা লাভ কৰিছিল। নগাঁৱত থাকোঁতে এদিনাখন ৰাতি টোপনিত তেওঁ সপোন দেখিলে যে, বিৰাট পুৰুষ এজন তেওঁৰ মূৰ শিতানত থিয় দিছেহি। সেই মহাপুৰুষৰ মূৰত দীৰ্ঘজট, কঁকালত বাঘৰ ছাল আৰু গাত যজ্ঞ সূত্ৰেৰে সৈতে দীঘল উত্তৰীয়, হাতত কমণ্ডলু আৰু ত্ৰিশূল আৰু ভৰিত খৰম। এনে হেন বিৰাট মহাপুৰুষৰ দৰ্শনত আচাৰ্য্যদেৱৰ ভয়ত কঁপিবলৈ ধৰিলে, একোকে মাতিব নোৱাৰিলে। মহাপুৰুষে পণ্ডিতক ভীত যোৱা যেন দেখি মৰম সনা মাতেৰে মাত লগালে "বোপা! তই ৰত্নমালা পঢ়ি ভাল পাইছনে?" মহাপুৰুষৰ আদৰুৱা মৰম সনা মাত শুনি পণ্ডিতৰ ভয় কেনিবা গল। ভক্তিয়ে ভয়ৰ ঠাই অধিকাৰ কৰিলে। আচাৰ্য্যদেৱে ততাতৈয়াকৈ বিছনাৰ পৰা নামি ভৰিত দীঘল দি দণ্ডৱৎ হৈ প্ৰণাম কৰিলে আৰু অতি নম্ৰভাৱে উত্তৰ দিলে 'ৰত্নমালাত মই সুখ পোৱা নাই।" পণ্ডিতৰ উত্তৰ শুনি মহাপুৰুষে আন একো নকৈ "মোৰ লগত আহ" বুলি তেওঁক অনুসৰণ কৰিবলৈ কলে। পণ্ডিত প্ৰবৰ যেন এই দিব্য পুৰুষৰ লগত গৈ আছে। মন্ত্ৰমুগ্ধ সাপৰ নিচিনা পাচে পাচে গৈ গৈ এখন সমুদ্ৰৰ পাৰত থিয় দিলে। পণ্ডিতে দেখিলে যে এই সমুদ্ৰৰ টোৰেপতি গছৰ পাতৰ নিচিনা অলেখ পুথিৰ পাত আধা বুৰ গৈ আধা মূৰ উলিয়াই ভাহি ফুৰিছে। মহাপুৰুষে আচাৰ্য্য দেৱক ক'লে "যা, তাৰ পৰা যিমান পাৰ পুথিৰ পাত গোটাই আন।" আচাৰ্য্যদেৱে যথাবিষ্ট হৈ কেইটিমান পুথিৰ পাত গোটাই আনি সেই মহাপুৰুষৰ হাতত দিলে। মহাপুৰুষে পাত কেইটি হাতত লৈ এটি এটি কৈ চিজিল কৰি হাঁহি মাৰি ক'লে-"তই বৰ ভাগ্যৱান, তই পাণিনি ব্যাকৰণ গোটাই আনিছ" এই বুলি তাৰে সূত্ৰ এটি পণ্ডিতক বুজাব ধৰিলে; কিন্তু পণ্ডিতে একো বুজ নাপায়—তেতিয়া যেন মহাপুৰুষে "কিয় বুজি নাপাৱ" বুলি মূৰতে ত্ৰিশূল পাতেৰে এটা কোব মাৰি দিলে। পণ্ডিত প্ৰবৰে সাৰ পালে আৰু



আৰু শিয়ৰি উঠিল। তেওঁ মূৰত দুখ পোৱা যেন পালে আৰু এঠাইত যেন দ হৈ গৈছে এনে বোধ হ'ল। তেওঁ মৰণৰ সময়লৈকে এই ঠাইডোখৰ কথা প্ৰসঙ্গত মানুহক দ হৈ থকা বুলি দেখুৱাইছিল। সপোনৰ কথা ভাবি পণ্ডিত প্ৰবৰ বিস্ময়, আৰু আনন্দত পুলকিত হ'ল। ৰাতি তেতিয়া প্ৰায় শেষ হৈছে; আৰু দুগুলে। ৪॥ মান বজাত উঠি নৈলৈ গা ধুবলৈ গ'ল। গা ধুই সন্ধ্যাহ্নিক কৰি ঘূৰি আহোঁতে ৬ কি ৭॥ মান বাজিছে। বাটত এজন বঙালী ভদ্ৰলোকৰ লগত তেখেতৰ দেখা হয়। বঙালী ভদ্ৰলোকজনে পণ্ডিতক দেখি প্ৰাতঃ প্ৰণাম জনাই তেখেতৰ নাম ধাম সুধিলে। আচাৰ্য্যদেৱে প্ৰশ্নৰ যথাযথ উত্তৰ দি কবলৈ খোজোঁতে ভদ্ৰলোকজনে প্ৰশ্ন কৰিলে "আপুনি কি ব্যাকৰণ পঢ়িছে।" দেৱে উত্তৰ দিলে "প্ৰয়োগ ৰত্নমালা"। ভদ্ৰলোকজনে সুধিলে "আপোনালোকৰ ইয়াত পাণিনি ব্যাকৰণৰ প্ৰচলন নাইনেকি? আচাৰ্য্যদেৱ চক্ খাই উঠিল। সপোনত পাণিনি দিঠকত পাণিনি। পণ্ডিতে এই দিনিতে অলপ বুদ্ধি খটাই কলে "মহাশয়! মোৰ পাণিনি ব্যাকৰণ পঢ়িবৰ বৰ মন গৈছে—মোক এখন পুথি অনাই দিব নোৱাৰেনে?" সেই ভদ্ৰলোকজনে বোম্বাইৰ পৰা এখন পাণিনি ব্যাকৰণ অনাই দেৱক দিয়ে। সেইখন পুথি লৈ আচাৰ্য্যদেৱ আকৌ উত্তৰ গুৱাহাটীলৈ উভতি আহি টোল পাতে আৰু নিজে নিজে পাণিনি ব্যাকৰণ পঢ়ে। কোনো সূত্ৰ তেওঁ নুবুজাকৈ থকা নাছিল, কোনো সূত্ৰৰ অৰ্থ তেওঁ কাকো সুধিব লগাও হোৱা নাছিল। কিছু দিনৰ ভিতৰত তেওঁ পাণিনি ব্যাকৰণত অগাধ পণ্ডিত হ'ল আৰু গোটেই জীৱন পাণিনি ব্যাকৰণৰ চৰ্চ্চা কৰি কটালে।

মহৎ লোকসকলৰ জীৱনচৰিত অধ্যয়ন কৰিলে শিক্ষা লাভ কৰা যায় আৰু মহৎ লোকসকলৰ চৰিত্ৰৰ বিশেষত্বৰ দ্বাৰা পৰৱৰ্ত্তী মানৱ সমাজৰ কল্যাণ সাধিত হয়। একো একো জন মহৎ লোকে সমাজৰ কি মহান্ উপকাৰ নীৰৱে সাধন কৰি যায় তাক ভাবিলে স্তম্ভিত হব লাগে। সমুজ্জ্বল অতীতেৰে গৌৰৱান্বিত যি অসম দেশ, অতীত কালৰ মুনি ঋষিসকলৰ ধ্যান আৰাধনাৰ আৰু জ্ঞান গৱেষণাৰ যি কাম্য ভূমি অসমদেশ সেই অসম দেশত পাণিনি ব্যাকৰণ চৰ্চ্চা পণ্ডিত ধীৰেশ্বৰাচাৰ্য্যৰ দিনৰ আগেয়ে নাছিল। পাণিনি ব্যাকৰণৰ একমাত্ৰ পণ্ডিত ধীৰেশ্বৰাচাৰ্য্যই পাণিনি ব্যাকৰণৰ চৰ্চ্চা আৰম্ভ কৰি দেশবাসীৰ দৃষ্টি তালৈ আকৰ্ষণ কৰে। পাণিনি ব্যাকৰণৰ পাণ্ডিত্যৰ বলত আচাৰ্য্যদেৱৰ সকলো শাস্ত্ৰতে অধিকাৰ জন্মিছিল। তেওঁ সদায় কৈছিল পাণিনি ব্যাকৰণ পঢ়িলে মানুহৰ ন্যায় দৰ্শণ আদি সকলো শাস্ত্ৰতে অধিকাৰ জন্মে। তাৰ প্ৰমাণৰ বাবে দূৰলৈ যাব নালাগে। আচাৰ্য্যদেৱেই তেওঁৰ উক্তিৰ প্ৰমাণ।

এসময়ত আচাৰ্য্যদেৱ তেওঁৰ জ্ঞাতি ভাই ৺ নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্য আৰু অন্তৰঙ্গ বন্ধু ৰায় বাহাদুৰ কালীচৰণ সেন ধৰ্ম্মভূষণ মহাশয়ৰ লগত তীৰ্থ ভ্ৰমনলৈ ওলায়। তীৰ্থ স্থলত তীৰ্থসম্বন্ধীয় ধৰ্ম্মকাৰ্য্য কৰাৰ লগে লগে তেওঁৰ প্ৰধান উদ্দেশ্য আছিল বিদেশৰ প্ৰখ্যাত পণ্ডিতসকলৰ সাক্ষাৎ দৰ্শন। আচাৰ্য্যদেৱ যলৈকে গৈছিল তাতেই প্ৰসিদ্ধ পণ্ডিতসকলৰ লগত শাস্ত্ৰালোচনা নকৰাকৈ নুঘূৰিছিল। তীৰ্থভ্ৰমণত আচাৰ্য্যদেৱৰ জ্ঞানাৰ্জ্জন আৰু জ্ঞান বিস্তাৰ উভয় কাৰ্য্যই সিদ্ধ হৈছিল। তীৰ্থভ্ৰমণৰ সময়ত প্ৰয়াগত আৰু জগন্নাথ ক্ষেত্ৰত সৰ্ব্বশাস্ত্ৰ বিশাৰদ আৰু প্ৰাচীন আৰু প্ৰধান অনেক পণ্ডিতৰ লগত দেৱৰ সাক্ষাৎ হৈছিল আৰু শাস্ত্ৰাদি আলোচনা হৈছিল। সকলো পণ্ডিতেই আচাৰ্য্যদেৱৰ পাণ্ডিত্য গুণত মুগ্ধ হৈছিল আৰু দেৱৰ অবিৰল সংস্কৃত ভাষাত কথা কব পৰা শক্তি দেখি আচৰিত হৈ সুধিছিল যে কামৰূপত সংস্কৃত মাতৃভাষানে কি? পণ্ডিত প্ৰৱৰে উত্তৰ দিছিল "কামৰূপত সংস্কৃত মাতৃভাষা নহলেও, মোৰ নিচিনা নগণ্য পণ্ডিত কামৰূপত অনেক আছে।" দেৱে দেশক কিমান ভাল পাইছিল!

মহামহোপাধ্যায় ৺ধীৰেশ্বৰাচাৰ্য্যৰ জিহ্বাগ্ৰত সৰস্বতী দেৱীৰ স্থিতি হৈছিল বুলি সকলোৱে কয়। তীৰ্থভ্ৰমণ শেষ কৰি ঘূৰি আহোঁতে ৺নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্যৰ আগত তেওঁ কৈছিল যে ষড়দৰ্শন আৰু ন্যায় নপঢ়াকৈ যে কেনেকৈ তেওঁ পুৰীত দাৰ্শনিক আৰু নৈয়ায়িক

পণ্ডিত দুজনক তৰ্কত পৰাস্ত কৰিছিল তেওঁ নিজেই একোকে কব নোৱাৰে। পণ্ডিত প্ৰৱৰৰ যে অসাধাৰণ শক্তি আছিল তাত কোনো সন্দেহ নাই।

আচাৰ্য্যদেৱে মহামান্য সম্ৰাট সপ্তম এডোৱাৰ্ডৰ মৃত্যুৰ আৰু মহামান্য সম্ৰাট পঞ্চম জৰ্জ্জৰ সিংহাসন আৰোহণ উপলক্ষে শোক প্ৰকাশ আৰু হৰ্ষ প্ৰকাশ নামেৰে দুখন সৰু খণ্ডকাব্য ৰচনা কৰি নিজ হাতে ছাপাৰ আখৰেৰে লিখি মহামান্য সম্ৰাট পঞ্চম জৰ্জ্জলৈ পঠাই দিয়ে। এই কাব্য দুখনি এতিয়া বৃটিচ মিউজিয়মত আছে। গোপাল লাষ্ঠ, পৰমেশ্বৰাষ্টক, ৰামাষ্টক, শিৱস্তুতি আৰু কামাখ্যাষ্টক প্ৰভৃতি বহুত দেৱতাৰ স্তৱ আৰু অসমীয়া কাণখোৱাৰ সংস্কৃত শ্লোকেৰে অনুবাদ কৰি লীলা মঞ্জৰী কাব্যও ৰচনা কৰিছিল।

অচাৰ্য্য দেৱৰ ৰচনাৰ ভিতৰত সৰ্ব্বোৎকৃষ্ট গ্ৰন্থ হৈছে বৃত্তমঞ্জৰী। ই এখন ছন্দ গ্ৰন্থ। নতুন নতুন ছন্দৰ সূত্ৰ সেই সেই ছন্দেৰে ৰচনা কৰিছে। গতিকে সূত্ৰ আৰু ছন্দৰ উদাহৰণ একেটা শ্লোকেই। আকৌ আটাইবোৰ ছন্দেৰে বৃত্ৰসংহাৰ কাব্য ৰচনা কৰিছে। এই ছন্দবোৰ সংস্কৃত সাহিত্যত নতুন। এই বৃত্তমঞ্জৰী গ্ৰন্থ প্ৰকাশ পালেহে আচাৰ্য্যদেৱৰ গুণ আৰু পাণ্ডিত্যৰ জেউতি চৰিব।

বৃত্তমঞ্জৰী গ্ৰন্থ আচাৰ্য্যদেৱৰ আজীৱন আৰাধনাৰ ফল। এই গ্ৰন্থৰ টীকা দেৱে নিজে লিখি গৈছে। দুৰ্ভাগ্য বশতঃ কেইটিমান শ্লোকৰ টীকা লিখা মৃত্যুৰ আগেয়ে শেষ নহল। মৃত্যুৰ সময়ত দেৱে নিজে নাড়ীজ্ঞান কৰি হতাশ হৈ উঠি বহিছিল আৰু ওচৰত থকা ভাগীৰ ভতিজাক ৺দামোৰ ভট্টাচাৰ্য্যক নাড়ী পৰীক্ষা কৰিবলৈ কয়। তেওঁ নাড়ী পৰীক্ষা কৰি ওচৰত থকা আৰু দুই এজন জাতি ভাই ভতিজাকক নাড়ী পৰীক্ষা কৰিবলৈ কয়। সকলোৱে যেতিয়া হতাশ হ'ল আচাৰ্য্যদেৱৰ দুই চকুৰে দুই ধাৰী চকুলো ওলাবলৈ ধৰিলে। তেতিয়া উক্ত ৺দামোদৰ ভট্টাচাৰ্য্যই সুধিলে "খুৰা! আপুনি যাত্ৰাকালত কান্দিছে কিয়?" তেতিয়া দেৱে কলে "দামোদৰ! এই সংসাৰ মায়াত মোৰ চকুৰ পানী ওলোৱা নাই। মই মোৰ বৃত্তমঞ্জৰীৰ টীকা সম্পূৰ্ণ কৰিব নোৱাৰিহে দুঃখিত হৈছোঁ, কোনোবা পণ্ডিতে হয়তো মোক ভুল বুজিব।" ইয়াতকৈ বেচি কথা কব নোৱাৰিলে। তেতিয়া উক্ত স্বৰ্গীয় দামোদৰে প্ৰশ্ন কৰিলে "আপোনাৰ সম্পত্তিৰ কি ব্যৱস্থা কৰিলে?" তেওঁৰ তেতিয়া মাত ক্ষীণ হৈ আহিছিল। কপালত আঙুলীটো থৈ ক্ষীণ স্বৰেৰে কলে "ৰায় বাহাদুৰ কালীচৰণ সেনে জানে।" ১৮৪১ শকৰ ৮ কাতিত দেৱৰ পৰলোক প্ৰাপ্তি হয়।

দেৱৰ একমাত্ৰ পুত্ৰ তাৰানাথ অবাধ্য আছিল, আৰু সহধৰ্ম্মিনীৰ পৰা দেৱে সুখ পোৱা নাছিল। দেৱৰ সহধৰ্ম্মিনী বৰ মুখৰা আছিল। তাৰানাথৰ ব্যৱহাৰত অসন্তুষ্ট হৈ দেৱে তাৰানাথক ত্যাজ্য পুত্ৰ কৰি সহধৰ্ম্মিনীৰ আৰু ভ্ৰাতৃজায়াৰ ভৰণ পোষণৰ ব্যৱস্থা কৰি তেওঁৰ অস্থাৱৰ সম্পত্তিৰ প্ৰায় ১২০০০৲ টকা অসমত বেদ আৰু পাণিনি ব্যাকৰণ শিক্ষাৰ বাবে দান কৰিছে। স্থাৱৰ ভূসম্পতি কৌলিক গোপাল বিগ্ৰহৰ নামত উৎসৰ্গ কৰিছে। এতিয়া আঠগৰীয়াত দামোদৰ ধামত ধীৰেশ্বৰ বিদ্যালয় নামে বেদ আৰু পাণিনি শিক্ষাৰ বাবে এখন সংস্কৃত টোল স্থাপিত হৈছে। গৱৰ্ণমেণ্টেও ছাত্ৰাবাস সাজিবলৈ অৰ্থ দি সাহায্য কৰিছে আৰু মাহিলি ৮০৲ টকা কৈ গ্ৰাণ্ট দিছে। বৰ্ত্তমান সেই টোলত অধ্যাপক তিনিজন। আজীৱন অনেক দুখ কষ্ট কৰি নিজে সামান্য আহাৰ আৰু সামান্য ভূষণেৰে কাল কটাই আৰ্জ্জিত ধন সম্পত্তি দেশৰ মঙ্গলৰ হকে উছৰ্গা কৰি যোৱা মহা পুৰুষসকলৰ ভিতৰত স্বৰ্গীয় ধীৰেশ্বৰাচাৰ্য্য অসমত অগ্ৰগণ্য। বিদ্যোৎসাহী শাস্ত্ৰালাপী সদাচাৰী ধীৰেশ্বৰে আজি প্ৰথম অসমত বেদ আৰু পাণিনিৰ টোল স্থাপন কৰি গৈছে। দেশবাসীয়ে আচাৰ্য্য দেৱৰ দানৰ মূল্য বুজিলে স্বৰ্গগত আত্মাই তৃপ্তি পাব।

---

# মেঘদূতৰ ভাঙনি।

আমি এখন হাতে-লিখা নতুন কিতাপ পাইছোঁ। সি এজন নতুন লিখকে লিখা; কালিদাসৰ মেঘদূত কাব্যৰ অসমীয়া ভাঙনি। কিতাপখন তেনেই পদ্য ছন্দত লিখা। তাৰ মুৰতে পণ্ডিত-প্ৰৱৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত নাৰায়ণদেৱ মিশ্ৰ মহোদয়ে লিখা এখন পাতনি আছে। পাতনিখন আমি এই প্ৰবন্ধৰ তলতে, বেলেগ প্ৰবন্ধস্বৰূপে বেলেগে প্ৰকাশ কৰিলোঁ।

এই কিতাপখন আদিৰ পৰা অন্তলৈকে পঢ়ি চাই আমি বৰ পাইছোঁ। ইয়াক সুললিত ভাষাৰে লিখা হৈছে; মহাকবিৰ ভাব আৰু মাধুৰ্য্য অটুত ৰাখিবলৈ যথোচিত যত্ন কৰাও হৈছে। আমি লিখকৰ অনুমতি লৈ, তাৰে কেইটামান শ্লোকৰ ভাঙনি, মূল সংস্কৃত শ্লোকে সৈতে পাঠকসকলক উপহাৰ দিলোঁ:—

## মেঘদূতম্।

### পূৰ্ব্ব মেঘ।

কশ্চিৎকান্তাবিৰহগুৰুণা স্বাধিকাৰ প্ৰমত্তঃ
শাপেনাস্তঙ্গমিতমহিমা বৰ্ষভোগ্যেন ভৰ্ত্তুঃ।
যক্ষশ্চক্ৰে জনকতনয়াস্নানপুণ্যোদকেষু
স্নিগ্ধচ্ছায়াতৰুষু বসতিং ৰামগিৰ্য্যাশ্ৰমেষু ॥ ১ ॥

আপোন বাবৰ কাম কৰা বাবে আওকাণ
যক্ষ একে কুবেৰ শাপত,
কালিকা নোহোৱা হৈ ভোগে এবছৰলৈ
বনবাস দূৰণি দেশত;
জানকীয়ে স্নান কৰা পবিত্ৰ জলেৰে ভৰা
পূত ৰামগিৰি আশ্ৰমত,
গছৰ ছায়াত বহি প্ৰিয়া বিৰহত দেহি
দিন বঞ্চে মলিন বেশত। (১)

তস্মিন্নদ্ৰৌ কতিচিদবলাবিপ্ৰযুক্তঃ স কামী
নীত্বা মাসান্ কণকবলয়ভ্ৰংশৰিক্তপ্ৰকোষ্ঠঃ ॥
আষাঢ়স্য প্ৰথমদিবসে মেঘমাশ্লিষ্টসানুং
বপ্ৰক্ৰীড়াপৰিণতগজপ্ৰেক্ষণীয়ং দদৰ্শ ॥ ২ ॥

এই দৰে কিছুকাল থাকোঁতে বনত
শৰীৰ খীণাই গই প্ৰিয়া বিৰহত,
হাত দুটি শুদা কৰি সোণৰ বলয়
ক'ৰবাত কেতিয়াবা পৰিলে ওলাই।
পোন আহাৰৰ দিনা যক্ষই দূৰত
দেখিলে এচটি মেঘ পৰ্ব্বত টিঙ্গত,
পৰ্ব্বতৰ গাত যেন হাতীয়ে ৰঙেৰে
ঘনাই ঘনাই থুম মাৰিছে শুৰেৰে। (২)

তস্য স্থিত্বা কথমপি পুনঃ কৌতুকাধানহেতো-
ৰন্তৰ্ব্বাষ্পশ্চিৰমনুচৰো ৰাজৰাজস্য দধ্যৌ।
মেঘালোকে ভবতি সুখিনোঽপ্যন্যথাবৃত্তিচেতঃ
কণ্ঠাশ্লেষপ্ৰণয়িনি জনে কিং পুনৰ্দূৰসংস্থে ॥ ৩ ॥

দেখিলে প্ৰথমে যিটি জাগেহি মধুৰ স্মৃতি
সেই মেঘলকে থাকে একে থিৰে চাই,
শোকে তাপে মৌন হই বেজাৰেৰে বই বই
বিৰহী যক্ষই ভাবে মনে মনে হায়,—
দেখিলে মেঘৰ ক্ৰিয়া
কণ্ঠলগ্না যাৰ প্ৰিয়া
মিলনত মত্তলীয়া—
—জনো উঠে বিয়াকুল হই,
যাৰ এনে ভাগ্য বেয়া
দূৰণিত থাকে প্ৰিয়া
মিলন ব্যাকুল হোৱা
তেওঁ বাৰু বয় কেনেকুই। ( ৩ )

প্ৰত্যাসন্নে নভসি দয়িতা জীবিতালম্বনাৰ্থী
জীমূতেন স্বকুশলময়ীং হাৰয়িষ্যন্ প্ৰবৃত্তিম্।
স প্ৰত্যগ্ৰৈঃ কুটজকুসুমৈঃ কল্পিতাৰ্ঘায় তস্মৈ
প্ৰীতঃ প্ৰীতিপ্ৰমুখবচনং স্বাগতং ব্যাজহাৰ ॥ ৪ ॥

শাওণৰ মাহ চপা দেখি কাষ
—প্ৰিয়াৰ জীৱন ৰাখিবলৈ,
ভাবিলে নিজৰ কুশল বাতৰি
মেঘৰ আগতে পঠাব কৈ;
ইয়াকে যক্ষই ভাবি উলাহেৰে
বনৰ কুটজ কুসুম আনি
অৰ্ঘ্য সজাই প্ৰীতি বচনেৰে
জনালে মেঘক সম্ভাষা-বাণী। ( ৪ )

জাতং বংশে ভুবনবিদিতে পুষ্কৰাবৰ্ত্তকানাং
জানামি ত্বাং প্ৰকৃতিপুৰুষং কামৰূপং মঘোনঃ।
তেনাৰ্থিত্বং ত্বয়ি বিধিবশাদ্দূৰবন্ধুৰ্গতোঽহং
যাচ্ঞা মোঘা বৰমধিগুণে নাধমে লব্ধকামা ॥ ৬ ॥

লভিছা জনম ভুবন বিদিত
পুষ্কৰ আৱৰ্ত্তকৰ কুলত,
আপোন ইচ্ছাৰে বিবিধ ৰূপেৰে
ফুৰিব পাৰা আকাশ পথত,
ত্ৰিদিৱ পতিৰ প্ৰধান সহায়,
বুলি তুমি হেৰা জানোহে দেখি
প্ৰিয়া বিৰহত খাটিছো পীড়িতে
কৰা উপকাৰ মিনতি ৰাখি।
সফলতা লভা নহয় উচিত
অধম জনক খাটনি ধৰি,
বিফল হোৱাও ভালেই বৰং
মহৎ জনক উপাসা কৰি। ( ৬ )

সন্তপ্তানাং ত্বমসি শৰণং তৎপয়োদপ্ৰিয়ায়াঃ
সন্দেশং মে হৰ ধনপতিক্ৰোধবিশ্লেষিতস্য।
গন্তব্যা তে বসতিৰলকা নাম যক্ষেশ্বৰাণাং
বাহ্যোদ্যানস্থিত হৰশিৰশ্চন্দ্ৰিকাধৌতহৰ্ম্ম্যা ॥ ৭ ॥

এই জগতত তাপিত জনৰ
তুমিয়েহে মেঘ ৰক্ষাকাৰী
শান্তিহাৰা মই প্ৰিয়া বিচ্ছেদত
যক্ষ ৰাজৰ ৰোষত পৰি।
হৰ চন্দ্ৰখণ্ডে পথালিছে যাৰ
পুষ্প কানন প্ৰাসাদ শোভা
সেই অলকা পুৰীলৈ গই
প্ৰিয়াক এটি বতৰা দিবা। ( ৭ )

ত্বামাৰূঢ়ং পৱনপদবীমুদ্‌গৃহীতালকান্তাঃ
প্ৰেক্ষিষ্যন্তে পথিক বনিতাঃ প্ৰত্যয়াদাশ্বসত্যঃ।
কঃ সন্নদ্ধে বিৰহবিধুৰাং ত্বয্যুপেক্ষেত জায়াং
ন স্যাদন্যোঽপ্যহমিৱ জনো যঃ পৰাধীনবৃত্তিঃ ॥ ৮ ॥

তোমাক দেখিলে উৰা বিৰহিনীইতে হেৰা
উলাহেৰে চাব হাঁহি খোপাটি হেলাই
ৰঙতে ভৰিব মন দূৰণিৰ প্ৰিয়জন
ঘৰমুৱা হ'ব বুলি বাটলই চাই।



নকৰা পৰক সেৱা —মোৰ দৰে ভাগ্য বেয়া
নোহোৱা—জনেনো হেৰা দেখিলে তোমাক
প্ৰবাসত তেওঁ বাৰু পাৰিবনে ৰ'ব আৰু
এৰি থই দূৰণিত কাতৰা প্ৰিয়াক। ( ৮ )

মাৰ্গং তাৱচ্ছৃণু কথয়তস্তৎপ্ৰয়াণানুৰূপং
সন্দেশং মে তদনু জলদ শ্ৰোষ্যসি শ্ৰোত্ৰপেয়ম্।
খিন্নঃ খিন্নঃ শিখৰিষু পদং ন্যস্য গন্তাসি যত্ৰ
ক্ষীণঃ ক্ষীণঃ পৰিলঘু পয়ঃ স্ৰোতসাঞ্চোপযুজ্য ॥ ১৩ ॥

দিয় এইবাৰ বাটৰ চিনাকি
শুনা জলধৰ যাবাঁনো কেনি,
ইয়াৰ পাচত তুমি নিবলগা
বাতৰিটি ক'ম ৰাখিবা শুনি,
যাওঁতে বাটত লাগিলে ভাগৰ
পৰ্ব্বত টিঙতে জিৰণি লবা
ক্ষীণ হলে দেহা নিজৰাৰ পৰা
পানী টুপি খাই দুনাই যাবা। ( ১৩ )

উৎপশ্যামি দ্ৰুতমপি সখে মৎপ্ৰিয়াৰ্থং যিযাসোঃ
কালক্ষেপং ককুভসুৰভৌ পৰ্ব্বতে পৰ্ব্বতে তে।
শুক্লাপাঙ্গৈঃ সজলনয়নৈঃ স্বাগতীকৃত্য কেকাঃ
প্ৰত্যুদ্যাতঃ কথমপি ভবান্ গন্তুমাশু ব্যৱস্যেৎ ॥ ২ ॥

পৰ্ব্বতে পৰ্ব্বতে কুটজ ফুলেৰে
আমোল মোলোৱা বননি দেখি
মোৰে কামতে গইছা যদিও
জানোচা পলম ঘটেৰা সখি?
গীতেৰে আদৰি, সজল চকুৰে
তোমাৰ লগতে উৰিব ম'ৰা
ভাবেৰে মাতিছো, সকলোকে থই
বেগেৰে চৰণ চলাবা হেৰা। ( ২৩ )

তস্যোৎসঙ্গে প্ৰণয়িন ইৱ স্ৰস্তগঙ্গাদুকূলাং
ন ত্বং দৃষ্ট্বা ন পুনৰলকাং জ্ঞাস্যসে কামচাৰিন্।
যা বঃ কালে বহতি সলিলোদ্গাৰমুচ্চৈৰ্বিমানা
মুক্তাজাল গ্ৰথিতমলকং কামিনীবাভ্ৰবৃন্দম্ ॥ ৬৬ ॥

প্ৰেমিকৰ কোলা ভৰি, থকা দৰে শোভা কৰি
অলকাখনিয়ে আছে শুৱাই কৈলাস গিৰি,
গঙ্গা কাষতে বয় ফেনে ফোটোকাৰে হাঁহি
—দেহাবাস খনি যেন পিছলি পৰিছে খহি;
ওখ কাৰেঙেৰে শোভা অলকানগৰী জুৰি
বাৰিষা দেখিবা আছে পানী ভৰা মেঘ উৰি
—নাৰীৰ খোপাত যেন উঠিছেহে জিলিকনি
মাণিক মুকুতা গঁথা কেশবন্ধা জালখনি,
হেৰা কামচাৰি সখি, পৰিলে এবাৰ চকু
চিনিবা অলকাপুৰী নুশুধিও একো কাকো। ( ৬৬ )

## উত্তৰ-মেঘ।

বিদ্যুৎবন্তং ললিতা বনিতাঃ সেন্দ্ৰচাপং সচিত্ৰাঃ।
সঙ্গীতায় প্ৰহৃত মুৰজাঃ স্নিগ্ধ গম্ভীৰ ঘোষম্।
অন্তস্তোয়ং মণিময় ভুৱস্তুঙ্গমভ্ৰংলিহাগ্ৰাঃ
প্ৰাসাদাস্ত্বাং তুলয়িতুমলং যত্ৰ তৈস্তৈৰ্বিশেষৈঃ ॥ ১ ॥

মোহিনী ৰমণী থকা বাৰত চিত্ৰই শোভা
ঘনে ঘনে উঠা নাদ মৃদঙ্গ ধ্বনিৰ
ভেঁটিত মুকুতা পতা ওখই আকাশ চুমা
অলকাপুৰীৰ সেই কাৰেঙ্ বাজিৰ
লাহৰী বিজুলী থকা ৰামধনু ৰেখা অঁকা
গুৰু গুৰু উঠা মৃদু গহীন গাজনি
ফটিক জলেৰে ভৰা দূৰ নীলিমাত উৰা
মেঘৰ লগত হয় কেৱল ৰিজনি। ( ১ )

হস্তে লীলাকমলমলকে বালকুন্দানুবিদ্ধং
নীতা লোধ্ৰপ্ৰসৱৰজসা পাণ্ডুতামাননে শ্ৰীঃ।
চূড়াপাশে নৱকুৰবকং চাৰু কৰ্ণে শিৰীষং
সীমন্তে চ ত্বদুপগমজং যত্ৰ নীপং বধূনাম্ ॥ ২ ॥

তাত যুৱতীৰ দলে পদুমেৰে খেলা খেলে
হাতে হাতে শোভা কৰে খেলাৰ পদুম,
লোধ্ৰ ফুল পৰাগেৰে মুখ শুলপীয়া কৰে
কুন্তলত পিন্ধে কুন্দ কোমল কুসুম,

কলি কুৰুবক ফুলে খোপাত জেউতি তোলে
কাণত গহনা শোভে শিৰীষ ফুলৰ,
শিৰত দেখিবা আছে সেঁওতাৰ মাজে মাজে
তৰুৱা কদম কলি বাৰিষা কালৰ। ( ২ )

যত্ৰোন্মত্তভ্ৰমৰমুখৰাঃ পাদপা নিত্যপুষ্পা
হংসশ্ৰেণীৰচিতৰশনা নিত্যপদ্মা নলিন্যঃ।
কেকোৎকণ্ঠা ভৱনশিখিনো নিত্যভাস্বৎকলাপা
নিত্যজ্যোৎস্নাঃ প্ৰতিহততমোবৃত্তিৰম্যাঃ প্ৰদোষাঃ ॥ ৩॥

মধুলোভী ভোমোৰাই গুঞ্জৰি গীত গাই
নিতে ফুলা গছে বনে অলকা পুৰত,
মালা এধাৰীৰ দৰে শাৰী পাতি হাঁহ চৰে
ফুলেৰে উপচি থকা পদুম বিলত,
উগুল থুগুল কৰি ডাকে ডিঙি তুলি লই
বিচিত্ৰ পাখিৰে শোভা ঘৰুৱা ম'ৰাই,
সন্ধ্যাৰ আন্ধাৰ হৰি চৌদিশ পোহৰ কৰি
জোনৰ কিৰণে নিতে জেউতি চৰায়। ( ৩ )

তত্ৰাগাৰং ধনপতি গৃহানুত্তৰেণাস্মদীয়ং
দূৰাল্লক্ষ্যং সুৰপতিধনুশ্চাৰুণা তোৰণেন।
যস্যোপান্তে কৃতকতনয়ঃ কান্তয়া বৰ্দ্ধিতো মে
হস্ত প্ৰাপ্যস্তবকনমিতো বালমন্দাৰবৃক্ষঃ ॥ ১৪ ॥

দূৰৰ পৰাই ৰামধনু যেন
ধুনীয়া এটি তোৰণে সতে
আমাৰ ঘৰটি চকুত পৰিব
ৰাজ কাৱেৰৰ উত্তৰ হাতে,
ঘৰৰ কাষতে মন্দাৰ পুলিটি
প্ৰিয়াৰ পালিত পুত্ৰৰ দৰে
থোপা থোপে ফুলি ফুলৰ ভৰতে
হাতে পোৱাকৈ হাউলি পৰে। ( ১৪ )

বাপীচাস্মিন্ মৰকত শিলাবদ্ধসোপানমাৰ্গা
হৈমৈশ্চন্না বিকচকমলৈঃ স্নিগ্ধবৈদূৰ্য্যনালৈঃ।
যস্যাস্তোয়ে কৃতবসতয়ো মানসং সন্নিকৃষ্টং
নাধ্যাস্যন্তি ব্যপগতশুচস্ত্বামপি প্ৰেক্ষ্য হংসাঃ ॥ ১৫ ॥

বাৰীতে দেখিবা সৰোবৰ এটা
মণি মৰকতে বন্ধোৱা ঘাট,
চচ বাখৰৰ জিলিকা ঠাৰিৰে
সোণৰ পদুম ফুলিছে তাত;
তোমাক দেখিও ধাউতি নকৰি
ওচৰতে থকা মানসলৈ
তাৰ হাহঁজাকি তাতেহে চৰিব
মনত বেজাৰ নকৰা কৈ। ( ১৫ )

ৰক্তাশোকশ্চলকিশলয়ঃ কেসৰশ্চাত্ৰ কান্তঃ
প্ৰত্যাসন্নৌ কুৰবকবৃতের্মাধবীমণ্ডপস্য।
একঃ সখ্যাস্তৱ সহময়া বামপাদাভিলাষী
কাঙ্ক্ষত্যন্যো বদন মদিৰাং দোহদচ্ছদ্মনাস্যাঃ ॥ ১৭ ॥

লীলাগিৰিটিৰ কুৰুবকে বেৰা
মাধৱী কুঞ্জৰ কাষতে আছে,
এজুপি বকুল ৰাঙলী অশোক
—কুঁহি পাত হালি ৰঙতে নাচে;
অশোকে বিচাৰে তোমাৰ সখীৰ
বাম পদাঘাট মোৰে দৰে
মুখ মদিৰাৰ আশাত বকুলে
ফুলতী হোৱাৰ ফাকটি জোৰে। (১৭)

তন্বী শ্যামা শিখৰি দশনা পক্কবিম্বাধৰোষ্ঠী
মধ্যে ক্ষামা চকিত হৰিণী প্ৰেক্ষণা নিম্ননাভিঃ।
শ্ৰোণীভাৰাদলসগমনা স্তোকনম্ৰা স্তনাভ্যাং
যা তত্ৰ স্যাদ্যুৱতি বিষয়ে সৃষ্টিৰাদ্যেৱ ধাতুঃ ॥ ২১ ॥

লাহী দেহাথনি ভৰুণ যুৱতী
দাঁত গুটি গুটি মুকুতা পাতি
ভয়ত চকিতা হৰিণীৰ দৰে
বিলোলিত গতি নয়ন দুটি,
পকা বিম্ব যেন ৰঙা ওঁঠ দুটি
স্তনৰ ভৰতে দেহাটি হালে
সুগভীৰ নাভী সুলাহী কঁকাল
নিতম্ব ভৰত ধীৰেৰে চলে!



যুৱতী সৃজোতে বিধাতা পুৰুষে
যাক আহি কৰি সৰজি ললে
সেই মুকতিকে দেখা পাবা তুমি
বিৰাজে ঘৰৰ ভিতৰ ফালে। ( ২১ )

আলোকে তে নিপতিত পুৰা সা বলিব্যাকুলা বা
মৎসাদৃশ্যং বিৰহতনু বা ভাৱগম্যং লিখন্তী।
পৃচ্ছন্তী বা মধুৰ বচনাং সাৰিকাং পঞ্জৰস্থাং
কচ্চিদ্ভৰ্ত্তুঃ স্মৰসি ৰসিকে ত্বংহি তস্যপ্ৰিয়েতি ॥ ২৪ ॥

অনতি পলমে প্ৰিয়াৰ প্ৰতিমা
তোমাৰ চকুত পৰিব হেৰা
দেখিবা কিজানি মোৰ প্ৰেয়সীক
একেচিতে দেৱ ভজনা কৰা;
নতুবা প্ৰিয়াই আঁকিছে দেখিবা
আপোন মনেৰে আপুনি পাতি
বিৰহ দুখত খীণোৱা তনুৰ
মোৰ দেহাটিৰে মুকতি এটি,
নহলে সজাৰ সুমদী সুৰীয়া
শালিকাটিকে বা সুধিছে গই
"তয়ে চেনেহৰ আছিলি নাথৰ
তেওঁলৈ মনত পৰেনে অ'"। ( ২৪ )

তামুত্থাপ্য স্বজলকণিকাশীতলেনানিলেন
প্ৰত্যাশ্বস্তাং সমমভিনবৈৰ্জালকৈৰ্মালতীনাম্
বিদ্যুৎগৰ্ভঃ স্তিমিতনয়নাং ত্বৎসনাথে গবাক্ষে
বক্তুং ধীৰঃ স্তনিতবচনৈৰ্মানিনীং প্ৰক্ৰমেথাঃ ॥ ৩৭ ॥

জলৰ কণিকা লাগি চেচা হোৱা
শীতল বতাহ এছাটি মাৰি
মালতীৰ কলি ফুলোৱাৰ দৰে
প্ৰিয়াকো তুলিবা সজাগ কৰি,
পাছে মানিনীয়ে থিৰ নয়নেৰে
খিলিকি খনিৰে দেখিলে চোৱা
বিজুলী সখীক বুকুত লুকাই
মৃদু গৰজনে ধীৰেৰে কবা। ( ৩৭ )

ভৰ্ত্তুৰ্মিত্ৰং প্ৰিয়মবিধবে বিদ্ধি মামম্বুবাহং
তৎসন্দেশৈৰ্হৃদয়নিহিতৈৰাগতং ত্বৎসমীপম্।
যো বৃন্দানি ত্বৰয়তি পথি শ্ৰাম্যতাং প্ৰোষিতানাং
মন্দ্ৰস্নিগ্ধৈৰ্ধ্বনিভিৰবলাবেণিমোক্ষোৎসুকানি ॥ ৩৮ ॥

"হে—ৰা আয়তি! মোকে বোলে মেঘ
তোমাৰ পতিৰ পৰম সখি
তেওঁৰে বতৰা তোমাৰ কাষলৈ
আনিছোঁ গোপনে মনত গাথি,
নিজ নগৰীৰ খোপা মেলিবলৈ
ঘূৰোঁতে প্ৰবাসী ঘৰৰ ফালে
ময়ে সেই মেঘ যাৰ গজনিত
ক্লান্ত দেহেৰেও বেগাই চলে" ( ৩৮ )

অঙ্গেনাঙ্গং প্ৰতনুতনুনা গাঢ় তপ্তেন তপ্তং
সাস্ৰেণাশ্ৰুদ্ৰুতমবিৰতোৎকণ্ঠমুৎকণ্ঠিতেন।
উষ্ণোচ্ছ্বাসং সমধিকতৰোচ্ছ্বাসিনা দূৰবৰ্ত্তী
সংকল্পৈস্তৈৰ্বিশতি বিধিনা বৈৰিণা ৰুদ্ধমাৰ্গঃ ॥ ৪১ ॥

"বাম ফালে হই বিধি আছে বাটে পথ ৰোধি
দূৰণি দেশত থকা সেই অভাগাই
আহিব নোৱাৰে দেখি মেলি কল্পনাৰে পাখি
ভাবতে তোমাৰে সতে হই একে ঠাই
দুয়োটিৰে মন প্ৰাণ নোবোৱা চকুৰ বাণ
তপত উশাহ কৰি দুয়োৰো অভিন
বেজাৰৰ দুমুণীয়া তাকো কৰি এগুটীয়া
দেহে-কেহে হ'ব খোজে তোমাতে বিলীন"। (৪১)

শব্দাখ্যেয়ং যদপি কিলতে যঃ সখীনাং পুৰস্তাৎ
কৰ্ণে লোলঃ কথয়িতুমভূদাননস্পৰ্শলোভাৎ।
সোঽতিক্ৰান্তঃ শ্ৰৱণবিষয়ং লোচনাভ্যামদৃষ্ট-
স্ত্বামুৎকণ্ঠাবিৰচিতপদং মন্মুখেনেদমাহ ॥ ৪২ ॥

"থাকিলেও সহচৰী যিটি কথা ক'ব পাৰি
সকলোৰে শুনাকৈয়ে তোমাৰ আগত
সেই কথা যি জনে কৈছিল কাণে কাণে
কেৱল তোমাৰ মুখ পৰশ লোভত

কাণে শুশুনাত গই চকুৰো আঁতৰ হই
সুদূৰৰ পিজনেই হিয়া আৱেগত
এই বাতৰিটি ৰচি কৈছে জানিবা আজি
মোৰ মুখেৰেই হেৰা তোমাৰ আগত"। ( ৪২ )

শাপান্তো মে ভুজগশয়নাদুত্থিতে শাঙ্গ'পাণৌ
শেষান্ মাসান্ গময়চতুৰো লোচনে মীলয়িত্বা।
পশ্চাদাবাং বিৰহগণিতং তমাত্মাভিলাষং
নির্ৱেক্ষ্যাবঃ পৰিণতশৰচ্চন্দ্ৰিকাসু ক্ষপাসু ॥ ৪৯ ॥

"ভুজঙ্গ শয়ন এৰি উঠিলে শাৰঙ্গপাণি
উকলিব শাপ মোৰ বছৰ পুৰাই
এই চাৰি মাহ তুমি কোনো মতে চকু মুদি
যেনে তেনে দিনকেটা দিয়া পঠিয়াই,
ঘূৰি গই ঘৰ পালে দুয়ো একেঠাই হ'লে
পৰিণত পোহৰত শাৰদী জোনৰ
বিৰহৰ প্ৰতিদিনে ভাবি থোৱা মনে মনে
পুৰাম বাসনা যত আমাৰ মনৰ"। ( ৪৯ )

এতৎকৃত্বা প্ৰিয়মনুচিতপ্ৰাৰ্থনাবৰ্ত্তিনো মে
সৌহাৰ্দ্দাদ্বা বিধুৰ ইতি বা ময্যনুক্ৰোশবুদ্ধ্যা।
ইষ্টান্ দেশান্ জলদবিচৰপ্ৰাবৃষা সম্ভৃতশ্ৰী-
ৰ্মাভূদেবং ক্ষণমপি চ তে বিদ্যুতা বিপ্ৰয়োগঃ ॥ ৫৪ ॥

বন্ধু চেনেহতে তুমি নতুবা করুণা কৰি
নহলেবা বুজি মোৰ ব্যথা বিৰহৰ
কৰিছো মিনতি মই যদি অনুচিতো হয়
ৰাখি মোৰ খাটনিটি অতি হেপাহৰ
বাৰিষা শুৱনী হই দেশে দেশে উৰি গই
আপোন মনেৰে তুমি কৰিবা বিহাৰ
বিজুলী প্ৰিয়াৰে সতে যেন নিমিষৰো বাবে
নহটক জলধৰ, বিয়োগ তোমাৰ'। ( ৫৪ )

---

# মেঘদূতৰ পাতনি।

অধুনা প্ৰচলিত শ্ৰব্য কাব্যনিবহৰ মাজত অদ্বিতীয় কবি কালিদাসৰ অমৃতময়ী লেখনীমুখৰ পৰা ওলোৱা মেঘদূত-কাব্য সকলোৰে শেখৰস্থানত বিৰাজ কৰি আছে। কালিদাস যে কিমান কবিত্ব শক্তিৰ আধাৰ আছিল তাক জন সাধাৰণৰ হৃদয়ঙ্গম কৰোৱা টান। তেওঁ কিৰূপ অসাধাৰণ কবিত্ব শক্তি লৈ এই পৃথিবীত অৱতৰণ কৰিছিল তাক কেৱল কাব্যশাস্ত্ৰৰ আস্বাদৰ অধিকাৰী সহৃদয় সকলেহে বুজিব পাৰিব। এই জন মহাকবিয়ে সৰ্ব্বোৎকৃষ্ট মহাকাব্য সৰ্ব্বোত্তম খণ্ডকাব্য আৰু সৰ্ব্বপ্ৰধান নাটকসকল ৰচনা কৰি জগতত অক্ষয় কীৰ্ত্তিস্তম্ভ স্থাপন কৰি গৈছে। মহাকবি কালিদাসৰ সমসৌভাগ্যশালী কবি পৃথিৱীৰ আন কোনো দেশতে ওপজা নাই বুলিলেও অত্যুক্তি নহয়। তেওঁৰ ৰচিত কাব্যসকল পঢ়িলে সাহিত্যৰসৰসিক সহৃদয়সকলৰ চিত্ত আৰ্দ্ৰ হয় আৰু কোনো অনিৰ্ব্বচনীয় আনন্দ সাগৰত নিমগ্ন হয়। ৰচনাৰ মাধুৰ্য্য, ভাৱৰ গাম্ভীৰ্য্য, অলঙ্কাৰাদিৰ সৌন্দৰ্য্য আৰু উপমাদিৰ তাৎপৰ্য্য প্ৰভৃতি আলোচনা কৰিলে কালিদাসৰ প্ৰতিদ্বন্দী কবি পোৱা টান। পদলালিত্য, বাক্যবিন্যাসৰ পাৰিপাট্য আৰু অতিশয় মাধুৰ্য্য গুণৰ কাৰণে সংস্কৃতানভিজ্ঞ সকলেও তেওঁৰ ৰচনা সাদৰে শুনি কৌতুক লাভ কৰে। এইজন মহাকবিৰ ৰচনা সংস্কৃত ৰচনাৰ আদৰ্শ ৰূপে গৃহীত হৈছে।



কবিকুলচূড়ামণি কালিদাসে মালবিকাগ্নিমিত্ৰ, বিক্ৰমোৰ্ব্বশীয়, অভিজ্ঞানশকুন্তল এই তিনিখন উত্তম নাটক আৰু ঋতুসংহাৰ, মেঘদূত, কুমাৰসম্ভৱ, ৰঘুবংশ এই কেইখন সুললিত কাব্য প্ৰণয়ন কৰে। নলোদয়, শ্ৰুতবোধ, শৃঙ্গাৰতিলক প্ৰভৃতি আন আন বহুতো কাব্যৰ ৰচক বুলি কালিদাসৰ এটা প্ৰসিদ্ধি থাকিলেও, এইবিলাক পূৰ্ব্বোল্লিখিত কাব্যসকলৰ নিচিনা গুনসম্পন্ন নোহোৱা হেতুকে পণ্ডিতসকলে পৰপ্ৰণীত বুলি উপেক্ষা কৰে।

এইজন মহাকবিয়ে নিজৰ জন্মৰ দ্বাৰা কোন দেশক অলঙ্কৃত কৰিছিল, কোন পিতৃ মাতৃ এওঁৰ নিচিনা সন্তান লাভ কৰি ধন্য হৈছিল, কাৰ পৰা আৰু ক'ত এওঁ বিদ্যালাভ কৰিছিল, ইত্যাদি বিষয় যথাতথ্যৰূপে জানিবৰ উপায় নাই। এওঁ উজ্জয়িনীৰ মহাৰাজ বিক্ৰমাদিত্যৰ সভা কবি আছিল বুলি কিম্বদন্তীৰ পৰা পোৱা যায়। বিক্ৰমাদিত্যই শালিবাহন শকাব্দৰ ১৩৫ বছৰ পূৰ্ব্বতে ৰাজত্ব কৰিছিল বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে। মহাকালৰ মন্দিৰ, শিপ্ৰানদী আৰু উজ্জয়িনীৰ আন আন শোভা বৰ্ণোৱাত মহাকবিৰ বিশেষ পক্ষপাতিত্ব দেখি, তেওঁ যে নিশ্চয় উজ্জয়িনীৰ আছিল সেইটো সহজে বুজিব পাৰি আৰু বহুত শ্লেষাত্মক কবিতাত বিক্ৰমাদিত্যৰ উল্লেখ অনুমিত হোৱাৰ বাবেও মহাকবিক সেইজন ৰজাৰ সমসাময়িক বুলি ধৰিব পাৰি। মহাকবি ৰাজান্তঃপুৰৰ লগত সম্যক পৰিচিত থকাৰ প্ৰমাণ তেওঁৰ কাব্য নাটকবোৰত পোৱা যায়। তেওঁৰ ৰচনাৰ পৰা বুজিব পাৰি যে তেওঁ সমৃদ্ধ আছিল আৰু দৰিদ্ৰতা দুঃখ পোৱা নাছিল। তেওঁ জাতিত ব্ৰাহ্মণ আৰু শিৱোপাসক আছিল। তেওঁৰ বৰ্ণনাসকলৰ পৰা বুজিব পাৰি যে তেওঁ বহুতো দেশ পৰিভ্ৰমণ কৰিছিল। বিশেষকৈ ৰঘুবংশ আৰু মেঘদূত কাব্যৰ বিচিত্ৰ স্থান বৰ্ণনাৰ পৰা এই অনুমান দৃঢ়তৰ হয়। তেওঁৰ বৰ্ণনাবিলাকৰ পৰা জানিব পাৰি যে তেওঁ সুখপ্ৰিয় আছিল কিন্তু কেতিয়াও ইন্দ্ৰিয়পৰায়ণ নাছিল। তেওঁ কেইবা ঠাইতো জিতেন্দ্ৰিয়তা গুণৰ প্ৰশংসা কৰিছে (শকুন্তলাৰ—"অনিৰ্ব্বচনীয়ং পৰকলত্ৰং" প্ৰভৃতি তাৰ প্ৰমাণ) তেওঁৰ ৰচনাৰ পৰা সম্যক্ জানিব পাৰি যে তেওঁ বেদ, দৰ্শন, পুৰাণ, ইতিহাস, সাংখ্য, যোগ, আয়ুৰ্ব্বেদ আৰু জ্যোতিষ ভালদৰে জানিছিল। এইবিলাক কথাত বাজে মহাকবি কালিদাসৰ বিষয় বিশেষ একো জানিবৰ উপায় নাই।

ওপৰত তেওঁৰ কবিত্বৰ বিষয় অলপ উলুকিওৱা হৈছে। তেওঁৰ ৰচনা সৌন্দৰ্য্যৰ বিষয়ে দুই চাৰি আৰু কথা কোৱা যাওক। তেওঁৰ ৰচনা ৰীতিয়ে সংস্কৃত সাহিত্যক নতুন সৌন্দৰ্য্য দান কৰিছে। তেওঁৰ ৰচনা অতি বিশুদ্ধ, সৰল আৰু কান্তিযুক্ত। তেওঁৰ ৰচনাত পুৰাণাদিৰ শিথিলতাও নাই আৰু পৰবৰ্ত্তী কবিসকলৰ উৎকটতাও নাই। অতুলনীয় উপমাৰাশিৰে সুশোভিত তেওঁৰ ৰচনাই অগাধ গতিভঙ্গীৰ দ্বাৰা পাঠকৰ চিত্ত অলৌকিক আহ্লাদেৰে পৰিপূৰ্ণ কৰি তোলে। তেওঁৰ ৰচনাৱলীৰ মাজত বহুতো প্ৰচলিত সুভাষিত পোৱা যায় আৰু সুদীৰ্ঘ সমাস অস্পষ্টতা প্ৰভৃতি দোষ তেওঁৰ ৰচনাত নাই।

কালিদাস এজন স্বভাৱ কবি। স্বভাৱ বৰ্ণনাত তেওঁ অতিশয় নৈপুণ্য দেখুৱাইছে। বৰ্ত্তমান কাব্যখনত এই বিষয় তেওঁৰ বিশেষ নৈপুণ্য দেখি চমৎকৃত হব লাগে। উক্ত মেঘদূত কাব্য আলঙ্কাৰিকসকলৰ শ্ৰেণী বিভাগ মতে খণ্ডকাব্যৰ শ্ৰেণীত পৰে। মহাকাব্যৰ অংশ বিশেষৰ প্ৰকৃতিত ৰচিত কাব্যক খণ্ডবাক্য বোলা হয়। এই কাব্য আদ্যোপান্ত মন্দাক্ৰান্তা ছন্দেৰে ৰচিত। বৰ্ষাকাল আৰু বিৰহ বৰ্ণনাত এই ছন্দ বিশেষ প্ৰযোজ্য।

১২০ শ্লোকৰ এই খণ্ডকাব্য পূৰ্ব্বমেঘ আৰু উত্তৰমেঘ নামে দুই খণ্ডত বিভক্ত। পূৰ্ব্বমেঘত ৰামগিৰি পৰ্ব্বতৰ পৰা অলকাপুৰীলৈকে মেঘৰ পথৰ বৰ্ণনা প্ৰসঙ্গত অনেক লতা, নদী, নগৰ, জনপদ, হিমালয়, কৈলাস আদিৰ স্বভাৱমধুৰ চিত্ৰসকল দিছে আৰু উত্তৰ মেঘত অলকাপুৰী যক্ষৰ আবাস, যক্ষপত্নীৰ বিৰহাবস্থা প্ৰভৃতিৰ যথাযথ বৰ্ণনাত কবিয়ে মহতী কবিত্ব শক্তিৰ পৰিচয় দিছে। অপ্ৰকৃত বিষয় লৈ ইমান কবিত্বশক্তিৰ বিলাস আন কানো কাব্যতে পোৱা নাযায়। পণ্ডিতসকলে অনুমান কৰে যে এই কাব্য ৰচনাত ৰঘুবংশ ৰচনাৰ নিচিনা কবিয়ে

কবিগুৰু বাল্মিকীৰ পদানুসৰণ কৰিছে। মেঘোদয়ত যক্ষৰ বিৰহ দুঃখৰ লগত ৰামায়ণৰ কিষ্কিন্ধ্যা কাণ্ডৰ, বৰ্ষাসময়ত ৰামৰ বিৰহ দুঃখৰ কথাৰ সাদৃশ্য দেখা যায়। সীতাদেৱীৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ অনকূলতাৰ লগত যক্ষ-পত্নীৰ প্ৰতি যক্ষৰ আকুলতা বিজাব পাৰি আৰু সীতা-দেৱীৰ প্ৰতি হনুমৎসন্দেশৰ লগত যক্ষৰ মেঘসন্দেশ বিজাব পাৰি।

মেঘদুত কাব্যৰ প্ৰতিপাদ্য বিষয় সংক্ষেপে এইঃ— অলকাপতি কুবেৰৰ অনুচৰ কোনো এক যক্ষক অতি স্ত্ৰৈণতা হেতু নিজকাৰ্য্য অৱহেলা কৰা দোষত যক্ষৰাজে এবছৰলৈ ৰামগিৰি আশ্ৰমত প্ৰিয়াবিৰহ যন্ত্ৰনা ভোগ কৰি থাকিবলৈ অভিশাপ দিলে। সি সেইদৰে নিৰ্ব্বাসিত হৈ ৰামগিৰি আশ্ৰমত আঠ মাহ কটোৱাৰ পাচত বিৰহ দুঃখত অতিশয় আকুল হৈ উঠিল। তাৰ পাচত সি আহাৰ মাহৰ প্ৰথম দিনা আকাশত নব মেঘৰ আবিৰ্ভাৱ দেখি, নিজৰ প্ৰিয়াৰ প্ৰতি সন্দেশ বাৰ্ত্তা বহন কৰিবলৈ সেই মেঘক প্ৰাৰ্থনা জনালে। সেই প্ৰসঙ্গতে যক্ষে মেঘৰ আগত ৰামগিৰিৰ পৰা অলকালৈকে পথত দৰ্শনীয় বস্তু-বিলাকৰ বৰ্ণনা কৰিলে। তাম্ৰকূট পৰ্ব্বতৰ ওপৰেদি ৰৰষুণৰ পানীৰে বনৰ জুই নুমাই, নৰ্ম্মদা নদীৰ ওপৰেদি, বিন্ধ্যপৰ্ব্বতৰ কাষেদি, বিদিশা নগৰী, বেত্ৰৱতি নদী, অৱন্তীৰ ৰাজধানী উজ্জয়িনী, কুৰুক্ষেত্ৰ, গঙ্গাৰ প্ৰভৱ স্থান প্ৰভৃতি এৰাই শেষত মেঘে কৈলাসৰ অলকাপুৰীত উপ-স্থিত হোৱাৰ কথা পূৰ্ব্বমেঘত বৰ্ণোৱা আছে। উত্তৰ মেঘত প্ৰথমতে অলকাপুৰীৰ বৰ্ণনা আৰু যক্ষৰ আৱাসৰ বৰ্ণনা আছে। যক্ষে মেঘক অনুৰোধ কৰিলে যে তেওঁ যেন সেই ঠাই পোৱাত বিদ্যুতৰ জ্যোতি খদ্যোতৰ নিচিনা কৰে আৰু গৰ্জ্জন শব্দ কমায়, কাৰণ সেই সময়ত স্বপ্নতে যক্ষপ্ৰিয়াই তেওঁৰ প্ৰণয়ীৰ দৰ্শন লাভ কৰি থকাৰ সম্ভৱ। যক্ষই সেই সময়ত তেওঁৰ প্ৰিয়া হিমক্লিষ্টা নলিনীৰ নিচিনা মলিন হৈ পৰাৰ কথা কলে; সময়ে সময়ে বীণা হাতত লৈ তেওঁ নিজৰ প্ৰণয়ীৰ বিষয় গান কৰিবলৈ গৈ শোকতে মূৰ্চ্ছনা পাহৰি যোৱাৰ কথা কলে আৰু ফুলৰ পাহিৰে বিৰহৰ দিন গণি থকাৰো কথা কলে। শেষত যক্ষই তেওঁৰ প্ৰিয়াৰ প্ৰতি নিজৰ প্ৰবল অনুৰাগৰ বিষয় জনাবলৈ কৈ পুনৰ্ম্মিলনৰ আশ্বাসবাণী দিলে।

কাব্যৰ উদ্দেশ্য ৰস উদ্ভাৱন কৰা। গতিকে কোনো কাব্য আলোচনা কৰিব লাগিলে সেই কাব্যত কি ৰস কি ভাবত প্ৰয়োগ হৈছে তাৰ বিচাৰৰ প্ৰয়োজন। "ৰস" কি? সংক্ষেপতে কবলৈ গলে কোনো অভিনয়ৰ দৰ্শন নাইবা কোনো কাব্য প্ৰবন্ধৰ শ্ৰৱনত সহৃদয় দৰ্শক বা শ্ৰোতাৰ হৃদয়ত যি এটা অলৌকিক আহ্লাদ উপস্থিত হয় তাকেই "ৰস" বোলা হয়। ভৰত মুনিয়ে কয় যে বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰ ভাব বা সঞ্চাৰি ভাবৰ সংযোগত ৰসৰ নিষ্পত্তি হয়। বিভাৱ দুই বিধ— অৱলম্বন আৰু উদ্দীপন। যাক আশ্ৰয় কৰি স্থায়ী ভাবৰ বিকাশ হয় সেই কাব্যগত মূৰ্ত্ত চৰিত্ৰক আলম্বন বিভাৱ বোলে। মেঘদূতকাব্যৰ নায়ক যক্ষ আৰু নায়িকা যক্ষ-পত্নী আলম্বন বিভাৱ। যিবিলাক ভাব হৃদয়ত সুপ্তাবস্থাত থাকে কিন্তু উদ্দীপনা পাই জাগি উঠে সেইবিলাক স্থায়ী ভাব। মানৱ হৃদয়ত আঠোটা স্থায়ী ভাব আছে যেনে—ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা আৰু বিস্ময়। যিহে এই বিলাক স্থায়ী ভাবৰ উদ্বোধনত সহায়তা কৰে সি উদ্দীপন বিভাব—কাৰণ যক্ষপত্নীৰ প্ৰতি যক্ষৰ যি ৰতি আছে তাকে মেঘোদয়ে উদ্দীপিত কৰি তুলিছে। হাব-ভাব, হাস-ভাস, কটাক্ষ প্ৰভৃতি যিবিলাকে স্থায়ী ভাবৰ প্ৰকাশ কৰে সেইবিলাক অনুভাৱ। সাগৰৰ ঢৌৰ নিচিনা ক্ষণিক আবিৰ্ভাৱ আৰু তিৰোভাৱৰ দ্বাৰা যিবিলাক সহকাৰী ভাবে স্থায়ী ভাবৰ পৰিপোষণ কৰে সেইবিলাক ব্যভিচাৰি ভাৱ। যেনে এই কাব্যত যক্ষৰ বিষাদ।

এই কাব্যত শৃঙ্গাৰ ৰস প্ৰধান আৰু কৰুণা অঙ্গৰস। শৃঙ্গাৰ বা আদিৰস দুবিধ—বিপ্ৰলম্ভ আৰু সম্ভোগ। নায়ক নায়িকাৰ প্ৰকৃষ্ট অনুৰাগ থকাতো পৰস্পৰৰ অভীষ্ট মিলন নোহোৱাত বিপ্ৰলম্ভ শৃঙ্গাৰ ৰসৰ উৎপত্তি। এই কাব্যত কেৱল নায়ক নায়িকাৰ বিৰহ বৰ্ণন আছে, গতিকে কাব্যৰ প্ৰধান ৰস বিপ্ৰলম্ভ শৃঙ্গাৰ। নায়ক



নায়িকাৰ মিলন সুখৰ বৰ্ণনাত সম্ভোগ শৃঙ্গাৰ ৰসৰ উৎপত্তি যেনে—ৰঘুবংশৰ উনবিংশ স্বৰ্গত অগ্নিবৰ্ণৰ শৃঙ্গাৰ। এই কাব্যত কৰুণৰস অঙ্গীভূত অৰ্থাৎ শৃঙ্গাৰ ৰসৰ তুলতীয়া অৱস্থাত আছে। নায়ক নায়িকাৰ বিষাদাদি ভাবৰ পৰা শ্ৰোতাৰ মনত কাৰুণ্য ভাবৰ সঞ্চাৰ হয়, গতিকে কৰুণা ইয়াত অঙ্গৰস। কিছুমানে ভাবে যে কবিয়ে নিজৰ প্ৰিয়াবিৰহ জনিত দুঃখৰ অনুভৱ লৈ মেঘদূত কাব্যৰ অৱতাৰণা কৰে। মেঘদূতৰ নায়ক তেওঁ নিজে। এই কথাত বিশেষ প্ৰতিবাদ কৰিব লগীয়া একো নাই। হবও পাৰে নহবও পাৰে। উভয় পক্ষতে কাব্যৰসৰ একো হানি নহয়।

মেঘদুত কাব্যৰ নায়ক নায়িকা দেৱযোনি বিশেষ, ধৰ্মস্থান অলকাপুৰী। কবিয়ে নিজৰ অলৌকিক কল্পনা-প্ৰয়োগৰ সুবিধাৰ নিমিত্তেহে তেওঁৰ নায়ক নায়িকা প্ৰভৃতিক মনুষ্য লোকৰ ওপৰৰ পৰা আনিছে।

মেঘৰ পথটো অতি দুৰ্গমীয়া কৰাৰ কাৰণ, তেওঁ প্ৰথমতে, ৰঘুবংশৰ ত্ৰয়োদশ সৰ্গত ৰামসীতাৰ পুষ্পক ৰথেৰে অযোধ্যালৈ গমনৰ সময়ত গঙ্গা যমুনা সঙ্গমৰ সেই পথ এবাৰ বৰ্ণনা কৰিছে। আৰু বিশেষতঃ, কালিদাস উজ্জয়িনী ৰাজসভাৰ ৰাজকবি। সেই সময়ত উজ্জয়িনীৰ বিপুল ঐশ্বৰ্য্য আছিল। গতিকে উজ্জয়িনী, মহাকাল মন্দিৰ, শিপ্ৰানদী প্ৰভৃতিৰ বৰ্ণনা দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰি মেঘক সেই পথেদি ঘুৰাই পঠিয়ালে।

ধৰা হৈছে যে মেঘদূত কাব্য সমগ্ৰ মন্দাক্ৰান্তা ছন্দত ৰচিত। মহাকবি সকলে বৰ্ণনীয় বিষয়ৰ লগত খাপ খুৱাই ছন্দৰ ব্যৱহাৰ কৰে। সংস্কৃত ছন্দ অসংখ্য। এই ছন্দবিলাক ৰসতত্ত্বজ্ঞ কবিসকলে বিচিত্ৰ ভাবে উপযুক্ত সময়ত ব্যৱহাৰ কৰে। মেঘদূত কাব্যৰ বৰ্ণনীয় বিষয়ত মন্দাক্ৰান্তা ছন্দ অত্যুপযোগী। আন আন কাব্যত ভিন ভিন সৰ্গত ভিন ৰকমৰ বিষয় থাকে; গতিকে সেই-বিলাক কবিয়ে ছন্দ পৰিবৰ্ত্তন কৰে। একে ছন্দতে সমগ্ৰ মহাকাব্য এখন লিখা নহয়। কিন্তু মেঘদূত কাব্যৰ বৰ্ণনীয় বিষয় আৰু প্ৰধান ৰস একেটা হোৱাত ছন্দৰ পৰিবৰ্ত্তনৰ অৱকাশ নাই।

ছন্দৰ নিচিনাকৈ শব্দ প্ৰয়োগ অৰ্থানুগামী। বাক্য আৰু অৰ্থৰ সমন্বয় নহলে কাব্য নহয়। কালিদাসে ভাব আৰু অৰ্থৰ লগত শব্দ প্ৰয়োগৰ বিচিত্ৰ সামঞ্জস্য ৰাখি কবিতা ৰচনা কৰিব পাৰিছে দেখিহে তেওঁৰ আসন ইমান ওপৰত।

কাব্যত ৰস যেনে আৱশ্যকীয়, ধ্বনি, অলঙ্কাৰ আৰু ৰীতিও তেনে আৱশ্যকীয়। ৰচনাৰ কৌশলৰ পৰা ধ্বনিৰ উৎপত্তি হয়। ধ্বনি নুবুজিলে কাব্য-পাঠ বিড়ম্বনা। মল্লিনাথে মাঘকাব্যৰ ব্যাখ্যাৰ প্ৰাৰম্ভত লিখিছে যে যিবিলাক পাঠকে ধ্বনিৰ অনুসৰণ কৰে তেওঁবিলাকৰ নিমিত্তেহে মাঘ কাব্যৰ টীকা তেওঁ লিখিছে। কালিদাসৰ কাব্যবিলাকতো ঠাই বিশেষে ৰসজ্ঞসকলে ধ্বনি অনুমান কৰিব পাৰে। কোনো কবিতাৰ সাধাৰণ অৰ্থত বাজেও অন্তৰ্নিহিত অৰ্থ থাকে। এই অন্তৰ্নিহিত অৰ্থক ধ্বনি বোলা হয়। মেঘদূতৰ ( — ৰেৱাং দ্ৰক্ষ্যাস্যুপলবিষমে বিন্ধ্যপাদে বিশীৰ্ণাং ) "দেখিবা ৰেৱাই শতধাৰা হই, বিন্ধ্যৰ অসম ভূমিয়ে বয়" এই কবিত্বপূৰ্ণ পদ্য ফাকিলৈ মন কৰি চাওক। ইয়াৰ অৰ্থ "বিষম উপলৰ মাজেদি বৈ যোৱা শীৰ্ণকায়া ৰেৱা নদীক বিন্ধ্য পৰ্ব্বতৰ পাদ দেশেৰে বৈ যোৱা দেখিবা"। ইয়াত ৰেৱা নদীৰ সাধাৰণ বৰ্ণনাত বাজেও কোনো প্ৰত্যাখ্যাতা শীৰ্ণা নায়িকাৰ, কঠিনহৃদয় নায়কৰ পদ তলত পৰি ক্ষমা ভিক্ষা কৰাৰ ধ্বনি পোৱা যায়। (গৌৰী বক্ত্ৰ ভ্ৰুকুটি ৰচনাং) "পাৰ্ব্বতীয়ে সপত্নীক দেখি কৰা ভ্ৰুকুটিক জাহ্নবীয়ে যেন তুলি হাঁহিতে উৰাই"; ইত্যাদিতো ধ্বনি অনুমিত হয়। এইদৰে ধ্বনি গুণে কবিতাৰ মাধুৰ্য্য বঢ়ায়।

কবি সকলৰ পদৰচনাৰ বিশিষ্টতা থাকে। এই বিশিষ্ট পদ ৰচনাকে ৰীতি বোলা হয়। পণ্ডিতবৰ বামনৰ মতে ৰীতি তিনটা; যেনে—বৈদৰ্ভী, গৌড়ীয়া আৰু পাঞ্চালী। কিছুমানে লাটিকা বুলি আন এটা বেলেগ ৰীতিৰো উল্লেখ কৰিছে। কালিদাস বৈদৰ্ভী ৰীতিৰ পক্ষপাতী। গুণ আৰু ৰীতিৰ পৰস্পৰ সম্বন্ধ আছে। ৰচনাৰ বিশেষত্ব লৈ নানা গুণ প্ৰকাশ পায়। যেনে প্ৰসাদ, ওজঃ, মাধুৰ্য্য, সুকুমাৰতা ইত্যাদি। আচাৰ্য্য দণ্ডীৰ মতে

বৈদৰ্ভী ৰীতিৰ গুণ দহোটা যেনে, শ্লেষ, প্ৰসাদ, সমতা মাধুৰ্য্য, সুকুমাৰতা, অৰ্থব্যক্তি, উদাৰত্ব, ওজঃ কান্তি আৰু সমাধি। আচাৰ্য্যে এই বিলাকৰ প্ৰত্যেকৰ লক্ষণ আৰু উদাহৰণ দিছে। ইয়াত অনাৱশ্যক বোধে সকলো বিলাকৰ বিস্তৃত ব্যাখ্যা উপেক্ষা কৰা হ'ল।

আলঙ্কাৰিক সকলে কাব্যক শৰীৰৰ লগত তুলনা কৰিছে। শৰীৰ শোভাৰ নিমিত্তে যেনে অলঙ্কাৰৰ প্ৰয়োজন কাব্যৰ শৰীৰ শোভাৰ নিমিত্তেও তেনে অলঙ্কাৰৰ প্ৰয়োজন। এই অলঙ্কাৰ দুবিধ যেনে শব্দা-লঙ্কাৰ আৰু অৰ্থালঙ্কাৰ। যমক অনুপ্ৰাস প্ৰভৃতিক শব্দালঙ্কাৰ বোলে। বহুত কবিয়ে শব্দালঙ্কাৰৰ আড়ম্বৰ দেখুৱাই বহুত ঠাইত কবিত্ব হানি কৰে। কিন্তু কালিদাসৰ সেই দোষ মুঠেই নাই বুলি ক'ব পাৰি। তেওঁ কবিত্ব ৰক্ষাই ৰাখিহে শব্দালঙ্কাৰৰ ব্যৱহাৰ কৰিছে। অৰ্থা-লঙ্কাৰৰ ভিতৰত উপমালঙ্কাৰৰ ব্যৱহাৰত কালিদাস সিদ্ধহস্ত। 'উপমা কালিদাসস্য"। সাদৃশ্য বৰ্ণনাই উপমা। এই অলঙ্কাৰ বুজাত সহজ কিন্তু প্ৰয়োগত টান। উপমাৰ প্ৰয়োগ কবিৰ কল্পনা শক্তিৰ ওপৰত নিৰ্ভৰ কৰে। কালিদাসৰ কল্পনা শক্তি অদ্ভুত গতিকে তেওঁৰ উপমা-বিলাকো অত্যন্ত মনোহৰ। আলঙ্কাৰিকসকলে উপমাৰ নানা প্ৰকাৰ শ্ৰেণীবিভাগ কৰিছে। বাহুল্য বোধে ইয়াত সেইবিলাকৰ উল্লেখ কৰা নহ'ল। পাঠকসকলে অনায়াসে এই কাব্যৰ উপমাবিলাক বাছি উলিয়াব পাৰিব। উদাহৰণ দি প্ৰবন্ধৰ কলেবৰ বৃদ্ধি কৰা নিষ্প্ৰয়োজন।

উত্তম কাব্যবিলাকৰ প্ৰতি সকলোৰে প্ৰীতি হোৱাটো স্বাভাৱিক। জনসাধাৰণে কেৱল প্ৰীতি পূৰ্ব্বক পঢ়ি সুখলাভ কৰে। কিন্তু কবিসকলে এনেকুৱা কাব্যৰ অনুকৰণে নিজেও তেনে কাব্য ৰচনা কৰিবলৈ বিচাৰে। মেঘদূতৰ অলৌকিক মাধুৰ্য্যত মুগ্ধ হৈ কিছুমান কবিয়ে দূত কাব্যসকল ৰচনা কৰিছে। এই বিলাকৰ ভিতৰত পদাঙ্কদূত, হংসদূত, পৱনদূত, নেমিদূত, উদ্ধৱদূত প্ৰভৃতি-ৱেই প্ৰধান। কিন্তু এইবিলাক কাব্য সৰ্ব্বসম্মতিক্ৰমে মেঘদূততকৈ অনেক তল থাপৰ। অতএৱ এইবিলাকৰ মেঘদূতৰ লগত তুলনামূলক সমালোচনাৰ একো প্ৰয়োজন নাই। কিছুমান কবিয়ে যেনেকৈ উত্তম কাব্যবিলাকৰ অনুকৰণে কাব্য ৰচনা কৰে, তেনেকৈ কিছুমান কবিয়ে সেই কাব্যৰ ভাষান্তৰত অনুবাদ কৰে। পূৰ্ব্ব কালত অল্প শিক্ষিত লোকসকলেও সংস্কৃত ভালদৰে বুজিছিল গতিকে অনুবাদৰ বিশেষ প্ৰয়োজন নাছিল। বৰ্ত্তমান সময়ত বহুতে সংস্কৃত নুবুজে গতিকে কবিত্বশক্তি থকা লোকসকলৰ সহজে অনুবাদৰ স্পৃহা জাগি উঠে। প্ৰাচীন কালৰে পৰা অসমীয়া কবিসকলে মূল সংস্কৃত গ্ৰন্থবিলাকৰ অসমীয়া অনুবাদ লিখি আহিছে এতিয়া অনুবাদ দুই ৰকমৰ হ'ব পাৰে। ভাবানুবাদ আৰু মূলানুসাৰী অনুবাদ। কবিৰ ভাব, ধ্বনি প্ৰভৃতিৰ সহিত মূলানুসাৰী অনুবাদ কৰাত বিশেষ শক্তিৰ প্ৰয়োজন। আমাৰ ভাষাত কবিৰ ৰস সৃষ্টিৰ প্ৰতি দৃষ্টি ৰাখি কাব্যা-নুবাদ কৰাৰ চেষ্টা এয়ে প্ৰথম। বৰ্ত্তমান মেঘদূতৰ অনুবাদত লিখকে কালিদাসৰ কাব্যগত ভাববিলাক যথাযথ ভাবে ৰাখি গৈছে আৰু লগে লগে ভাষাৰ সৌষ্ঠৱকো ৰাখি গৈছে। মূল ভাবৰ খাতিৰে অনুবাদৰ ভাষাক ক্ষুণ্ণ কৰা নাই। মন্দাক্ৰান্তা ছন্দৰ অনুৰূপ ছন্দ অসমীয়া ভাষাত নাই। সেই ছন্দৰ সলনি আন এটা ছন্দৰ ওৰেই কাব্যত ব্যৱহাৰ নকৰি তেওঁ নানা বিধ ছন্দৰ অৱতাৰণা কৰিছে। ভাব অনুসাৰে এইদৰে ছন্দৰ পৰিৱৰ্ত্তন কৰাটো অসমীয়া অনুবাদৰ পক্ষে অনুপযোগী হোৱা নাই।

মূল কাব্যৰ সৌন্দৰ্য্য অনুবাদত যথেষ্ট ফুটি ওলাইছে—

কান্দোতে কান্দোতে ফুলিছো প্ৰিয়াৰ
　　উথহি পৰিছে নয়ন দুটি
উকলা উশাহে তেনেই সলালে
　　আগৰ ওঠৰ বৰণ যিটি,
মেমেলোৱা কেশে বদন ঢাকিছে
　　মুৰত হাত দি ভাবোঁতে হেৰা
তুমি ঢাকি থোৱা জোনটীৰ দৰে
　　মুখ খনি হ'ল কেউতি হৰা। (উঃমেঃ২৩)



দেখিবা মলিন বসনা প্ৰিয়াক
　　বীণাখনি লই কোলাত তুলি
মোৰ নামে ৰচা গীতকে এটিবা
　　ভাবিছে মনতে গাওঁকে বুলি,
চকুলোৱে তিতা বীণাৰ বটীয়া
　　কোনোমতে হেৰা সজায় লোৱা
আপুনি সদোৱা সুৰৰ মুৰ্চ্ছনা
　　ঘনে পতি তেওঁ পাহৰি যোৱা। (উঃমেঃ২৫)

জিৰাই উঠিলে বনৰ মাজৰ,
　　তটিনী তীৰৰ ফুলন ভৰা
যুতী ফুল কলি চাযত ঢালিবা,
　　নতুন পনীৰ কণিকা ধাৰা।
ঘনে ঘনে ঘাম মচোতে গালৰ,
　　কাণৰ পদুম মৰহি যোৱা
ফুল তুলি থকা কপহীইতক,
　　তোমাৰ ছায়াৰে আবৰি যাবা।
সেই আলমতে মালিনীইতৰে,
　　ক্ষন্তেকৰ বাবে চিনাকি হই
নিজৰ পথটি ধৰি লই পুনু,
　　আগ বাঢ়ি তুমি থাকিবা গই। (পুঃমে-২৭)

এইদৰে বহুতো উদাহৰণ দিব পাৰি; কিন্তু আৱশ্যক নাই। পাঠক পাঠিকা সকলে কাব্য পঢ়ি নিজে সোৱাদ লব।

শেহত কনলগীয়া এই যে অসমীয়া কবিতাৰে মেঘদূত কাব্যৰ অনুবাদ কৰি, অসমীয়া ভাষাত এটা নতুন ৰসৰ সৃষ্টি কৰিছে। এই কাৰণে অনুবাদক সুকবি শ্ৰীমান করুণাধৰ বৰুৱা বাপা অসমীয়া পাঠক পাঠিকাসকলৰ শলাগৰ পাত্ৰ। অনুবাদখন মই হাতে লেখা অৱস্থাতে পঢ়ি চাই দিছোঁ। মোৰ বিবেচনাৰে এই কাব্যখন অসমৰ উচ্চ শিক্ষালয় বিলাকত পঠন পাঠনৰ সম্পূৰ্ণ উপযুক্ত। এই ভূমিকা শেষ কৰাৰ লগতে অনুবাদকৰ উত্তৰোত্তৰ কবিত্ব শক্তি বৃদ্ধি হ'বৰ আৰু তেওঁৰ দ্বাৰা অসমীয়া ভাষাৰ কবিতাবিভাগৰ উন্নতি হ'বৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ।

বৰপেটা।　　　স্বাঃ শ্ৰীনাৰায়ণদেৱ মিশ্ৰ।



## চৰ্কাৰী বজেটত সাহিত্য সভা।

আজি কেইবা বছৰৰে পৰা সাহিত্য সভাৰ অৰ্থ অনাটনৰ কথা সকলোৰে জনাজাত। ধনৰ অভাৱতে সভাই একো লাগতিয়াল কাম কৰিব বা হাতত ল'বও পৰা নাই। এনে বিধৰ ৰাজহুৱা অনুষ্ঠান সৰ্ব্বসাধাৰণ আৰু চৰ্কাৰৰ সাহায্য ন'হলে কোনো প্ৰকাৰেই জিলিকিব নোৱাৰে। দেশত অৰ্থ সঙ্কটৰ বাবে আজি কেইবা বছৰো এই সভাই চৰ্কাৰৰ পৰা আগৰ দৰে সাহায্য পোৱা নাই। কেইবা বছৰো মুৰত, অকল আৰুবেলি আৰু এই বেলি, এই পত্ৰিকাৰ কাৰণে মুঠেই ৮০০৲ কৈ ৰূপ পোৱা হৈছিল। আমি দেখি বৰ আচৰিত হৈছোঁ যে এইবাৰৰ বজেটত তাৰো একো উল্লেখ নাই। বোধ কৰোঁ নতুন শিক্ষামন্ত্ৰী মহোদয়ৰ এই কথা চকুত নপৰিল। কিন্তু আমাৰ সভ্যসকলে কোনেও এই কথাৰ বাবে মাতোঁতা নোহোৱা দেখিহে আমি আৰু অধিককৈ আচৰিত হৈছোঁ। তেখেতসকলৰ এজনৰো যে এই কথালৈ সমূলি মনত নপৰিল, তাক আমি দেশৰ দুৰ্ভাগ্যৰ বাহিৰে আৰু কি বুলিব পাৰোঁ?

আমি আশা কৰিছোঁ মন্ত্ৰী মহোদয়ে যেন এই কথালৈ এতিয়াও কাণ কৰি কিবা এটা ভাল দিহা কৰিব; আৰু আমাৰ সভ্যসকলেও যেন তেখেতক মনত পেলাই দি এই কথালৈ ধৰিব। সাহিত্য সভাৰ উন্নতি কৰাটো যে দেশৰ এক প্ৰধান কাম তাক তেখেতসকলৰ দৰে সুবিজ্ঞ আৰু দেশহিতৈষী লোকক বুজাবলৈ যোৱাৰ প্ৰয়োজন নাই। সাহিত্য সভাৰ ভিক্ষাও সৰহ নহয়; সম্প্ৰতি এঘেজাৰ বা পোন্ধৰশ মানকৈ টকা পালেও সভাই এক প্ৰকাৰ তৎ পায়। ধনৰ অনাটন হৈছে বুলিও এই সৎকাৰ্য্যৰ বাবে এই সামান্য ধন দিবলৈ চৰ্কাৰৰ বিশেষ একো অসুবিধা ন'হব বুলি আমাৰ সম্পূৰ্ণ বিশ্বাস। হাতীৰ পেটত নাই বুলিও চাৰি কলহ পানী থাকে। এই সভাখন ভাগিবলৈ হলে, চৰ্কাৰ চৰ্কাৰৰ সদস্যবৰ্গ আৰু শিক্ষিত অসমীয়া ৰাইজ, আটাইৰে লাজৰ কথা ন'হবনে?

---

## শ্ৰীযুত বেজবৰুৱা আৰু শ্ৰীযুত বৰদলৈ ডাঙৰীয়া।

আমাৰ পৰম শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া আৰু শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়া উভয়ৰে শৰীৰ কাতৰ বুলি শুনি আমি অতিশয় দুখ পাইছোঁ। বেজবৰুৱা ডাঙৰীয়া সম্প্ৰতি স্বদেশলৈ আহি, ডিব্ৰুগড়তে আছেহি আৰু বৰদলৈ ডাঙৰীয়া গুৱাহাটীতে আছে। দুইৰো চিকিৎসা কাৰ্য্য আৰু শুশ্ৰূষা আদিও সুপ্ৰচুৰ মতে হৈছে। এখেতসকল দুই গৰাকী দেশৰ সুপুত্ৰ, দেশবাসীৰ পৰম আশা ভৰসাৰ স্থল, আৰু প্ৰীতি শ্ৰদ্ধা আৰু সন্মানৰ পাত্ৰ। আজি গোটেই দেশবাসীয়ে তেখেতসকলৰ হৈ সেই পৰম মঙ্গলময় জগদীশ্বৰৰ চৰণত সকাতৰে প্ৰাৰ্থনা কৰিছে। আমিও পৰমেশ্বৰৰ পাৱত পৰি সৰ্ব্বান্তঃকৰণেৰে সাষ্টাঙ্গে প্ৰাৰ্থনা কৰিছোঁ, তেখেতসকল দুইজনে যেন অনতি পলমে সম্পূৰ্ণ ৰূপে আৰোগ্য লাভ কৰি, আকৌ দেশহিতকৰ কাৰ্য্যত ধৰি, স্বদেশৰ কল্যাণ সাধিবলৈ সক্ষম হয়।

---

## আমাৰ জাতীয়তা।

আজি সমগ্ৰ জগতব্যাপী এটি মহতী সমস্যাই জগতবাসীৰ মনত এক প্ৰকাণ্ড ধুমুহাৰ সোঁত বোৱাই সকলোকে উত্ৰাৱল কৰি তুলিছে। গোটেই জগততে জাতীয়তাৰ মহতী সমস্যা হাতত লৈ সকলোৱে বুকু ফিন্দাই বীৰদৰ্পে সগৰ্ব্বে নিজ নিজ প্ৰভূত্ব প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈ কাচি-পাৰি ওলাইছে। তাৰ বাবে লাগিলে নিজতকৈ অলপমান হীন শক্তিৰ কোনো এক জাতিৰ অস্তিত্ব লোপ কৰিবলৈকো অলপো কুণ্ঠা বোধ কৰা নাই। সেই একে সমস্যাই যি দৰে সুমেৰুৰ পৰা কুমেৰুলৈ আন্দোলিত কৰিছে, আমাৰ ভাৰতভূমিতো সেইদৰে তাৰ হাৰা নোসোমোৱা নহয়;—উদয়াচলৰ পৰা অস্তাচললৈকে, হিমালয়ৰ পৰা কুমাৰিকালৈকে কম বেচি পৰিমাণে এই বিধৰ সমস্যাই সকলোকে বিমোহিত কৰিছে। তাৰে মাজত আকৌ আমাৰ অৰ্থাৎ, অসমবাসীৰ বৰ্ত্তমান জাতীয়তা এটা জটিল সমস্যা হৈ উঠিছে। আন কি কোনো কোনোৱে পাৰিলে ৰঙাকৈ চকু পকাই তৰ্জ্জন, গৰ্জ্জনাদি দেখুৱাইও সংখ্যা লঘিষ্ঠ আমাৰ কোনোমতে পিলাই কোঁচ খুৱাই নিজৰ প্ৰভুত্ব প্ৰচাৰ কৰি আমাৰ মুখে 'যো হুকুম খোদাবন্দ' বাক্য স্বীকাৰ কৰাবলৈ চেষ্টাৰ ত্ৰুটী কৰা নাই। তাকে দেখি আমাৰ নিচিনা অল্পপ্ৰাণ কোনো কোনো জনৰ মনত শঙ্কাৰ উদয় হৈছে 'এই কঠোৰ সমস্যাৰ মাজত আমাৰ অসমীয়া জাতি তিষ্ঠিব পাৰিবনে নোৱাৰিব?' এই কথালৈ। কিন্তু এই অমূলক শঙ্কা মনত উপস্থিত হোৱাৰ লগে লগে আমি সকলোৱে গা-গুটীয়াকৈ হলেও ভাবি চোৱা নিতান্ত উচিত যে, আমাৰ জাতীয়তা কোনোবা কালে কোনোবাই আমাক উপযাচি দিয়া বৰৰ (অনুগ্ৰহৰ) ফল, নে কাৰবাৰ পৰা নেৰা-নেপেৰা কাকুতি মিনতি কৰি কিছুদিনৰ বাবে খুজি অনা ভিক্ষালব্ধ বস্তু, নে আমাৰ জীৱন-মৰণ পণকৈ উপাৰ্জ্জন কৰা কঠোৰ সাধনাৰ ফল? যদি আমাৰ জাতীয়তা বুলি যি গৌৰৱ সিংহাসন কৰি আমাৰ মাজত স্থাপিত কৰিছোঁ সি আমাৰ অন্তৰত লব্ধ বস্তু, তেন্তে তাৰ প্ৰতি (অৰ্থাৎ আনৰ বস্তুৰ প্ৰতি) আমাৰ ইমান লালায়িত হৈ মায়া মমতা পোষণ কৰিবৰ কোনো প্ৰয়োজন নাই। যাৰ বস্তু তাৰ মনত নিগ্ৰহ ভাবৰ উদ্ৰেক হলেই যে অনায়াসে নিজ বস্তু নিব পাৰিব ইয়াত অকণো সন্দেহ নাই। আৰু যদিহে আমাৰ এই জাতীয়তা ৰত্ন স্বভূজোপাৰ্জ্জিত, আপোন আপোন কঠোৰ সাধনাৰ ফল তেন্তে ইয়াক অত্যাচাৰ কৰি ধ্বংস কৰিবৰ শক্তি কাৰ? এনে অধিকাৰ অইন কাৰো নাই, কোনোৱে কেতিয়াও ইয়াৰ অস্তিত্ব লোপ কৰিব নোৱাৰে। মাত্ৰ ইয়াক নাই-নুই নাইবা প্ৰবলতৰ উজ্জ্বলতৰ আদি কৰিবৰ অধিকাৰ আছে সিসকলৰ, যি সকলে প্ৰাণ পণ কৰিও মদমত্ত হাতীৰ পৰাক্ৰমী শত্ৰুৰ আক্ৰমণৰ পৰা আপদে বিপদে ইয়াক ৰক্ষা কৰি জুইত পুৰি সোণৰ ৰং চৰোৱাৰ দৰে নিজৰ জাতিৰ নিজত্ব, প্ৰবলত্ব আৰু প্ৰাচীনত্ব বাহাল ৰাখিছিল।

এই বিষয়ে আমি সৰহ দূৰলৈ যাবৰ প্ৰয়োজন নাই, অলপ পিচফালে চকু দিলেই স্পষ্ট ভাবে দেখিবলৈ পাওঁ যে, আমাৰ জাতীয়তা ৰত্ন কোনো জনৰ পৰা ভিক্ষা কৰি পোৱা নাইবা কোনেও উপযাচি দিয়া অনুগ্ৰহৰ ফল নহয়। ই আমাৰ পিতৃ-পুৰুষসকলৰ বহুদিনীয়া সাধনাৰ ফল। শত্ৰুৰ কৰাল কবলৰ পৰা বাৰে বাৰে ৰক্ষা কৰা এটি অমূল্য ৰত্ন। ইয়াৰ বিজয় লক্ষ্মীৰ গুণ-গৰিমাত বিমুগ্ধ হৈ কত জাতীয়ে যে, কতবাৰ তেওঁক নিজৰ অঙ্কশায়িনী কৰিবলৈ চেষ্টা কৰি ঠোঁঠা মুখ ভোটাই যোৱাৰ দৰে ম্ৰিয়মান লাজ পাই উভতি গৈছে তালৈ এবাৰ মন কৰি চালে আজিৰ ভাবুক অসমীয়াৰ বুকু ফিন্দ খাই আহে, মনত আনন্দৰ প্ৰবল সোঁত বয়, দেহত বলৰ প্ৰচণ্ড প্ৰভঞ্জনৰ প্ৰকোপ আৰু প্ৰত্যেক সিৰাতে উওপ্ত ৰক্তৰ ক্ষিপ্ৰ প্ৰবাহৰ আবিৰ্ভাৱ হয়, আৰু হোৱা উচিতো।

সি যি হ'ক—এই সময় থিনিত আমাৰ জাতীয় সমস্যা আকৌ এনে জটিল হৈ উঠিবৰ কাৰণ হল কি? ইয়াৰ

আতিগুৰি বিচাৰিবলৈ গলে পোন প্ৰথমতে আমাৰ হিয়া গৌৰৱেৰে উপচি পৰে। তাৰ পিচত মনত পৰিলে বৰ দুখ লাগে এই গৌৰৱতে মাতোৱাল হৈ 'সাতো ভাইৰ চুলি পকা কোনোৱে কাকো নোবোলে ককা' আদি কিছুমান অলীক কাৰ্য্যলৈ চাই।

পদুম ফুল ফুলিলে তাৰ মধু আহৰণ কৰিবলৈ মধুকৰক তামোল-পানেৰে বিদৰে নিমন্ত্ৰণ দিব নেলাগে, তাৰ পৰিমলৰ সৌৰভ গন্ধবহ বায়ুয়ে বৈ লৈ যোৱাত মনোমুগ্ধকৰ গোন্ধ পাই স্বাৰ্থ লোলুপ মৌ মাখিয়ে যি দৰে আনন্দতে আপোন পাহৰি আৰু সকলো প্ৰকাৰ সঙ্কটৰ সম্মুখীন হৈয়ো সৰোজিনীত উপস্থিত হয়, মধু সংগ্ৰহৰ ফান্দত পৰি প্ৰস্ফুটিত পদ্মৰ বিনাশলৈও মন কৰিবৰ অৱসৰ নেপায়, সেইদৰে আমাৰ জাতীয়তা কমলৰ বিমল সৌৰভ বিয়পি পৰাত মধুকৰ সদৃশ কোনো কোনোৱে মতলীয়া হৈ আমাৰ জাতীয় প্ৰবলতা আৰু প্ৰাচীনতা মধুপান কৰিবলৈ আহোঁতে বনৰীয়া হাতীয়ে গাঁও ভুঁইত উৎপীড়ন কৰাৰ দৰে আমাৰ জাতীয়তাৰ ওপৰত প্ৰকাণ্ড মাৰ্যাত দিয়ে। আৰু তাৰ ফলতেই অনিৰ্দ্দিষ্ট কিছু দিনলৈ জাতীয়তাই গা কৰিব নোৱাৰা হৈ থাকিব লগীয়া হয়। অতি সহজ কথাৰে আমি আমাৰ এনে অৱস্থাৰ এটি কাৰণ কৈ থব পাৰোঁ যে হৰিণৰ মঙহেই শত্ৰু।

আঁকৌ অলপমান মন কৰিলে—পুতৌ কৰিবৰ মন যায়—শক্তিহীন দাঁত নোহোৱা মুখতো হাঁহিৰ খলকনি উঠে, কালিৰ লৰাৰ মুখত পৰহিৰ গীত ওলোৱা শুনি। অবুজন ডেকা দুষ্ট লৰাই জ্ঞানবৃদ্ধ আৰু বয়োবৃদ্ধ জনক নিজৰ সকলো কথাতে মত নিদিয়াত আৰু নিজৰ অন্যান্য স্বাৰ্থত বাধা দিয়া বাবে সেই জনৰ প্ৰতি শ্ৰদ্ধা ভক্তি সকলোকে দূৰ কৰি ডেকা কালৰ মইমত্তালিত মত্ত হৈ যেনি পায় তেনি অবাচ্য কথাও কেতিয়াবা কেতিয়াবা কোৱা শুনা যায়। সেই দৰেই যেতিয়া আমাৰ অসমীয়াই শত্ৰুৰ আক্ৰমণৰ পৰা কঁকাল দাঙ্গিব পাৰি, নিজৰ নিজত্ব বুজিব পাৰি পুনঃ বৃহত্তৰ অসমৰ কথা পাঙ্গিব ধৰিলে, তেতিয়াৰে পৰাই চকুচৰহা সকলে নিজৰ স্বাৰ্থত কোনো পিনে কিবা বাধা পৰিব বুলি ন্যায় অন্যায়লৈ নেভাবি ডেকাকালৰ মদগৰ্ব্বিত গৰ্জ্জন শুনাই বয়সীয়া জনক নিশ্চেষ্ট কৰি বহুৱাই থবলৈ সকলো প্ৰকাৰৰ অহোপুৰুষাৰ্থ কৰিব ধৰিছে; কিন্তু 'বুঢ়াৰ কথা শুশুন ডেকা টানত পৰি কিয় কেকা?' অৱশ্যে যে ডেকাৰ ভাগ্যত এদিন নঘটিব এনে কথা কোনে কব পাৰে? ই কিন্তু দূৰ ভৱিষ্যতৰ হে কথা। বৰ্ত্তমান সময়ত আমি তাকে থিয়াই এইদৰে ভেম পাতি বহি থাকিলে দাঙ্গিব নোৱাৰা শিলকো বাৰিষাৰ প্ৰবল নদীৰ সোঁতে উটাই নিয়াৰ দৰে আমাৰ গৌৰৱমণ্ডিত জাতীয় সিংহাসনো উটাই নি কোনোবা অতল সুদূৰ সমুদ্ৰ গৰ্ভত পেলাই দি তাৰ চিন চাবকে পুনৰুদ্ধাৰ নোহোৱালৈকে নাই এই কথা একো বিচিত্ৰ কথা নহব।

আমাৰ সন্মুখত এই বিষম সমস্যাই কৰাল মূৰ্ত্তি ধাৰণ কৰি উপস্থিত হৈছে যেতিয়া ইয়াৰ সমাধানৰ বাবে আমাৰ কি কৰা কৰ্ত্তব্য? এতিয়া আমাৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য হৈ পৰিছে সকলোৱে তন্ন তন্নকৈ ভাবি চোৱা উচিত আমাৰ জাতীয়তাৰ এই জীৱন-মৰণ সমস্যা আমাৰ মাজত এইদৰে উপস্থিত হবলৈ বাট বিচাৰি পালে কেনি?

কলামাহ বা কুঁহিয়াৰ তলী আদিৰ বেৰ ভাঙ্গিবলৈ গোনা ম'হে চাৰিউ পিনে সুবিধা বিচাৰিতো ফুৰে, তাতে যদিহে কোনো পিনে ভগা বেৰ দেখে তেতিয়া আৰু তাক পায় কোনে? এই কথা অনিবাৰ্য্য যে সি সেইপিনে সোমাই গৃহস্থৰ অতি যতনৰ নদন-বদন খেতি খাই তাৰ পেটটো পূৰাবই, তদুপৰি নানা তৰহে ওপৰঞ্চি অনিষ্টও সাধিব। সেই বাবে খেতিৰ গৰাকী খুব সতৰ্ক হব লাগে, যেন ঠেলিও মেনাম'হে মু সুমাবৰ সুবিধা নেপায়। যদি গৃহস্থৰ অসাৱধানতাৰ গুণে কেতিয়াবা কোনো পিনে সোমায়, তেতিয়া মৰহ পকাকৈ ৰাম টাঙ্গোনৰ ভাল ভাল দুই চাৰিটা কোব শোধাই খেদি দি ভগা বেৰত কাইট পুতিব লাগে যাতে পুনৰ্ব্বাৰ সি সোমাব নোৱাৰে। সেইদৰে আমিও বিচাৰি চাব লাগে কোন পিনে সুৰুঙা চাই আমাৰ জাতীয়তাৰ মূৰত ভয়ঙ্কৰ প্ৰলয়ঙ্কৰ কোব মাৰিবৰ মনেৰে



শত্ৰু সোমাই আহিব পাৰে। তাকে বিচাৰি উলিয়াই চুঙা চাই সোপা দিব লাগে। সকলোৱে মিলি এইখিনি কৰিব পাৰিলেই বিমঙ্গলীয়া বিপদৰ হাত সাৰিব পাৰি আৰু তেতিয়াহে দুখৰ ভাত মুঠি সুখেৰে খাব পৰা যায়। কিন্তু এইখিনি কৰিবলৈ হলেই আমাক লাগে সমবেত শক্তিৰ প্ৰয়োগ আৰু ঐকান্তিক কঠোৰ সাধনা।

উজাই অহা সাপৰ বিষ বন্ধ কৰি নমাই নি নোহোৱা কৰিবলৈ বেজালি কৰা ওজাই পোনতে দৰণী শক্তি ভটায়ণী মন্ত্ৰ গোৱাৰ দৰে, আমাৰো ঠিক তাকেই কৰিব লগীয়া হৈছে। আমিও পোনতে কঠোৰ সাধনাৰ দ্বাৰা অনিষ্টকাৰীৰ সন্মুখত বীৰ দৰ্পে ঠিয় হৈ ভেটা দি ওলটণী মন্ত্ৰ শুনাই পঠাই দিব নোৱাৰিলে অন্য উপায় নাই।

আজি আমাৰ সন্মুখত জাতীয়তাৰ যি কঠোৰ সমস্যা উপস্থিত হৈছে তাৰ সমাধানৰ পিনে মন কৰিলেই আমাক লাগে কঠোৰ সাধনা। এই সাধনা সহজসাধ্য কথা নহয়। আন পক্ষে সাধন মাৰ্গত—সৎ কাৰ্য্যত অশেষ বিঘিনি, পদে পদে কণ্টক। এনে অৱস্থাতো [illegible] আগুৱাই খোজ দিবৰ মন কৰিলে অতি সতৰ্কে পদ নিক্ষেপ কৰিব লাগিব। আৰু তাৰ আগেয়ে ভাবি চাব লাগে কোন পিনি ঠাইত কেনে বিপদ ঘটা সম্ভৱপৰ। ইমানখিনি ভাবি চিন্তি বিঘিনিৰ মূলোৎপাটন কৰি নললে সাধন মাৰ্গত আগুৱাই খোজ দিবলৈ ইচ্ছা কৰা বৃথা। সেইদৰে আমাৰ জাতীয় সমস্যাৰো যিখিনি অন্তৰায় আছে তাক বিচাৰি উলিয়াই আঁতৰ নকৰিলে কোনোমতে আৰু কেতিয়াও আমাৰ জাতীয় যজ্ঞৰ পূৰ্ণাহুতি দিবলৈ আশা কৰিব নোৱাৰি। গতিকে বিচাৰি চোৱা যাওক আমাৰ জাতীয় সমস্যা সমাধানৰ ( বা জাতীয় যজ্ঞৰ পূৰ্ণাহুতিৰ ) অন্তৰায়বোৰ কি আৰু কেনেকৈ এইবোৰ প্ৰবল হবলৈ সুচল পালে।

এই বিষয়ে বিচাৰ কৰিবলৈ গলেই পোন প্ৰথমতে পোৱা যায় আমাৰ আত্মবিস্মৃতি। আজিৰ দিনতো আমি সকলোৱে সকলো প্ৰকাৰে আমি কোন, এই বিষয়ে বিচাৰ কৰিবলৈ পাহৰিব ধৰিছোঁ। তাৰ ফলত আমি অতি সহজে বিদেশিনী লাহ বিলাসৰূপী বাৰাঙ্গনাৰ ক্ষন্তেকীয়া আপাত ৰমনীয় মায়া-জালত আবদ্ধ হৈ নিজৰ নিজত্ব হেৰুৱাবলৈ প্ৰস্তুত হৈছোঁ।

যেতিয়া মানুহৰ মন বিষাদ নাইবা আনন্দত পৰিপূৰ্ণ হয় তেতিয়া যিমানেই জ্ঞানী হওক যিমানেই বুদ্ধিমন্ত হ'ক স্থিৰেৰে ধৈৰ্য্য ধৰি কাৰ্য্য সাধনৰ প্ৰকৃত আৰু সহজ পন্থা অৱলম্বন কৰা বৰ টান হৈ পৰে। তেতিয়া অনুসৰণ কৰিব লাগে আপ্তজনৰ হিতবাক্য। আমিও এই সময়ত সকলোৱে মনত কৰিব লাগে বেদমন্ত্ৰ সদৃশ অমোঘ মন্ত্ৰ—'আত্মানং বিদ্ধি'। অনুসৰণ কৰিব লাগে বিদেশী বন্ধুৰ হিতোপদেশ 'know thyself.' আপোন পাহৰা জনৰ মনত যেতিয়া পুনৰাই নিজৰ আতিগুৰিৰ কথা উদয় হয় তেতিয়াহে তেনেজনৰ প্ৰাণত চেতনাৰ সঞ্চাৰ হয়,—তেতিয়াহে গম ধৰিব পাৰে যে, কোনজনে কিহৰ ফান্দত পৰি কি কাৰ্য্যত প্ৰবৃত্ত হৈছিল। আৰু তেতিয়াহে বিবেচনা কৰিব পৰা হয় আত্ম বিস্মৃত হোৱা সেই কাৰ্য্যৰ বাবে নিজৰ কি লাভ-লোকচান হ'ল এই বিষয়ৰ। আজি আমাৰো সেই বিষয় উপস্থিত হৈছে। গতিকে এই সন্ধিক্ষণত যদি আমি এতিয়াও আমাৰ আত্মবোধ জাগৰণৰ চেষ্টা নকৰোঁ তেন্তে আমাৰ জাতীয়তাৰ বিনাশ অতি নিশ্চয় অনিবাৰ্য্য শিলৰ ৰেখা।

বৰ বেচি দিন আগৰ নহয়, যদি আজি আমি দুই এক শতাব্দিৰ আগৰ আমাৰ জাতীয়তাৰ কথালৈ মন কৰোঁ তেতিয়া আমি স্পষ্ট দৃষ্টিৰে দেখিবলৈ পাম যে আমি আছিলোঁ ( অৰ্থাৎ আমাৰ পিতৃ পুৰুষসকল আছিল ) এনে এটা জাতি, যাৰ জাতীয়তা বহুততকৈ বহুত প্ৰাচীন, প্ৰবল আৰু পৃথক। কি ভাব ভাষা, সাহিত্য, সঙ্গীত, শিল্প বাণিজ্য, যিয়েই বোলক যি বিষয়লৈয়ে মন কৰে সেই বিষয়তেই এই অসমীয়া জাতি এদিন অতি চহকী, অতি মহৎ আৰু অতি গৌৰৱমণ্ডিত আছিল। অসমীয়া জাতিৰ জয়-জয়, ময়-ময় বনৰ কুৰঙ্গিনী বিহঙ্গিনীয়েও বৰ্ণনা কৰিছিল। কিন্তু হায়! সেই পূৰ্ব্বপুৰুষ সকলৰ নাতি পুতি হৈ আজি আমি সেই অমূল্য জাতীয়তা বস্তুলৈ পিচ দি পৰমুখাপেক্ষী পৰানুগ্ৰহপ্ৰাৰ্থী

হৈছোঁ, আনৰ চকুৰে বাট বুলিবলৈ ওলাইছোঁ! কম পৰিতাপৰ কথানে? যি অসমীয়া জাতিৰ ভাব ভাষা, ধৰ্ম্ম, কৰ্ম্ম পোচাক পৰিচ্ছদ, জা-জলপান, শিক্ষা-দীক্ষা, তিথি-পৰ্ব্ব, বাণিজ্য-ব্যৱসায়, শিল্প-নাট্য ধৰ্ম্ম-কথা, সাধু-কথা, ওজালি-বেজালি, আনন্দ-উৎসৱ, আদি সকলো বিষয়তে সম্পূৰ্ণ স্বতন্ত্ৰ ভাব বিৰাজ কৰি অসমীয়াক এক স্বতন্ত্ৰ জাতি বুলি পৰিচয় দিছিল, আজি সেই জাতিৰ জাতীয়তা সমস্যাৰে সন্দিহান হোৱা কম অৱনতিৰ আৰু পৰিতাপৰ কথা নহয়। নিয়তিৰ বিচিত্ৰ গতিত জগতত কি অভাবনীয় কাণ্ড হৈ উঠিব নোৱাৰে?

আমি অলপো গমি নোচোৱাকৈ আপাত ৰমনীয় বাহিৰা ৰমক-জমকত ভোল গৈ ভোলানাথৰ সেৱক হৈ কিছুমান এনে কাৰ্য্যত প্ৰবৃত্ত হৈছোঁ যে, তাৰ দ্বাৰা আমি আমাৰ নিজৰ ভৰিত নিজেই কুঠাৰাঘাট কৰা হৈছে। কথা-বাৰ্ত্তা, চলন-ফুৰণ, আদৰ-কায়দা পোচাক পৰিচ্ছদ আদি কিছুমান বিষয়ত অতি উদাৰতা দেখুৱাবলৈ গৈ এই সকলো বিষয়তে নিজৰ নিজত্ব এৰি আনৰ ধৰণ ধৰিবলৈ যাওঁতে আমি ঘনচিৰিকা চৰাইৰ অৱস্থা প্ৰাপ্ত হৈছোঁ। আমি অতি উদাৰ হৈ কোনো পিনে লক্ষ্য নকৰাকৈয়ে বিসৰ্জ্জন দিলো আমাৰ ৰীতি-নীতি, আৰু সামৰি লবলৈ চেষ্টা কৰিলোঁ ক্ষন্তেকৰ বাবে চকুত চমক লগোৱা আনৰ সভ্যতাৰ সোঁত। কিন্তু এইখিনি কৰিবলৈ যাওঁতেই আমি সুস্থিৰ চিত্তে এবাৰ ভাবি চোৱা উচিত আছিল যে, ইয়াৰ দ্বাৰা আমাৰ গুণ গৰিমা বাঢ়িব নে টুটিব? এতিয়া কিন্তু এই অমাৰ্জ্জিত অনুকৰণপ্ৰিয়তাৰ অতি বিষময় ফল দেখা দিছে। আমাৰ উদাৰতা দেখুৱাই আনৰ সভ্যতাৰ ৰীতি-নীতি আমাৰ জাতীয় ঠাচত গঢ়ি পিটি মাৰ্জ্জিত কৰি নোলোৱাৰ ফলত দেখা গৈছে যে আমি এতিয়া 'অ'তো ভ্ৰষ্টঃ ততো নষ্টঃ'।

জগত জুৰি জাতীয় আন্দোলনৰ সোঁত বব ধৰাত আমি অসমীয়ায়ো তাৰ লগতে আমাৰ জাতীয়তাৰ সময়োপযোগী কেইটামান ডাঙৰ দাবি কৰি ৰহিছোঁ। তাৰ ভিতৰতে আমি প্ৰথমতে হাতত লৈছোঁ আমাৰ প্ৰদেশৰ বাবে স্বতন্ত্ৰকৈ এখন বিশ্ববিদ্যালয় ( university ) আৰু এখন উচ্চ আদালত ( High court )ৰ কথা। এই বিষয়ে কাৰ্য্যত প্ৰবৃত্ত হোৱাৰ লগে লগে আমাৰ মন কৰিব লগীয়া এটা বৰ ডাঙৰ বিষয় আছে। যদি আমি এই দুয়োটা অনুষ্ঠানকে আমাৰ নিজা জাতীয় পৰিপুষ্টি সাধনৰ দুটি প্ৰতিষ্ঠান কৰি লব খুজিছোঁ তেনেহলে তাৰ পৰিচালনাৰ সেইদৰেই কিবা উপায় ভাবিছোঁনে নাই? নানা ৰকমে চেষ্টা কৰি যদি কোনোমতে আমাৰ প্ৰদেশত এই অনুষ্ঠানৰ প্ৰতিষ্ঠা কৰিব পৰা হয়ও তেতিয়াও আমি মন কৰিব লাগিব ইয়াৰ গুৰি ধৰা গুৰিয়াল হয় কোন? আৰু কোনেই বা ইয়াৰ কাৰ্য্য পৰিচালক, কাৰ্য্যকাৰকসকল হব? তেতিয়াও যদি এই কাৰ্য্য ভেকুলীৰ ওপৰত বগলি বজা পত্তাৰ পটন্তৰতহে পৰে তেন্তে এতিয়া আমাৰ যি আছে তাতে ক্ষান্ত হোৱাও অনুচিত নহয়। চিৰকাল পৰমুখাপেক্ষী, পৰানুগ্ৰহাৰ্থী হৈ থকা এটা জাতিৰ পক্ষে কম লাজ আৰু নিন্দাৰ কথা নহয়। সেই বাবে এনে মহৎ অনুষ্ঠানৰ বিষয়ে কাৰ্য্য হাতত লোৱাৰ লগে লগে যাতে জুইৰ তাপ সহি বান্ধি বাঢ়ি ৰমাকান্তৰ বুকু ভৰাব লগীয়া নহয়, তাৰ বাবে আমি আমাৰ মাজৰ পৰা উপযুক্ত কাৰ্য্যকাৰক আৰু পৰিচালক শ্ৰেণীও গঢ়ি পিটি উলিয়াব লাগে যাতে যথা সময়ত আমাৰ নাড়ীৰ গতি বুজি ঔষধৰ ব্যৱস্থা কৰিব পাৰে।

এইবোৰ কামত অগ্ৰসৰ হোৱা ভাত খাওঁতে পানী পিয়াৰ দৰে নহয়। এইবোৰ অতি সুস্থিৰ গবেষণাৰ বিষয়। ভূত ভবিষ্যত ভাবি দূৰদৰ্শিতাৰে ফলাফল নিৰ্ণয় কৰিব পাৰিলেহে এইবোৰ কাৰ্য্যত প্ৰবৃত্ত হব লাগে; যেহেতু এনেবোৰ কাৰ্য্য জাতীয়তাৰ পক্ষে অতি প্ৰকাণ্ড প্ৰতিষ্ঠান।

এইখিনিতে আৰু এটা কথা উল্লেখ নকৰি নোৱাৰি। আপোনালোক সকলোৱে অৱশ্যে শুনিব পাইছে যে কলিকতা বিশ্ববিদ্যালয়ে দুই এক বছৰ পিচৰে পৰা প্ৰাদেশিক ভাষাৰ জৰিয়তে শিক্ষা দিবলৈ স্থিৰ কৰিছে। তেতিয়া হলে আমাৰ অসমতো অসমীয়া ভাষাৰ জৰিয়তে



শিক্ষা দিব পৰা যাব আৰু জাতীয়তাৰ ফালৰ পৰা চাই তাকে কৰিবই লাগিব। কিন্তু আমাৰ অসমীয়াৰ ভিতৰত কোনোবাই গণিত, বিজ্ঞান, ভূগোল, বুৰঞ্জী আদি কোনো বিষয়ৰ ( উচ্চ শিক্ষাৰ উপযোগী ) কোনো পুস্তক প্ৰণয়ণৰ কাৰ্য্য হাতত লৈছেনে? যদি জানে যে, এতিয়ালৈকে এই কাৰ্য্যত কোনো প্ৰবৃত্ত হোৱা নাই তেন্তে এতিয়াই জোৰ পুৰি হাত নোপাওঁতেই উপযুক্ত লোকক এই বিষয়ে কাৰ্য্য হাতত লোৱাবলৈ চেষ্টা কৰিব লগীয়া হৈছে; নহলে 'বিয়াত বহি কইনা বিচৰা' কথা বৰ লাজৰ হব।

ওথ থাপৰ এইবোৰ কথা এৰি দিলেও আমি যে কিছুমান নিচেই সৰু সৰু কথাৰ প্ৰতি আওকাণ কৰি আমাৰ জাতীয়তাৰ অন্তৰায়ক আহ্বান কৰি আনিব ধৰিছোঁ তালৈ মন কৰিলে মৰ্ম্মান্তিক বেদনা উপস্থিত হয়। আমি সৰু ডাঙৰ, ধনী-নিধনী সকলোৱে চকু মুদি নিজ নিজ কাৰ্য্যৰ প্ৰতি পিঠি দি সোৱোপা এলেহুৱা হৈ যে, ক্ৰমশঃ আমাৰ জাতীয়তাৰ মূলোৎপাটন কৰিব ধৰিছোঁ তাৰ গমকে ধৰিব পৰা নাই। আজি আমাৰ দৈনন্দিন কাৰ্য্যতো লগা অতি আৱশ্যকীয় কাঁহী-বাটি দা-কটাৰী, কলহ-টেকেলিৰে পৰা আৰম্ভ কৰি লজ্জা নিবাৰণ আৰু সভ্যতাসূচক প্ৰধান পদাৰ্থ পিন্ধা কাপোৰ খিনিলৈকে পৰমুখাপেক্ষী হোৱাৰ ফলত আমাৰ নিজ নিজ জাতীয় শিল্প লোপ পাবৰ উপক্ৰম হোৱাৰ লগে লগে আমাৰ জাতীয় সিংহাসনৰ ভেঁটি শিথিল হৈ আহিব ধৰিছে, আমাৰ অকৰ্ম্মণ্যতাই জগতবাসীৰ আগত সাক্ষী দিবলৈ ওলাইছে। তাৰ ফলতে বিদেশী শিল্পই আমাৰ জাতীৰ চুকত সোমাই বুকুত থাবলৈ সকলো ৰকমৰ সুবিধা বিচাৰি পাইছে। এনে সময়তো যদি আমি সতৰ্ক নহও তেনেহলে প্ৰতিকাৰৰ চেষ্টা নকৰা বেমাৰে ৰোগীক মৰণলৈ টানি নিয়াৰ দৰে আমাৰ অৱস্থা ঘটিব। আমাৰ সমাজত পৰমুখাপেক্ষিতাৰূপে যি ভয়ঙ্কৰ কষ্টদায়ক বিষ বেমাৰ সোমাইছে অতি সোনকালে তাৰ উপযুক্ত চিকিৎসা নহলে সি অচিৰতে চোৰাঙ্গী কৰি পেলাই থব। এতিয়া আমি যেনে তেনে সেই ৰোগৰ পৰা মুক্ত হবলৈ অহোপুৰুষাৰ্থ কৰিব লাগে। তাৰ বাবে আমি কৰিব লাগে সকলোৱে নিজ নিজ শিল্প আদি ব্যৱসায়ৰ প্ৰতি সমাদৰ, মনত স্থান দিব লাগে জাতীয় প্ৰেমৰ চিন্তাক, দৃঢ় প্ৰতিজ্ঞ হব লাগে কিছু সুলভ হলেও বিজাতিৰ শিল্পজাত বস্তুক আপোন আপোন বিলাস বা মন তৃপ্তি সাধনৰ বাবে ( পৰাপক্ষত দৈনন্দিন কাৰ্য্যতো ) ব্যৱহাৰ নকৰিবলৈ, যথেষ্ট উৎসাহ দিব লাগে নিজ ঠাইতে সকলো প্ৰকাৰৰ শিল্পী সকলক সময়োপযোগী নিজ নিজ শিল্পজাত বস্তু প্ৰস্তুত কৰিবলৈ। তাৰ দ্বাৰা দেখিব আমাৰ জাতীয়তাৰ ভিত্তি দিনক দিনে শকত হৈ আহিব, আমি নিজে স্বাৱলম্বী হব পাৰিম, জগতবাসীৰ মাজত আমাৰ জাতীয়তাৰ কথা সগৰ্ব্বে কব পাৰিম। আমাৰ উৎসাহ সমাদৰ আৰু সহানুভূতি পালে শিল্প ব্যৱসায়ী সকলে প্ৰচুৰ পৰিমনে উৎপাদন কৰি আমাৰ দেশীয় শিল্পজাত পদাৰ্থ দেশে বিদেশে দিব পৰা হব। তেতিয়া ভালদৰে ব্যৱসায় চলা হলে এতিয়াৰ অলপ মৰগ বস্তুও সহজে পাব পৰা হব। এইদৰে আমি সকলো বিষয়তে সকলোৱে একেমত হৈ নিজৰ বস্তুক, নিজৰ ঘৰক নিজৰ সভ্যতাক, নিজৰ দেশক আৰু শেহত নিজক ভাল পোৱা হব লাগে আৰু আনৰ মনো লাহে লাহে নিজৰ ফালে টানি আনিব লাগে। এই গুণ থকা বাবেই জাপানী জাৰ্ম্মান আদি জাতিয়ে সকলোৰে পৰা ধনদৌলত সংগ্ৰহ কৰাৰ উপৰিও ধন্যবাদৰ পুষ্পবৃষ্টি সকলো সভ্য জাতিৰে পৰা পাব ধৰিছে।

বৰ দুখ লাগে যে আজি এই জাতীয় সমস্যাৰ সময়তো আমি আনৰ পৃষ্টপোষকতা কৰিবলৈ আন কথাৰে কব লাগিলে স্নেহময়ী দেৱী নিজ মাতৃৰ চৰণত ভক্তি পুষ্পাঞ্জলি নিদি লোকৰ সেৱা পূজা কৰিবলৈ এৰিব পৰা নাই। এটি মাত্ৰ উদাহৰণে আমাৰ এনে কাৰ্য্যৰ প্ৰমাণ ফট্‌ফটীয়াকৈ উলিয়াই দিব। আজিও আমাৰ বহুতে আমাৰ জাতীয় আৰু দেশী আলোচনী আৰু বাতৰি কাকত কেইখনৰে গ্ৰাহক নহৈ—নিজৰ জাতীয়তাৰ পৃষ্টপোষকতা নকৰি তাৰ পৰিবৰ্ত্তে বিদেশী কাকত পত্ৰৰ গ্ৰাহক শ্ৰেণীত নাম ভুক্ত কৰি ভাবেহে

বহুল প্ৰচলনৰ পন্থা মুকলি কৰিছে। হব পাৰে আজি আমাৰ দেশীয় কাকত পত্ৰ আনৰ তুলনাত কিছু নিম্ন শ্ৰেণীৰ; কিন্তু কি বাবে তাৰ অৱস্থা এনে হৈছে আমি কেতিয়াবা এবাৰ ভাবি চাওঁনে? যদি আমি সকলোৱে একমনে একপ্ৰাণে আমাৰ কাকতৰ মঙ্গল কামনা কৰোঁ, আন নহলেও গ্ৰাহক শ্ৰেণীত ভুক্ত হওঁ তেতিয়া বিদেশী কাকত পত্ৰৰ বাবে আমাৰ দেশৰ পৰা যিমান খিনি ধন যায় সেই খিনিও আমাৰ নিজা কাকত পত্ৰত নিয়োগ কৰিব পাৰোঁ। তেনেহলে আমি আমাৰ কাকত বিলাকো কিয় আনৰ তুলনাত ভাল কৰি লব নোৱাৰোঁ? নিশ্চয় পাৰোঁ। কিন্তু আজিৰ আমাৰ এই অৱস্থা আমাৰ অৱহেলা আওকাণ তুচ্ছ তাচ্ছিল্য আদি অবাঞ্ছনীয় কাৰ্য্যৰ পৰিপক্ক ফল। অৱশ্যে বিদেশী কাকত পত্ৰ পঢ়িবলৈ আমি কাকো হাক নিদিওঁ; জ্ঞান সংগ্ৰহৰ বাবে তাক পঢ়া উচিত, কিন্তু সেই বুলি, নিজৰ দেশৰ কাকত পত্ৰলৈ আওহেলা কৰা অযুগুত। এই দৰেই গমি চালে পোৱা যাব জাতীয়তাৰ দৃঢ়তা সম্পাদক প্ৰায় বহুত বিষয়তে আমাৰ অন্যায় অমনোযোগিতা। এইদৰে অমনোযোগী হৈ থকাৰ গুণেই আমি নিজ ঘৰত থাকিও প্ৰবাসী নাম পাব লগীয়া হৈছে।

এইবোৰৰ উপৰিও আমাৰ আৰু এটা বৰ বেয়া দোষ আছে। সি আমাৰ সাগৰ সঙ্কাশ উদাৰতা। আমাৰ ওচৰলৈ যেয়ে আহক, আমি শত্ৰু-মিত্ৰ একো বিচাৰ নকৰাকৈয়ে ধৰি লওঁ সেয়ে আমাৰ মহামিত্ৰ, তাকেই আমি আমাৰ বাবে যুগুতোৱা ভাত পাতো এৰি দিওঁ, তাকেই আমি আমাৰ হিয়া উবুৰিয়াই ভাল পাওঁ। কিন্তু এই হিমগিৰিতকৈও উচ্চতৰ উদাৰতাৰ ফল ধৰে ভয়ঙ্কৰ বিষগুটি। লাহে লাহে যেতিয়া অলপ দিন কটাই আহিব বন্ধুৰ মুখাপেক্ষা নৱাগত অতিথিয়ে বান্ধনিক উচটাই জোৰ খোৱাৰ বুধি সাজি অলপ ঠাই উলিয়াই বহি লব পাৰিব, তেতিয়া তেনে জন আমাৰ সকলো ৰকম কাৰ্য্যতে প্ৰথমতে সহযোগিতা কৰা হয়, আৰু কালক্ৰমত যেতিয়া সিপা গজাই ল'ব, তেতিয়া সেই সহযোগিতা আমাৰ লগত অযোগিতাত পৰিণত কৰিবৰ প্ৰয়াস পায়; আৰু আমাৰ মূলোৎপাটন কৰি তেওঁসকলৰ প্ৰভুত্ব প্ৰচাৰ কৰিবলৈ আমাৰ ওপৰতো আৰম্ভ কৰে। কিয়নো "জাতমাত্ৰং ন যঃ শত্ৰুং ব্যাধিং বা প্ৰশমং নয়েৎ। অতি পুষ্টাঙ্গ যুক্তোপি স পশ্চাৎ তেন হন্যতে॥" সেই বাবে আমি সততে সাৱধান হোৱা উচিত।

ইয়াৰ পিচতে আমি বিশেষকৈ মন কৰিব লাগে আমাৰ ঘৰৰ ভিতৰতে ঘটা আত্ম-কলহ আৰু আত্ম-বিচ্ছেদৰ কথালৈ। যি আত্ম-বিচ্ছেদৰ ফলত অতি প্ৰৱল শক্তিও বিনাশ পোৱা দেখা গৈছে সেয়ে আজি আমাৰ মাজত বৰ বেয়াকৈ বাঢ়ি যাব ধৰিছে। ইয়াৰ কাৰণ অইন একো নহয়; মাত্ৰ আমি ভাবোঁ আমাৰ হাতো ভাইৰ চুলি পকা সেইবাবে আমি কোনোৱে নোবোলোঁ কাকো ককা; আমাৰ এই গাইগুটীয়া আৰু মই-মতলীয়া ভাবেই আমাৰ জাতীয়তাৰ বল বুদ্ধি, কল-কৌশল দিনে দিনে (ক্ষয় ৰোগৰ ৰোগীৰ শৰীৰৰ দৰে) হ্ৰাস কৰি আমাৰ জাতীয় পতনৰ অৱতাৰণা কৰি আমাক ক্ষণে ক্ষণে মুহূৰ্ত্তে মুহূৰ্ত্তে তললৈ নমাই নিব ধৰিছে।

হব পাৰোঁ আমি ধৰ্ম্ম হিচাবে কোনো হিন্দু কোনো বা মুছলমান, বৰ্ণ হিচাবে কোনো ব্ৰাহ্মণ কোনো বা শূদ্ৰ, কিন্তু জাতি হিচাবে সমাজ হিচাবে আমি সকলো একে অসমীয়া। একেজনী সাৰৰী অসমী আইৰ গৰ্ভতে জনম লভি তেওঁৰ বুকুতেই লালিত পালিত হৈ এই অৱস্থা পোৱা তেওঁৰেই সাদৰৰ সন্তান নহওঁনে? নিশ্চয় হওঁ। এনে অৱস্থাত আমি তেওঁৰ পূজা কৰিবলৈ যোৱাত, জাতীয় যজ্ঞত আহুতি দিয়াত সামাজিক কাৰ্য্যত হাত দিয়াত জাতি বৰ্ণ নিৰ্ব্বিশেষে সকলোটি একেলগে আগবাঢ়ি নোযোৱাটো নিতান্ত অশোভন কথা। ধৰ্ম্ম ভেদভাৱ আনিবৰ কোনো প্ৰয়োজন নাই এনে স্বৰ্গাদপি গৰীয়সী জন্মভূমি স্বৰূপিনী মাতৃ পূজাৰ সময়ত ভিন্ন ভাবক মনত ঠাই দিয়া নিতান্ত অনুচিত। সন্তানৰ মনত এনে ভিন ভাব দেখা পালে মাতৃৰ মুখ বিষাদ কালিমাৰে আবৃত হয়, অকপট আশীৰ্ব্বাদ তেওঁৰ অন্তৰৰ পৰা ওলাই নাহে মঙ্গলবিধায়ক নিৰ্ম্মালি সন্তানৰ মূৰত নপৰে।



তেতিয়া বি সন্তানৰ প্ৰতি স্নেহময়ী জননী বিমুখ তাৰ মঙ্গল, উন্নতি, অভ্যুত্থান আশা কৰিব পাৰিবনে? সেই বাবে আমাৰ সকলোৱে সততে মনত ৰাখিব লাগে 'ঘৰবৈৰী ৰাৱণ বধ'। সেইবাবে আমি শাস্ত্ৰোক্ত ধৰ্ম্ম-কাৰ্য্যৰ পথত গা-গুটীয়া হোৱা হলেও, সৰ্ব্বজনৰ সমান হিতকৰ সামাজিক ক্ষেত্ৰত নামিবৰ সময়ত আপোন পৰ ভাব এৰি আত্মনিগ্ৰহ আৰু আত্ম-বিচ্ছেদৰ ভাব আঁতৰাই কাৰ্য্যত লাগি যাব লাগে। জগতৰ মনিষীসকলে এই মন্ত্ৰকে এদিন ৰিঙিয়াই ৰিঙিয়াই কৈ গৈছিল 'United we stand, divided we fall.'

ওপৰত উল্লিখিত কথাখিনি চালি জাৰি লৈ চমুকৈ কব লাগিলে, আমাৰ আজিৰ জাতীয় সমস্যাৰ সমাধানৰ বাবে আমাক লাগে আমাৰ (১) আত্মবিকাশ (২) আত্মনিৰ্ভৰ, আৰু (৩) আত্মসন্মান ৰক্ষা আৰু তাৰ বৰ্দ্ধন। আৰু লাগে আমাক আমাৰ প্ৰাণত সুপ্ত প্ৰায় আত্মবোধৰ জাগৰণ। আমি কোন? এই প্ৰশ্নৰ উত্তৰ যদি আমি আবালবৃদ্ধবনিতা সকলোৱে মনে মনে প্ৰাণে প্ৰাণে অনুভৱ কৰোঁ, তেতিয়া আমাৰ জাতীয়তাৰ সংৰক্ষণ আমাৰ উত্থান কৰতলগত আমলকীৰ নিচিনা নহৈ নোৱাৰে। যদি আমি সকলোৱে অৱসৰ সময়তো এবাৰ ভাবোঁ যে, আমি সেই দেশৰ মানুহ যি 'দেশ মাতৃকাৰ' মুখ উজ্জ্বলাই গৈছে শান্তিদূত শঙ্কৰ, মাধৱ, দামোদৰ, হৰিদেৱ আদি ধৰ্ম্মপ্ৰাণ মহাপুৰুষ সকলে, যাক শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ জীৱন পণ কৰি যুদ্ধ কৰিছিল লাচিত আৰু চিলাৰায়ৰ নিচিনা বীৰাগ্ৰণী পুৰুষসকলে, যাৰ চৰণত জ্ঞান পুষ্পাঞ্জলি ভক্তিভাৱে সমৰ্পণ কৰিছিল হেমচন্দ্ৰ, আনন্দৰাম আদি বিদ্বদ্বৰেণ্য সুধীসকলে; যাৰ ৰাজনীতি আলোচনা কৰিছিল পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দৰে ৰাজনীতিকুশল পুৰুষে যত অন্যায় (শাসন) ৰ প্ৰতিকাৰ কৰোঁ হাঁহি হাঁহি সকলো ৰকমৰ শাস্তিকো সহ্য কৰি অম্লান চিত্তে মৃত্যুকো আলিঙ্গন কৰিছিল বীৰ ৰমণী জয়াই, সেই দেশবাসী আমাৰ আজিৰ অৱস্থা কি? যদি এবাৰো নিস্তব্ধচিত্তে ভাবিবলৈ মন কৰোঁ। যাৰ গৌৰৱ ৰক্ষাৰ বাবে বীৰাঙ্গনা মূলাগাভৰুৱে হাতত উন্মুক্ত তৰোৱাল ধাৰণ কৰি ৰণচণ্ডী নৃমুণ্ডমালিনীৰূপে সমুখ সংগ্ৰামত উপস্থিত হৈছিল সেই দেশবাসী আজি আমাৰ স্থান কত? যদি আমাৰ আয়তীসকলে মনত কৰে যে, এদিন যাৰ গুণ গৌৰৱত মোহিত হৈ সুদূৰ দ্বাৰকাৰ শ্ৰীকৃষ্ণ আৰু তেওঁৰ নাতি অনিৰুদ্ধ কুমাৰে আমাৰ দেশৰ ৰাজকন্যা ৰুক্মিনী আৰু উষাদেৱীক বিয়া কৰাবলৈ পৰম উৎসুকে আছিল, সেই সভ্য জগতত তেওঁবিলাকৰ আসন কত আছিল আৰু আজিয়েই বা কত তেতিয়া তেওঁলোকেও নিশ্চয় আজিও নিতাল মাৰি কাণে মূৰে কাপোৰ দি বহি থাকিব নোৱাৰিব। তেওঁলোকৰ কোমল হিয়াতো সুপ্ত শক্তি জাগ্ৰত হব লুপ্ত গৌৰৱৰ লিপ্সা বাঢ়িব, তেওঁলোকেও নিশ্চয় দেশ মাতৃকাৰ সেৱাৰ বাবে ভক্তি ভৰা হিয়াৰে আমাৰ জাতীয়তাৰ সংস্থানৰ বাবে তৎক্ষণাৎ কাৰ্য্য হাতত লব। তাৰ বাবেহে আজি আমাৰ জাতীয় সমস্যাৰ সময়ত আপ্ত বাক্য মনত কৰিবৰ হৈছে —'আত্মানং বিদ্ধি'—। সকলোৱে জাতীয়তাৰ এই সন্ধি-ক্ষণত কাণ পাতিলে শুনিব পাব স্পষ্ট স্বৰে উচ্চাৰিত হোৱা অমোঘ মন্ত্ৰ—'আত্মবলম্ পৰম্ বলম্'। আৰু শুনিব উপনিষদৰ বাণী "নায়মাত্মা বলহীনেন লভ্যঃ"।

সকলোৱে শেষ আৰু সাৰ কথা এইটোহে যে, কেৱল পুৰণিৰ গুণ গৰিমা গাই বৰ মানুহ বোলাবলৈ যোৱাটো বৰ্ত্তমান সময়ৰ এক ধৃষ্টতাহে। লগে লগে হব লাগে সময়োপযোগী সকলো কাৰ্য্যৰে পৰিচালনা। সকলো সৎ কাৰ্য্যতে অগ্ৰিয়া অৰিৰ টো তুলি প্ৰতিযোগিতাত জয়লাভ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগে। যদিও সাধু ভাস্বাণীৰ নিচিনা শান্তিপ্ৰিয় সন্ত-পুৰুষ সকলে এই সময় ধিনিক ৰীৰৰ কৰ্মীৰ যুগ হব লাগে বুলি ইচ্ছা কৰে তথাপি জগতত সকলো জাতি যেতিয়া সেই নিচিনা প্ৰকৃতিৰ নহয় তেনে অৱস্থাত নীৰৱে থাকি কাৰ্য্যত পাৰদৰ্শিতা লাভ কৰা লোক সম্ভৱতঃ নিচেই কমহে ওলাব। আন পক্ষে এইদৰে কোৱা মানুহো জগতত কম নহয় যে যাৰ প্ৰতিযোগিতা নাই তাৰ উত্থান নাই তাৰ শৰীৰত প্ৰাণ নাই, থাকিলেও তাৰ

প্ৰাণত শক্তিৰ প্ৰেৰণা নাই। প্ৰাণৰ শক্তিৰ যথোপযুক্ত প্ৰয়োগ কৰিবলৈ প্ৰতিযোগিতাৰ, প্ৰতিদ্বন্দ্বিতাৰ নিতান্ত আৱশ্যক। এই ভাব লৈয়েই হবলা আজি জগতত সকলো সুসভ্য জাতিয়ে পৰস্পৰৰ লগত প্ৰতিযোগিতাৰ প্ৰখৰতা প্ৰমান কৰিবলৈ কাচি পাৰি ওলাইছে। জগত যেতিয়া এই মহামন্ত্ৰত মুগ্ধ এই মন্ত্ৰেৰে দীক্ষিত, আমি অসমীয়াই তাত মনোনিবেশ নকৰিলে নিজৰ প্ৰতি আমাৰ ঘোৰ অন্যায় কৰা নহবনে? গতিকে আমাৰেঁ। লৰা-বুঢ়া, মতা-মাইকী সকলোৰে জগত জুৰি ঢৌ উঠা প্ৰতিযোগিতাত যোগ দি নিজৰ শক্তি প্ৰয়োগ কৰি আনক চেৰ পেলাই নিজৰ পাৰদৰ্শিতা প্ৰমাণ কৰক। জগত বীণাৰ বিশ্ববিমোহন সুৰত আমাৰেঁ। সুৰ মিলাওক। কাণ পাতি শুনক উপনিষদৰ উদ্‌গনি মন্ত্ৰ আমাক সঘনে মাতিবই লাগিছে—

'উত্তিষ্ঠত, জাগ্ৰত, প্ৰাপ্ৰ বৰাণ নিবোধত।'

১৮।৩।৩৬ মঙ্গলদৈ। } শ্ৰীধৰ্ম্মনাথ শৰ্ম্মা।

---

# সমালোচনা।

## "হায় হাচান! হায় হোছেন"।

ই ১১৯ পিঠীয়া এখন নতুন গ্ৰন্থ; ইয়াত কাৰ্‌বালা হত্যা কাণ্ডৰ বিৱৰণ বিশদ ৰূপে বৰ্ণোৱা আছে; দাম মাত্ৰ চাৰি অনা। বস্তু চাই, দাম নিচেই তাকৰ বুলিব লাগে।

এই গ্ৰন্থৰ লিখক আমাৰ শ্ৰদ্ধাস্পদ মৌলবী খাঁ বাহাদুৰ হাজী শ্ৰীযুত ফাইজুদ্দিন আহ্‌মদ চাহেব। খাঁ বাহাদুৰ চাহেব এগৰাকী খ্যাতনামা লিখক বুলি প্ৰসিদ্ধ; তেখেতৰ বেলেগে চিনাকি দিবৰ প্ৰয়োজন নাই। তেখেতে ইয়াৰ আগেয়েও, হজৰৎ মোহম্মদ, হজৰৎ আবুবকৰ চিদ্দিৰ, হজৰৎ ওছ্‌মান্ জিন্নুৰেইন, হজৰৎ আলি মোৰতজা, হজৰৎ বিলাল, ইজাম আজক্ আদি কেইবাখনিও মছলমানী আখ্যানৰ গ্ৰন্থ প্ৰণয়ণ কৰি মাতৃ ভাষাৰ সেৱা কৰিছে। খাঁ বাহাদুৰ চাহাবৰ ভাষা নিমজ, নিয়াৰি আৰু সুললিত, ভাব ওখ আৰু উদাৰ, আৰু লিখাৰ প্ৰণালী উজু গহীন আৰু ৰসাল। বৰ্ত্তমান গ্ৰন্থতো তেখেতৰ সেইবিলাক গুণ সম্পূৰ্ণ অক্ষুন্ন ৰূপে পোৱা যায়। এই গ্ৰন্থখনিও আগৰ কেইখনিৰ দৰেই সৰ্ব্বাঙ্গসুন্দৰ হোৱা দেখি আমি সন্তোষ পাইছোঁ। অসমীয়া সাহিত্যত নথকা এই মছলমানী আখ্যানবোৰ প্ৰচাৰ কৰি, খাঁ বাহাদুৰ চাহেব অসমীয়া ৰাইজৰ বিশেষ শ্ৰদ্ধাৰ পাত্ৰ হৈছে। আমাৰ দেশৰ মছলমান সকলে যে মাতৃ ভাষালৈ সাধাৰণতে বৰ মন কাণ নকৰে, খাঁ বাহাদুৰ চাহাবে এই দুৰ্ণাম অনেক পৰিমাণে লাঘৱ কৰিছে।

আমি এই গ্ৰন্থৰ বহুল প্ৰচাৰ কামনা কৰিছোঁ; আৰু লিখকে সুদীৰ্ঘ জীৱন লাভ কৰি, মাতৃ ভাষাৰ উত্তৰোত্তৰ জেউতি বঢ়াবৰ সমৰ্থ হবলৈ ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ।



## ভাৰতৰ চমু বুৰঞ্জী—

বিশ্ববিদ্যালয়ৰ মেট্ৰিকুলেছন্ পৰীক্ষাৰ বাবে যুগুত কৰা ৩১ পিঠীয়া সচিত্ৰ পকাবন্ধা সুন্দৰ গ্ৰন্থ; দাম ১৮০ মাত্ৰ।

ইয়াৰ লিখক যোৰহাট কলেজৰ অধ্যাপক শ্ৰীযুত গুণগোবিন্দ দত্ত এম, এ বি-এল। তেখেত ইতিহাসত বিশাৰদ লোক। গতিকে, ইয়াক পঢ়ি থাওঁতেই জনা লোকৰ হাত লাগিছে বুলি জানিব পাৰি। আমি এই কিতাপখনি পঢ়ি চাই বৰ সন্তোষ পাইছোঁ। ইয়াত ভাৰত বুৰঞ্জীৰ বিষয়ে জানিব লগীয়া সকলো মূল কথাৰে চমুকৈ উল্লেখ কৰা হৈছে। লিখকৰ ভাষা উজু আৰু লিখাৰ প্ৰণালী বেছ লগা; ঘটনাৱলীৰ সমাবেশো সুন্দৰ আৰু পৰিপাটি ৰূপে কৰা হৈছে। মেট্ৰিকুলেছনৰ পৰিক্ষাৰ্থী সকললৈ ই সম্পূৰ্ণ ৰূপে উপযোগী হৈছে। আমি এই গ্ৰন্থৰ বাবে, লিখকৰ শলাগ লৈছোঁ।

এই পুথি মেট্ৰিকুলেছনৰ পাঠ্য ৰূপে নিৰ্ব্বাচিত হোৱা দেখিলে আমি অতি সন্তোষ পাম; আৰু সেয়ে হ'ব বুলিও আশা কৰিছোঁ। যদি কেনেবাকৈ আন কিবা কিতাপহে পাঠ্য ৰূপে নিৰ্ব্বাচিত হয়, তেনেহলেও তাৰ লগতে এইখনি কিতাপো ভুক্ত কৰি দিয়া উচিত; তেতিয়া মানুহৰ ৰুচি মতে, যাৰ যিখন পঢ়িবৰ মন যায়, তাকে পঢ়িব পাৰিব।

বিদেশত ছপোৱা বাবে কিতাপখনিত ঠায়ে ঠায়ে বৰ্ণাশুদ্ধিৰ দোষ থাকি গৈছে। ইয়াৰ পাচৰ বাৰ ছপাওঁতে লিখকে অৱশ্যে তালৈ কাণ কৰিব। লিখকৰ কিতাপ লিখা বোধ কৰো এয়ো প্ৰথম; কিন্তু তেওঁ পাকৈত লোক গুণে, কিতাপখন পঢ়ি তেনে বুলি ধৰিব নোৱাৰি। এই কিতাপখনি সকলো প্ৰকাৰে ভাল হৈছে। ই পাঠ্য ৰূপে গৃহীত হওক বা নহওক, লিখকে যেন ইমানতে হাত নোধোৱে, আমি সেই বাবে খাটিলোঁ।

---

# মহাপুৰুষ শঙ্কৰদেৱ।

শঙ্কৰদেৱৰ তিথি উপলক্ষে যোৰহাট ট্ৰেনিং স্কুলৰ সভাত, সভাপতিৰ অভিভাষণ স্বৰূপে ৬।৯।৩৭ তাৰিখে পঠিত।

আজি শঙ্কৰদেৱৰ তিথি—অসমৰ ক্ষণজন্মা মহাপুৰুষ, পৰম সাধু শ্ৰীশঙ্কৰদেৱৰ মহাতিৰোভাৱৰ পুণ্যময় তিথি। শঙ্কৰদেৱে ৰজা, তিৰোতা আৰু বামুণক শৰণ নিদিছিল। কোচবিহাৰৰ মহাপ্ৰতাপী ধৰ্ম্মশীল ৰজা নৰনাৰায়ণে শৰণ লবলৈ পুৰ দি ধৰাত, এৰাব নোৱাৰি, এই তিথিতে যোগাসনত বহি, মহাপুৰুষ শঙ্কৰদেৱে তনুত্যাগ কৰি, বৈকুণ্ঠপয়াণ কৰিছিল বুলি কথিত আছে। আজি অসম দেশৰ গাঁৱে-ভূঁয়ে, নগৰে-চহৰে, সেই মহাপুৰুষৰ পুণ্যময় স্মৃতিৰ অৰ্থে, নাম-কীৰ্ত্তন, সবাহ-ভাৱনা আদিৰে মানুহে মহা মহোৎসৱ পালন কৰিছে। আমিও সেই বিশাল-কৰ্ম্মী, পুণ্যতনু আদৰ্শ পুৰুষৰ পুণ্য স্মৃতিৰে আমাৰ মন প্ৰাণ পৱিত্ৰ কৰোঁহক; সেই মহাপুৰুষৰ মুক্ত আত্মাৰ উদ্দেশে শ্ৰদ্ধাৰ পুষ্পাঞ্জলি ঢালি ধন্য হওঁহক।

এনেকেই চালে, শঙ্কৰদেৱৰ বিষয়ে ক'বলৈ নতুন কথা একো নাই। তেওঁৰ বিষয়ে চৰিত্ৰ পুথি আছে, অলেখ প্ৰবন্ধ ৰচনা আছে আৰু অনেক বক্তৃতা, আলোচনা প্ৰভৃতি হৈ গৈছে। গতিকে, ন-কৈ ক'বলৈ আৰু একো নাই। কিন্তু অন্য ফালৰ পৰা চালে ক'বলৈ বহুত আছে। মেঘদূত বা শকুন্তলাৰ কথাবোৰ বা মহাভাৰতৰ বৰ্ণনাবোৰ পুৰণি বুলি, কাৰবাৰ শুনি

আমনি লাগেনে? তাক সদায় নতুন, ৰহস্যময় আৰু শিক্ষাপ্ৰদ নেলাগেনে? শঙ্কৰদেৱৰ কাহিনীও সেইদৰেই চিৰনতুন, ৰহস্যময় আৰু শিক্ষাপ্ৰদ। ইয়াক শুনি, মানুহৰ আমনি নেলাগে, মনত উৎসাহ, হৃদয়ত সাহ আৰু চিত্তত পবিত্ৰ ভাব জন্মে; ই মানুহৰ চকুৰ আগত শিক্ষণীয়, অনুকৰণীয়, বাঞ্ছনীয় সাধু আদৰ্শৰ মনোময় চিত্ৰ অঙ্কিত কৰি দেখুৱায়। মহাপুৰুষ সকলৰ আদৰ্শ চৰিত্ৰৰ আলোচনা কৰিলে, আমাৰ আত্মা উন্নত হয়, স্বভাৱ বিশুদ্ধ হয়, আৰু আমাৰ জীৱনৰ সোঁত বা গতিয়ে সজ পথৰ সন্ধান পায়।

শঙ্কৰদেৱ অসম দেশৰ সৰ্ব্বশ্ৰেষ্ঠ পুৰুষ। তেওঁৰ আৱিৰ্ভাৱৰ কাল ছোৱাক ভাৰতবৰ্ষৰ পক্ষে এক দৈৱিক কাল বুলিব লাগে; কাৰণ, সেই ছোৱা কালতে শঙ্কৰ, চৈতন্য, ৰমানন্দ, আৰু ৰামানুজৰ যুগপৎ আৱিৰ্ভাৱে বৈষ্ণৱ ধৰ্ম্মৰ প্ৰবল প্ৰভা ভাৰত জুৰি বিস্তাৰ কৰিছিল। অসমৰ ঐতিহাসিক যুগৰ প্ৰাৰম্ভৰে পৰা আজিলৈকে, ইয়াত শঙ্কৰদেৱৰ দৰে প্ৰতিভাশালী বিশালকৰ্ম্মী কৃতী পুৰুষ আৰু কোনো কেতিয়াও জন্ম হোৱা নাই। আজি শঙ্কৰদেৱক বাদ দিলে, তেওঁৰ কাৰ্য্য কলাপ, দৃষ্টান্ত, পুথি পাজি আৰু শিক্ষা উপদেশ এৰি দিলে, অসম দেশত ধৰ্ম্ম, শিক্ষা, চৰিত্ৰ, সমাজ, গাঁও-বন্ধন, ৰীতি-নীতি, সাহিত্য, সভ্যতা,—অৰ্থাৎ মুঠতে অসমীয়াৰ কৃষ্টি বুলিবলৈ সমুলি একো নেথাকে। অসমীয়াৰ ধৰ্ম্মত শঙ্কৰদেৱ, শিক্ষা দীক্ষাত শঙ্কৰদেৱ, সমাজ বন্ধনত শঙ্কৰদেৱ, চৰিত্ৰ গঠনত শঙ্কৰদেৱ, সাহিত্যত শঙ্কৰদেৱ। শঙ্কৰদেৱে বান্ধি দিয়া সেই ৰীতি-নীতি, সেই শিক্ষা-দীক্ষা, সেই সমাজ বন্ধনেই অসম দেশৰ ইমুৰৰ পৰা সিমুৰলৈকে আজি-কোপতি চলিব লাগিছে। অৱশ্যে তাত যে একো বিকাৰ ঘটা নাই, বা আবৰ্জ্জনা সোমাবলৈ পোৱা নাই, এনে নহয়; কিন্তু সি স্বাভাৱিক কথা।

প্ৰথমতে ধৰা যাওক ধৰ্ম্ম। শঙ্কৰদেৱৰ পূৰ্ব্বে বা পাচতে, এই দেশত তেওঁৰ শাৰীৰ ধৰ্ম্মপ্ৰচাৰক ধৰ্ম্ম-প্ৰৱৰ্ত্তক বা ধৰ্ম্মগুৰু কোনো ওলোৱা নাই। তেওঁ বৈষ্ণৱ ধৰ্ম্মৰ বিমল সাত্বিক সোঁতেৰে এই গোটেই অসম দেশ তেনেই প্লাবিত কৰিলে। অৱশ্যে তেওঁৰ পূৰ্ব্বে যে এই দেশত বৈষ্ণৱ ধৰ্ম্মৰ সমুলি প্ৰচলন নাছিল, তেনে নহয়; নতুবা, তেওঁ যে আগেয়ে নথকা কিবা এটা নতুন ধৰ্ম্ম উলিয়ালে, সিও নহয়। তথাপি তেওঁ ধৰ্ম্মৰ সম্পৰ্কে যি কৰি থৈ গৈছে সি অতি অতুলনীয়, অশেষ মহিমাময় আৰু সুবিশাল মহৎ কাৰ্য্য।

শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ পূৰ্ব্বে, এই দেশৰ বামুণ কায়স্থ আদি উচ্চ বৰ্ণৰ শিক্ষিত মানুহৰ মাজত তান্ত্ৰিক ধৰ্ম্মৰ প্ৰচলন আছিল। তান্ত্ৰিক ধৰ্ম্মৰ বিষয়ে, অজ্ঞতা দোষত, অনেকে অনেক কুৎসাৰ ৰটনা কৰে। কিন্তু নিৰপেক্ষ লোক মাত্ৰেই স্বীকাৰ নকৰি নোৱাৰে যে, ই যোগমূলক আৰু বৈজ্ঞানিক এক মহা কঠোৰ ধৰ্ম্ম পথ। ইয়ালৈ যোগৰ প্ৰয়োজন। একনিষ্ঠ, দৃঢ় মনৰ সংযমী আৰু ইন্দ্ৰিয়জিৎ মানুহ নহলে, দুৰ্ব্বল আৰু অস্থায়ী মনৰ, অসংযমী, চঞ্চল প্ৰকৃতিৰ লোকৰ ইয়াত অধিকাৰ নাই। গতিকে ওপৰ শ্ৰেণীৰ মুষ্টিমেয় শিক্ষিত মানুহৰ বাজে, সৰ্ব্বসাধাৰণ অসমীয়া প্ৰজাৰ পক্ষে, এই তান্ত্ৰিক পথ উপযোগী নাছিল; আৰু প্ৰকৃত সত্য ধৰ্ম্মৰ পোহৰ নেপাই, সেইবিলাক ইতৰ লোক অজ্ঞান আন্ধাৰত নিমগ্ন আছিল।

আপোনালোকে অৱশ্যে জানে যে, তন্ত্ৰত মাইকৈ তিনি বিধ পথ আছে—শাক্ত, শৈৱ আৰু বৈষ্ণৱ। কিন্তু তান্ত্ৰিক উপাসকৰ মনত, এই তিনি পথৰ একো পাৰ্থক্য নাই। এই তিনিও একেজন; তিনিও মূৰ্ত্তি সেই একে জনৰে বেলেগ বিকাশ বা অভিব্যক্তি মাত্ৰ। গতিকে ইয়াৰ এক পথৰ মানুহে অন্য দুটি পথো মানিব লাগে। সেই দেখি তন্ত্ৰ মতে, এই তিনিও পথেই একেটা শাখাৰে তিনটা প্ৰশাখা মাথোন। তান্ত্ৰিক বৈষ্ণৱে শক্তি পূজা মানে, নিজেও কৰে, আৰু তাৰ প্ৰসাদো খায়; কিন্তু বলি বিধান আদি নচলায়। আপোনালোকে বোধ কৰো জানে যে, সম্প্ৰতি অসম দেশত মহাশাক্ত বা পৰ্ব্বতীয়া গোঁসাইৰ অধিকাংশ শিষ্য বৈষ্ণৱ; আৰু তেওঁলোকৰ অনেকে মাছ মাংস আদিও ভক্ষণ নকৰে। সেই দৰেই শাক্ত বা শৈৱয়ো অভিন্ন ভাৱেৰে বিষ্ণুক



মানিব লাগে আৰু তেওঁৰ পূজাও কৰিব লাগে। তাকে নকৰি, শিৱ, শক্তি আৰু বিষ্ণুক ভিন্ন ভাব কৰিলে, তন্ত্ৰ মতে মানুহ ধৰ্ম্মচ্যুত হয়, আৰু তাৰ সকলো সাধনা, সকলো ভক্তি, সকলো পূজা-সেৱা তেনেই নিষ্ফল হয়। তান্ত্ৰিক পথৰ পৰিণতি সাত্বিকত্বত। ইয়াৰ উচ্চ স্তৰত, পূজা-সেৱা আদি বাহিক আড়ম্বৰ একো নেথাকে: সাধকে মুঠেই ইষ্ট মন্ত্ৰ জপ কৰি পৰমানন্দ লাভ কৰে।

কোনো কোনোৱে অনুমান কৰে বোলে, শঙ্কৰদেৱ তান্ত্ৰিক শাক্ত পথৰ সাধক আছিল। কিন্তু তিনটা কাৰণৰ বাবে, অৰ্থাৎ প্ৰথমতে, তেওঁ মহা জ্ঞানী পুৰুষ আছিল গুণে, বিষ্ণু আৰু শক্তিৰ ভিতৰত পাৰ্থক্য ভাব নকৰিছিল দেখি, দ্বিতীয়ত, সেই সময়ৰ সাধাৰণ প্ৰজাৰ মাজত সুকঠোৰ তান্ত্ৰিক পথৰ উপযোগী শিক্ষা-দীক্ষা নাছিল দেখি, আৰু তৃতীয়ত, নাম-ধৰ্ম্ম সৰ্ব্বসাধাৰণ লোকৰ পক্ষে অধিক উপযোগী দেখি, তেওঁ কঠোৰ তান্ত্ৰিক পথ নচলাই, ভাগৱত শাস্ত্ৰত থকা উজু আৰু ৰসময় নাম-ধৰ্ম্ম প্ৰচাৰ কৰিলে। কিন্তু তন্ত্ৰত বিধান আছে বোলে, "মালা মন্ত্ৰঞ্চ তন্ত্ৰঞ্চ গুৰৱপি নদৰ্শয়েৎ"। আৰু এইবিলাক "গোপনীয়ং গোপনীয়ং গোপনীয়ং প্ৰযত্নতঃ"। আৰু সেই বাবেই বোলে শঙ্কৰদেৱে তেওঁ নিজে তান্ত্ৰিক পথৰ উপাসক বুলি প্ৰকাশ কৰি নুকুৰিছিল।

এই যুক্তিত কিমান মূল্য আছে, মই তাক নেজানো। কিন্তু এটা কথা ভাবি চাবৰ প্ৰয়োজন। শঙ্কৰদেৱৰ হাতত তাম্ৰাক্ষৰী নামেৰে এখন পুথি আছিল। তাক তেওঁ নিজৰ মূৰশিতানৰ ওপৰত সদায় যত্নেৰে আৰি থৈছিল। এবাৰ এজন দাই শিষ্য, এই পুথি চুৰ কৰাৰ হেতু শঙ্কৰদেৱৰ দ্বাৰাই পৰিত্যক্ত হৈছিল। সকলোৱে জানে যে, এই তাম্ৰাক্ষৰী বোলা পুথিখন তান্ত্ৰিক সাধনাৰ পুথি আছিল। এতিয়া প্ৰশ্ন হৈছে, যদিহে শঙ্কৰদেৱে নাম ধৰ্ম্ম প্ৰচাৰ কৰি, তান্ত্ৰিক পথ তেনেই পৰিহাৰ কৰিছিল, তেনেহলে এই পুথিখন ইমান যত্নেৰে ৰখাৰ প্ৰয়োজন আছিল কি? যদি তেওঁ সেই পথ তেনেই এৰি পেলাইছিল, তেনেহলে সেই পুথি পেলাই দিব, বা অনাদৰ কৰি এঠাইত পেলাই থ'ব লাগিছিল। তাকে নকৰি, সিমান আলহ-দুলহ কৰি, তাক শোৱাৰ ওপৰত আৰি থৈ সাঁচিবৰ কি প্ৰয়োজন আছিল?

এই সম্পৰ্কে আৰু এটা কথা ভাবি চাব লগীয়া। শঙ্কৰদেৱে যোগাসনত বহি তনুত্যাগ কৰিছিল। এই দৰে যোগত তনুত্যাগ কৰা কথাও তান্ত্ৰিক সাধনাতহে দেখা যায়। এতেকে, বোধ কৰোঁ, অনুমান কৰিব পাৰি যে, শঙ্কৰদেৱে মহাপুৰুষীয়া পথৰ উচ্চ স্তৰত তান্ত্ৰিক পথৰ অন্ততঃ যোগৰ অংশখিনি অন্তৰ্ভুক্ত কৰি লৈছিল।

শঙ্কৰদেৱে বামুণ, তিৰোতা, আৰু ৰজাক শৰণ নিদিছিল। বামুণক জানিবা উচ্চ বৰ্ণ বুলি নিদিছিল; আৰু ৰজাক নিদিছিল এই বাবে যে, ৰজাই সম্পদ বিভূতি বৰ্দ্ধন কৰি গুৰুক বিষয়াসক্ত কৰিবৰ ভয় থাকে। কিন্তু তিৰোতাক নিদিছিল কিয়? তেওঁৰ নিজৰ ভাৰ্য্যাকো নিজে শৰণ নিদি, মাধৱদেৱৰ হতুৱাই দিয়াইছিল কিয়? মই ওপৰত কৈ অহা লোকসকলে এই কথাৰ এনে কাৰণ নিৰ্দ্দেশ কৰে যে, শক্তিসাধকে তিৰোতা জাতিক মহাশক্তিৰ বিকাশ বা অংশ বুলি বিশ্বাস কৰে; আৰু সেই বাবেই, নিজে শক্তি পথৰ সাধক গুণে, শঙ্কৰদেৱে কোনো তিৰোতাক শৰণ নিদিছিল। তেওঁ তিৰোতা জাতিক শৰণ নিদিয়াৰ ইয়াতকৈ অধিক সঙ্গত কাৰণ আৰু একো পোৱা নেযায়।

বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰাৰ পূৰ্ব্বে যে শঙ্কৰদেৱ তান্ত্ৰিক পথৰ সাধক আছিল, তাক বিশিষ্ট মহাপুৰুষীয়া সকলে অস্বীকাৰ নকৰে। কিন্তু তাৰ পাচত তেওঁ বৈষ্ণৱ পথৰ শৰণ বা দীক্ষা লোৱাৰ ক'তো একো উল্লেখ নাই। মাধৱ দেৱেও, শঙ্কৰদেৱক তেওঁৰ নিজ গুৰু বুলি কৈছিল, কিন্তু শঙ্কৰদেৱৰ গুৰু কোন তাক কব নোৱাৰোঁ বুলিছিল। ইয়াৰ পৰা ওপৰত কোৱা লোকসকলে এনে বুলি অনুমান কৰে যে, শঙ্কৰদেৱে পূৰ্ব্বে তান্ত্ৰিক পথৰ যি কিবা দীক্ষা আদি লৈছিল, সেয়ে পাচলৈকে থাকি গ'ল, তেওঁ দুনাই আৰু দীক্ষা বা শৰণ নললে। শঙ্কৰদেৱ মহা জ্ঞানী পুৰুষ আছিল গুনে, এবাৰ লোৱাৰ পাচত দুনাই শৰণ আদি নললে, আৰু লবৰ প্ৰয়োজনো নহল।

মই এই কথাৰ উল্লেখ কৰাত কোনোৱে বিৰক্তি

বোধ কৰিবও পাৰে। কিন্তু মোৰ অভিপ্ৰায় অতি সৰল আৰু নিৰ্দ্দোষ। এই কথা উল্লেখ কৰাত মোৰ আন উদ্দেশ্য একো নাই; মাত্ৰ ই গবেষণাৰ উপযুক্ত বিষয় বুলিহে, আপোনালোকে ভাবি চাবলৈ উদ্গনিয়াই থ'লোঁ।

কিন্তু, এইবিলাক হৈছে অকল কল্পনা জল্পনাৰ কথা। ইয়াত ঐতিহাসিক তথ্য একো নাই। আমি আলোচনা কৰিব লাগে ইতিহাসৰ শঙ্কৰদেৱৰ কথা। আমাৰ ইতিহাসৰ শঙ্কৰদেৱ হৈছে ধৰ্ম্মপ্ৰচাৰক আৰু প্ৰৱৰ্ত্তক, সমাজ সংগঠক, সাহিত্যিক, উদাৰ প্ৰকৃতি, পৰম সাধু, পৰম জ্ঞানী, মহোদয় মহাপুৰুষ।

শঙ্কৰদেৱৰ প্ৰচাৰিত মহাপুৰুষীয়া পথত সকাম নিষ্কাম দুই বিধ ভক্তিৰে বিধান আছে। এফালে যেনেকৈ আত্মাৰ সদ্গতি হ'বলৈ মুক্তিৰ অৰ্থে, ঈশ্বৰৰ চৰণত একান্তে শৰণাগত হ'বলৈ উপদেশ দিছে, সিফালেও সেইদৰে, "মুক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমো ৰসময় মাগোহোঁ ভকতি" বুলি নিষ্কাম ৰসময় ধৰ্ম্মৰো বাট দেখুৱাইছে। সেই দৰেই আকৌ সাকাৰ নিৰাকাৰ দুই বিধ উপাসনাৰো বিধান দেখা যায়। কীৰ্ত্তন পুথিৰ পাতে পাতে শ্ৰীকৃষ্ণৰ দ্বিভুজ মুৰলীধাৰী মনোময় কিশোৰ ৰূপৰ বৰ্ণনা। "ভাই মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ, এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ।" সাকাৰ উপাসনাৰ নিমিত্তে এই উপদেশ; ইফালে আকৌ "অব্যক্ত ঈশ্বৰ হৰি, কিমতে পূজিবা তাঙ্ক, ব্যাপকত কিবা বিসৰ্জ্জন, এতাৱন্ত মুৰ্ত্তিশূন্য কেন মতে চিন্তিবাহা, ৰাম বুলি শুদ্ধ কৰা মন"—অৰ্থাৎ "অব্যক্তস্য কথং পূজা ব্যাপকে কিং বিসৰ্জ্জনং, অমুৰ্ত্তিত্বাৎ কথং ধ্যানং, নামং কৃত্বা শুচিৰ্ভৱ।" শঙ্কৰদেৱৰ মতে অধিকাৰীয়ে নিষ্কাম ভাবে নিৰাকাৰ ঈশ্বৰক ভাবক, আৰু অনধিকাৰীয়ে কামনাযুক্ত ভাৱেই সাকাৰ ঈশ্বৰৰ উপাসনা কৰক। ঋষি প্ৰণীত শাস্ত্ৰাদিৰো এয়ে মূল মৰ্ম্ম।

মহাপুৰুষীয়া পথ সম্পূৰ্ণ ৰূপে বেদবিহিত পথ। মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ প্ৰচাৰিত পথত পূৰ্ব্ববৰ্ত্তী মহাপুৰুষ সকলৰ প্ৰদৰ্শিত মাৰ্গৰ পৰা এক চুলিৰ মানো আঁতৰি যোৱা নাই। মহাকবিৰ ভাষাৰে ক'বলৈ হলে "ৰেখা মাত্ৰমপি ক্ষুণ্ণঃ আমনোঃ বৰ্ত্তনঃ পৰম্"। ঋষি প্ৰচাৰিত সংস্কৃত শাস্ত্ৰ মন্থন কৰি, তেওঁ সকলোৱে বুজি পোৱা, সকলোৱে আচৰিব পৰা নাম-ধৰ্ম্মৰ উজু পথ প্ৰৱৰ্ত্তন কৰি গ'ল। এই পথত, বেদবিহিত ৰীতি-নীতি আচাৰ-ব্যৱহাৰ মতে চলি, শুদ্ধ মনেৰে, পৰমেশ্বৰৰ সম্পূৰ্ণৰূপে শৰণাগত হ'ব লাগে।

আজিকালি কোনো কোনোৱে ভাবে যোলে মহাপুৰুষীয়া পথ মতে শ্ৰাদ্ধ-বিধিৰ প্ৰয়োজন নাই, তাম-তুলসী গঙ্গা-গয়া নেলাগে, আৰু ব্ৰাহ্মণ সজ্জন অৱজ্ঞাৰ পাত্ৰ। কিন্তু তেনে ধাৰণা সম্পূৰ্ণ অমূলক। শঙ্কৰদেৱে নিজে বিধিমতে পিতৃ-মাতৃৰ শ্ৰাদ্ধাদি কৰিছিল। তেওঁ স্বৰ্গী হ'লতো, মহাপুৰুষ মাধৱদেৱে শাস্ত্ৰমতে সুপ্ৰচুৰ ৰূপেৰে তেওঁৰ শ্ৰাদ্ধাদি ক্ৰিয়া সম্পন্ন কৰাইছিল। শঙ্কৰদেৱে তাম তুলসী মানিছিল, তীৰ্থ স্থানলৈ শ্ৰদ্ধা কৰিছিল, আৰু সুদীৰ্ঘ কাল তীৰ্থ ভ্ৰমন কৰি ফুৰিছিল। বামুণে তেওঁৰ ধৰ্ম্মপ্ৰচাৰ কাৰ্য্যত ব্যাঘাত কৰিছিল, এই কথা দুই কৰিব নোৱাৰি। কিন্তু, মহৎপ্ৰাণ মহাপুৰুষ শঙ্কৰদেৱৰ, সেই বাবে বামুণ জাতিলৈ আক্ৰোশ আছিল বুলি ভাবিলে, সেই মহাপুৰুষৰ উদাৰ মনত, সাধাৰণ মানুহৰ দৰে, সংকীৰ্ণতা দোষ আৰোপ কৰা হয়। যদিওবা কোনো কোনো ব্ৰাহ্মণে তেওঁৰ কাৰ্য্যত ব্যাঘাত জন্মাইছিল, সেইদৰেই অনেক ব্ৰাহ্মণ তেওঁৰ অনুগামীও আছিল। প্ৰকৃত ব্ৰাহ্মণলৈ তেওঁৰ নথৈ শ্ৰদ্ধা আছিল, আৰু এই জন্মত সুকৃতি কৰিলে, মানুহে পৰ জন্মত সদ্ ব্ৰাহ্মণৰ ঘৰত জন্ম লয়গৈ বুলি, তেওঁ নিজহাতে লিখি থৈ গৈছে। অজ্ঞ আৰু অৰীতিয়া কিছুমানক দেখিয়েই, গোটেই বামুণ জাতিটোৰ প্ৰতি ঘৃণা বা অৱজ্ঞা প্ৰকাশ কৰা অযুগুত। তেনে অজ্ঞ আৰু অৰীতিয়া বামুণ আগেয়েও আছিল, এতিয়াও আছে, আৰু আগলৈকো সদায় থাকিব। সেই বুলি উদাৰ মনৰ, জ্ঞানী আৰু প্ৰকৃত ব্ৰাহ্মণক কোনেও কেতিয়াও অৱজ্ঞা নকৰে আৰু কৰিবও নোৱাৰে। উদাৰমতি মহাজ্ঞানী শঙ্কৰদেৱৰ এই কথা অবিদিত নাছিল।

শঙ্কৰদেৱে বামুণক সন্মান কৰিছিল বাবেই সৰণ



লিখিছিল; যদিও আজিকালিৰ কোনো কোনো মহাপুৰুষীয়াৰ মতে তেওঁ ঘিণতহে বামুণক শৰণ নলগাইছিল। প্ৰবাদ আছে বোলে, এবাৰ তেওঁ নৈ পাৰ হ'বলৈ গৈ, নাৱত বামুণে গৰকা পানী দেখি, সেই পানী সিঁচাই লৈহে নাৱত উঠিছিল। কোনোৱে এই কথাৰ এনে ধৰেহে অৰ্থ কৰে বোলে বামুণে গচকা পানী গচাকবলৈ ঘিণ কৰিহে তেওঁ এনে কাম কৰিছিল। কিন্তু বামুণৰ পাদোদক গচকিলে অধৰ্ম্ম হয় বুলি তেওঁ সেই পানী সিঁচাই লৈছিল—এই বুলি অনুমান কৰিলে, শঙ্কৰদেৱৰ মহান চৰিত্ৰই সৈতে, আৰু ওপৰত কৈ অহা কথাই সৈতে থাপ খাই নপৰিবনে ?

এই মহাপুৰুষীয়া পথ উজু, উদাৰ, সুখসাধ্য আৰু বেদবিহিত। শঙ্কৰদেৱে এই পথ চলাই থৈ নোযোৱা হ'লে, অসম দেশৰ সৰ্ব্বসাধাৰণ প্ৰজা হয় অনীতি, অনাচাৰ আৰু মূৰ্খতাৰ দোষত সমূলঞ্চে ধ্বংস হ'লহেঁতেন, নহয় কোনো মতে তস্তি থাকিব পৰা হ'লেও, আধুনিক কালত অন্য ধৰ্ম্ম অৱলম্বী হ'লহেঁতেন। এতেকে, শঙ্কৰদেৱে ধৰ্ম্ম সম্পৰ্কে অসমীয়া প্ৰজাৰ যি উপকাৰ সাধি গ'ল, তাৰ তুলনা নাই, তাক এনে এখন ক্ষুদ্ৰ সভাৰ ক্ষুদ্ৰ অভিভাষণত কোনো মতেই কৈ অন্ত কৰিব নোৱাৰি। এই গ'ল ধৰ্ম্মৰ কথা; তাৰ পাচত সমাজ।

সমজুৱা কথাতো আজিলৈকে অসমীয়া প্ৰজাই সেই শঙ্কৰদেৱে পাতি দি যোৱা সাঁকোতেহে ৰগাব লাগিছে। অসম দেশৰ সমাজ বন্ধনৰ বা গাঁও সংগঠনৰ গুৰিত কোন ?—একমাত্ৰ মহাপুৰুষ শঙ্কৰদেৱ। নামঘৰত ৰাজহুৱা সকাম-নিকাম, গাঁৱলীয়া মানুহৰ বিবাদ ভঞ্জন, ৰাজহুৱা কথাৰ আলোচনা আৰু মীমাংসা। তাৰ উপৰিও, ধৰ্ম্ম কৰ্ম্মত ৰতি নথকা মানুহবো, নামঘৰৰ ৰাজহুৱা সকাম-নিকামলৈ বহুতে আহি গৈ, শেহত সঁচাকৈয়ে ধৰ্ম্ম পথত আসক্তি জন্মেগৈ। ই এক সম্পূৰ্ণ অভিনৱ অনুষ্ঠান। এনে অনুষ্ঠান ভাৰতবৰ্ষৰ আন কোনো প্ৰদেশতে নাই। ই অসমীয়াৰ স্বকীয়া সম্পত্তি আৰু শঙ্কৰদেৱৰ অমূল্য দান।

এই অনুষ্ঠানৰ পৰা পূৰ্ব্বে অসমীয়া প্ৰজাৰ মহা মঙ্গল সাধিত হৈছিল, আৰু এতিয়াও হৈ থাকিব পাৰে। আমাৰ উজানে ভাটীয়ে, চুকে কাণে, প্ৰত্যেক গাঁৱতে নামঘৰ; সকলো নামঘৰৰে ৰীতি নীতি, আও-ভাও, কাৰ্য্য প্ৰণালী ঠিক একে ভাৱৰে; সেই একে নাম-কীৰ্ত্তন, একে তিথি মহোৎসৱ, একে আচাৰ ব্যৱহাৰ, একে কাৰ্য্যক্ৰম। গতিকে এই সুন্দৰ প্ৰণালীয়ে আমাৰ দেশৰ গোটেই হিন্দু সমাজকে একে লগে বান্ধি ৰাখিব পাৰে, আৰু সকলোৰে মাজত এক ৰীতি-নীতি, আচাৰ ব্যৱহাৰ চলাই, সকলোকে মিলা প্ৰীতিৰে একে মুঠতে ৰাখিব পাৰে। ইয়াৰ গুণতে, অনেক বিবাদ বিশম্বাদ ৰজা ঘৰত গোচৰ নকৰাকৈয়ে, বিনা ব্যয়ে সুকলমে ভাগিব পাৰে। এয়ে গাঁৱলীয়া প্ৰজাৰ ভিতৰত মিলা প্ৰীতি সদ্ভাব, সহযোগ আৰু সমাজবন্ধন সৃষ্টি কৰিব পাৰে, ইয়াৰে পৰা প্ৰজাহিতকৰ নানা প্ৰকাৰ সজ কাৰ্য্য সাধিত হ'ব পাৰে।

এনেদৰে দেশৰ মঙ্গল সাধিবৰ অৰ্থে, নামঘৰ প্ৰথাৰ উদ্ভাৱন কৰিবলৈ মানুহক শাসন শক্তি লাগে। তাকে ইংৰাজীৰে administrative ability বোলে; অৰ্থাৎ কোনো এটা ডাঙৰ দিহা পাতি লৈ, তাক সুপ্ৰতুল ৰূপে চলোৱাৰ শক্তি। শঙ্কৰদেৱ বাৰভূঞাৰ সন্তান। এই ভূঞাসকলৰ যৌলিক বৃত্তি আছিল শাসন কাৰ্য্য। শঙ্কৰদেৱৰ গাত এই শক্তি নিশ্চয় প্ৰচুৰ পৰিমাণে বিদ্যমান আছিল; ন'হলে তেওঁ এনে প্ৰণালী নিৰ্দ্দেশ কৰি, তাক এনে সুচাৰু ৰূপে চলাই যাব নোৱাৰিলেহেঁতেন। তাহানি মোমাই তামুলি বৰবৰুৱাই দেশৰ প্ৰত্যেক তিৰোতাই 'দনে ৩টাকৈ সূতলাহি কটাৰ আৰু পুৰুষে নিৰ্দ্দিষ্ট পৰিমাণৰ কাঠী-কামীৰ কাম কৰাৰ নিয়ম চলাইছিল। শঙ্কৰদেৱৰ নামঘৰ অনুষ্ঠানো তেনে প্ৰকাৰৰে কাৰ্য্য। মোমাই বৰবৰুৱাৰ বিধান আজিলৈকে নেথাকিল; কিন্তু শঙ্কৰদেৱৰ নামঘৰ অনুষ্ঠানৰ বিধান, ধৰ্ম্মৰ ভেটিত সংস্থাপিত দেখি, এতিয়ালৈকে চলি আছে।

সমাজৰ পাচত ধৰক সাহিত্য। সাহিত্য ক্ষেত্ৰত শঙ্কৰদেৱৰ ঠাইত বহুত ওপৰত। তেওঁ অসমীয়া সাহিত্যিকৰ সৰ্ব্বোৎকৃষ্ট। আন কোনো লিখকৰ লিখাই,

শঙ্কৰদেৱৰ বিৰচিত গ্ৰন্থৰ দৰে, অসম দেশত বহুল প্ৰচাৰ লাভ কৰিব পৰা নাই। সম্পূৰ্ণ নিৰক্ষৰ মানুহৰ মুখতো শঙ্কৰদেৱৰ পদ। সিও তাৰ ৰস পাই, তাক আওৰাই থয়। এনেকুৱা অসমীয়া হিন্দু কোনো নাই, যাৰ মুখত একেষাৰ নহয় একেষাৰ শঙ্কৰদেৱৰ পদ শুনিবলৈ পোৱা নেযায়।

শঙ্কৰদেৱৰ ৰচনা এনে সৰ্ব্বজনপ্ৰিয় হোৱাৰ কাৰণ কি? তেওঁ ধৰ্ম্ম বিষয়ৰ লিখক; কিন্তু ধৰ্ম্ম বিষয়ত পদ পুথি লিখা লোক আৰু অনেক আছে। তেওঁলোকৰ লিখাৰ এনে জনপ্ৰিয়তা দেখা নেযায় কিয়? ইয়াৰ একমাত্ৰ কাৰণ এয়ে যে, শঙ্কৰদেৱৰ লিখা অতি সৰল, প্ৰাঞ্জল, মধুৰ, চুম্বক, সাৰুৱা, গধুৰ আৰু হৃদয়গ্ৰাহী। তেওঁৰ দৰে, আন কোনো অসমীয়া লিখকৰ ৰচনাতে এই সকলোখিনি সদ্গুণ একে লগে পোৱা নেযায়। আন কোনো লিখকৰে লিখা এনে মিহি, নিমজ আৰু নিয়াৰি নহয়। কিন্তু, শুনিবলৈ মিহি, মধুৰ আৰু কোমল হ'লেও, শঙ্কৰদেৱৰ প্ৰতিটো শব্দই গধুৰ আৰু ভাবপূৰ্ণ; আৰু সি পঢ়োঁতাৰ বা শুনোতাৰ অন্তস্থল ভেদ কৰি, অন্তৰৰ অন্তৰতম স্থান অধিকাৰ কৰেগৈ। অসমীয়া ভাষাৰে ৰচন কাৰ্য্য কৰোঁতা এনে সুনিপুণ সৰ্ব্বগুণী শিল্পী অতি অতীজৰে পৰা আজিলৈকে আৰু কোনো ওলোৱা নাই। সৰু কথাৰে ডাঙৰ ভাব প্ৰকাশ কৰাত, আৰু অলপ কথাৰেই সৰহ ভাব বুজাব পৰাত শঙ্কৰদেৱ সম্পূৰ্ণ ৰূপে সিদ্ধহস্ত।

মাধৱদেৱো বৰ ওখ থাপৰ সাহিত্যিক। কিন্তু, তেওঁৰ লিখা শঙ্কৰদেৱৰ লিখাৰে নিমিলে। মাধৱদেৱৰ লিখা দাৰ্শনিক, কঠোৰ, তপত আৰু তীব্ৰ। শঙ্কৰদেৱৰ লিখাও দাৰ্শনিক, কিন্তু, সি প্ৰাঞ্জল, শুৱলা আৰু সুশীতল। মুঠতে, মাধৱদেৱৰ সাহিত্য প্ৰতিভা জানিবা দুপৰ সূৰ্য্যৰ প্ৰখৰ পোহৰ, আৰু শঙ্কৰদেৱৰ প্ৰভা জানিবা মধু পূৰ্ণিমাৰ অমিয়া-ভৰা শীতল জোনাক। মাধৱদেৱ তৰঙ্গভৰা বিশাল সাগৰ, শঙ্কৰদেৱ গহীন গম্ভীৰ বিতোপন সুথিৰ জলধি। অসমৰ সাহিত্য ক্ষেত্ৰতো শঙ্কৰদেৱৰ কাৰ্য্য অতি বিশাল, আৰু তেওঁ সৰ্ব্বশ্ৰেষ্ঠ সাহিত্যিক।

অসমৰ গীত-নাট যদি কিবা আছে বা আছিল, তাৰ গুৰিতো এই শঙ্কৰদেৱেইহে। কোনোবা বিদেশীয়ে আচল অসমীয়া সঙ্গীতৰ কথা সুধিলে, আমি দেখুৱাব লাগিব শঙ্কৰী সঙ্গীত। ভাৱনা তেৱেঁই পাতিলে, কুমাৰৰ হতুৱাই মাটিৰ খোল সজাই, খোল বাজনা তেৱেঁই চলালে, বৰগীত তেৱেঁই বান্ধিলে, ভাৱনাৰ নাচ-বাগ তেৱেঁই শিকালে। গতিকে সাহিত্যৰ ললিত কলা সঙ্গীতৰো তেৱেঁইহে আমাৰ পথপ্ৰদৰ্শক। তেওঁৰ পূৰ্ব্বে, অসমত সঙ্গীতজ্ঞ বুলি দেখুৱাবলৈ আৰু কোনো লোক নাই। চিত্ৰলেখা আৰু বেহুলাৰ কথা পৌৰাণিক যুগৰ। শঙ্কৰদেৱৰ পূৰ্ব্বে, দেশত কি প্ৰকাৰৰ সঙ্গীত আছিল, মই তাক নেজানো; সম্ভৱতঃ বড়ো সঙ্গীতেই হ'ব পাৰে। সম্প্ৰতি আমাৰ মিৰি দেউৰীৰ সঙ্গীত সেই বড়ো সঙ্গীতৰ অন্তৰ্গত। আমাৰ বিহুনাম আৰু অন্যান্য কিছুমান নাম-গুণো বড়ো জাতীয়। কিন্তু ই আৰ্য্য জাতিৰ সঙ্গীত নহয়। অসমত আৰ্য্য সঙ্গীত বুলিবলৈ, শঙ্কৰদেৱৰ পূৰ্ব্বে একো থকাৰ প্ৰমাণ দেখা নেযায়। এতেকে, ঐতিহাসিক যুগত, অসম দেশত শঙ্কৰদেৱেই আৰ্য্য সঙ্গীতৰো সৰ্ব্বপ্ৰথম প্ৰচাৰক আৰু প্ৰৱৰ্ত্তক।

শঙ্কৰদেৱ প্ৰগাঢ় পণ্ডিত। বিশেষকৈ গীতা আৰু ভাগৱতত তেওঁ অদ্বিতীয় পণ্ডিত আছিল। তেওঁ নৰনাৰায়ণ ৰজাৰ সভাত সেই কালৰ পণ্ডিতমণ্ডলীক পৰাজয় কৰাৰ কথা আপোনালোক সকলোৱে জানে। তেওঁ মাধৱদেৱৰ দৰে বিদগ্ধ দাৰ্শনিক পণ্ডিতক বিচাৰত হৰুৱাই, বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত কৰিলে। তেওঁ কোচবিহাৰৰ ৰাজসভাত, সমূহ পণ্ডিতেৰে আৰি মাৰি, অকণমান পৰতে পঢ়িব পৰাকৈ, বিৰাটবপু ভাগৱতখন ভাঙ্গি, সেই অকণমান গুণমালা পুথিখন লিখিলে; তাকো হেনো আকৌ ভাতচৰুত সোমাই, ভাত বান্ধি থাকোঁতেই লিখা। ফুৰা চকাত মানুহৰ জ্ঞান বৃদ্ধি হয়। বহু দিন তীৰ্থই তীৰ্থই ফুৰি, অনেক পণ্ডিত আৰু সাধু মহন্তৰ লগ



পাই, অনেক কথা দেখি শুনিও, তেওঁ বহুত অভিজ্ঞতা লাভ কৰিছিল।

শঙ্কৰদেৱৰ নৈতিক চৰিত্ৰ, নীতি-নিয়ম বা সাধুত্ব আদিৰ কথা ক'বৰ প্ৰয়োজন নাই। অকল "মহাপুৰুষ" কথায়ে সেই সকলোবোৰ সামৰি ধৰিছে। সেই সকলো সদ্গুণ প্ৰচুৰ পৰিমাণে নেথাকিলে, মানুহে "মহাপুৰুষ" নাম পাব নোৱাৰে।

এনে জন শ্ৰেষ্ঠ পুৰুষৰ লীলা-খেলা সুঁৱৰিবলৈ আমি আজি সমবেত হৈছোঁ। আমাৰ পৰম গৌৰৱ যে, এনে হেন এজন মহাপুৰুষ আমাৰ দেশতে, আমাৰ জাতিতে উপজিছিল; আমাৰ পৰম সৌভাগ্য যে তেওঁ আমাক অপাৰ সম্পদ দি গৈছে; আৰু আমাৰ পৰম মঙ্গল যে, অসমীয়া সমাজে তেওঁৰ মহান মূল্য সম্যক্ ৰূপে বুজিব পাৰিছে।

এটা কথা কওঁ, কিবা দাই দোষ হ'লেও যেন মাৰ্জ্জনা কৰিব। গীতাত ভগৱানে কৈছে বোলে,

"যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত,
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহং"।
"পৰিত্ৰাণায় সাধুনাং বিনাশায়চ দুষ্কৃতাম্
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে"।

মহম্মদ ধৰ্ম্ম মতেও, সংসাৰত ঈশ্বৰপ্ৰেৰিত ধৰ্ম্মত কিবা মলি বন্ধ গ'লে, ঈশ্বৰে এজন পয়গম্বৰ পঠিয়াই দিয়ে। তেওঁ পৃথিৱীত জন্ম লৈ, মলি মূলা মচি কুচি সনাতন ধৰ্ম্মক আকৌ সমুজ্জ্বল কৰি দিয়েহি। গতিকে, দুই ধৰ্ম্মৰ মতেই কালক্ৰমত ধৰ্ম্মত মলি লাগে, ই সত্য কথা; তাৰ প্ৰমাণ ধৰ্ম্ম জগতত বিৰল নহয়। মহাপুৰুষীয়া পথতো মলি নপৰাকৈ থকা নাই; থাকিব নোৱাৰে, ই স্বাভাৱিক কথা। সম্প্ৰতি কেইটামান অনা-মহাপুৰুষীয়া কথাই মহাপুৰুষীয়া পথত ছেকা লগাবৰ উপক্ৰম কৰিছে। মহাপুৰুষীয়া পথৰ আঁৰ লৈ, কিছুমান নীতিজ্ঞান হীন স্বাৰ্থলোভী মানুহে নানা বিধ বিভৎস পথৰ সৃষ্টি কৰিছে। বিশেষকৈ দিগম্বৰী আৰু গোপীধাৰা এই দুধাৰাৰ ধাৰ অতি সাংঘাতিক বিধৰ। অলপতে এদিন এখন প্ৰসিদ্ধ বৰ বাৰজনীয়া সত্ৰৰ অধিকাৰে নাম ঘোষাৰ প্ৰথম ঘোষাটোৰ ব্যাখ্যা কৰা শুনিছিলোঁ বোলে, লৰা, তিৰোতা, ধন-বস্তু এইবোৰেই হৈছে সংসাৰত মুক্তি; তাতে যাৰ স্পৃহা নাই সেই ভকতক নমস্কাৰ কৰোঁ। তাৰ উপৰিও আৰু এক শ্ৰেণীৰ মহাপুৰুষীয়া ওলাইছে; তেওঁলোকৰ মতেৰে, মহাপুৰুষীয়া পথত ধৰ্ম্ম কৰ্ম্ম, জাত-কুল, নাম-গুণ, পূজা-সেৱা, শৰাধ-বিধি, গুৰু-গোসাঁই একো নেলাগে। কেনেবাকৈ শ্ৰীশঙ্কৰদেৱ, আকৌ এবাৰ ধৰ্ম্মগুৰু হৈয়েই আহিবলৈ হোৱা হ'লে, এই কেইবিধ প্ৰাণীক ক'ত ঠাই দিলেহেতেন, তাৰ ঠিকনা নাই। শিক্ষিত মহাপুৰুষীয়া সকলে যদি এনেবোৰ আৱৰ্জ্জনা আঁতৰাবৰ কিবা প্ৰকৃত যত্ন কৰিব পাৰে, শঙ্কৰদেৱৰ বিশুদ্ধ বৈদিক পথৰ বিশুদ্ধতা ৰক্ষা কৰিবৰ কিবা উপায় কৰিব পাৰে, তেনেহ'লে মহাপুৰুষ শঙ্কৰদেৱৰ পৰম প্ৰীতিকৰ কাৰ্য্য কৰা হ'ব।

শঙ্কৰদেৱৰ মুক্ত আত্মাৰ পৰিতুষ্টি সাধন হওক; আমাৰ শ্ৰদ্ধাৰ এই নিহকিন্ আঞ্জলি দেশবাসীৰ আন্তৰিক শ্ৰদ্ধাৰ নৈষ্ঠিক শ্ৰাদ্ধ বুলি, তেখেতে নিছিদ্ৰ ৰূপে গ্ৰহণ কৰক।

শ্ৰীচন্দ্ৰধৰ বৰুৱা

৬।৯।৩৭

# সাহিত্য সেৱাত অসমীয়া যুৱক।

অসমীয়া সাহিত্যৰ ভাগ্য নিৰ্ণিত হোৱা দিন ধৰি আজিলৈকে ইয়াৰ যি পৰিপুষ্টি হবলৈ ধৰিছে তাৰ বিস্তৃত বুৰঞ্জী অধ্যয়ণ কৰাৰ লগে লগে আমি এটি কথা দেখিবলৈ পাওঁইক যে প্ৰত্যেক যুগতে সাহিত্য সেৱাত অসমীয়া যুৱকৰ ঠাই লেখত লবলগীয়া। ই অসমীয়াৰ বিশেষত্ব! অসমৰ ওচৰ-চুবুৰীয়া অন্য কোনো প্ৰদেশৰ সাহিত্যত এই বিশেষত্ব দেখিবলৈ পোৱা নেযায়। বঙ্গ সাহিত্য, উৰীয়া-সাহিত্য, হিন্দী-সাহিত্য, পাৰ্চী-সাহিত্য, টেলেগু-সাহিত্য আৰু তামিল-সাহিত্যৰ সেৱাৰ ব্ৰতত যুৱকসকল তিমান ব্ৰতী হোৱাও দেখা নাই আৰু হবৰো দৰকাৰ পৰা নাই; কাৰণ, অসমীয়া সাহিত্যৰ নিচিনা কোনো সাহিত্যাই শত্ৰু আৰু বিদেশীৰ ঠেলাৰ মাজেদি যুদ্ধ কৰি চলিব লগা হোৱা নাই। অসমীয়া সাহিত্যৰ নিচিনা ভাৰতৰ কোনো সাহিত্যই সাহিত্য-বুৰঞ্জীৰ পাতত নিজৰ অস্তিত্ব লৈ কৰা তয়া-ময়া যুদ্ধৰ বিৱৰণ লিখিব লগা হোৱা নাই। কাৰণ সেই সাহিত্যবোৰৰ সেৱকৰ সংখ্যা যথেষ্ট আৰু সেইদৰেই নিজৰ অৱস্থাও জয়-জয়, ময়-ময়; কিন্তু আধুনিক অসমীয়া সাহিত্যৰ জন্মৰ দিন ধৰি আজিলৈকে বিদেশীৰ ঠেলাৰ প্ৰভাৱৰ বিৰুদ্ধে ৰণ কৰি চলোঁতেই গৈছে। অসমীয়াই আজি নিজৰ অস্তিত্বৰ কাৰণেই ভাবিব লগাত পৰিছে। গতিকে যুৱক সকলেই যে এই ৰণক্ষেত্ৰত যথেষ্ট ৰূপে ভাগ লৈ এফালে শত্ৰুৰ বিৰুদ্ধে যুদ্ধ যে কৰিবই লাগিব আনফালে নিজৰ গা গছ ডালৰ পৰিপুষ্টিও ঠিক কৰি লব লাগিব। এই কাৰণেই সেই ৺হেমচন্দ্ৰ বৰুৱা আৰু ঢেকীয়াল-ফুকনৰ নিচিনা আধুনিক অসমীয়া সাহিত্যৰ ভাগ্য-বিধতা সকলৰ পৰা আৰম্ভ কৰি আজিৰ দিনলৈকে দেখিবলৈ পোৱা যায় যে সকলো সময়তে অসমীয়া যুৱক সকলেই সেৱাৰ ব্ৰতত বেচি ব্ৰতী হোৱা যেন দেখা গৈছে বা অন্ততঃ তেনে হোৱা দৰ্কাৰ হৈ পৰিছে।

প্ৰথমতে যেতিয়া অসমীয়া সাহিত্যৰ হকে মুষ্টিমেয় অসমীয়া সাহিত্য সেৱকসকলে অলেখ বিদেশীৰ কুটকথাৰ বিৰুদ্ধে থিয় হৈ যুদ্ধ চলাব লগাত পৰিছিল তেতিয়া ৺ঢেকীয়ালফুকন আৰু ৺হেমচন্দ্ৰ বৰুৱাৰ নিচিনা কৃতকীয়া যুৱক সকলেই সেই ৰণ-ভেৰী বজায় যুদ্ধৰ সুৰ আৰম্ভ কৰিব লগাত নপৰিছিলনে? সেই অসমীয়া যুৱকে বান্ধি দিয়া সাহিত্যৰ ভেঁটিত সাৰ পানী দিওঁতা গুণাভিৰাম বৰুৱা (যাৰ উপযুক্ত সন্তানক আজি আপোনাসকলে যজ্ঞৰ হোতা স্বৰূপে পাইছে) ৺কাশীনাথ তামুলী ফুকন আৰু যাদুৰাম বৰুৱায়েই চালুকীয়া অৱস্থাৰে পৰা সাধনা কৰি গোটেই যৌৱন অসমীয়া সাহিত্যৰ দৌল বন্ধাত নেখাটিছিলনে? 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী' প্ৰণেতা শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱাদেৱে তেওঁৰ সাহিত্যৰ বুৰঞ্জীত উল্লেখ কৰাৰ দৰেই বঙ্গলা ভাষা ৰামমোহন ৰায়ৰ ওচৰত যিমান, অসমীয়া ভাষা আনন্দৰাম ঢেকীয়াল ফুকনৰ ওচৰত সিমান ধৰুৱা বুলি আমিও কওঁ আৰু তাৰ লগতে আমি এই কথাও যোগ দিওঁ যে—অসমীয়া ভাষা সেই কালৰ অসমীয়া যুৱকৰ ওচৰত তাতোকৈ ধৰুৱা। সেই দৰেই বিৰাশী চনৰ (১৮৮২) "আসাম নিউজ" আৰু পচাশী চনৰ (১৮৮৫) "আসাম বন্ধু" অসমীয়া ভাষাৰ প্ৰাণ দিওঁতা আৰু উদ্ধাৰকৰ্ত্তা সেইকালৰ অসমীয়া যুৱক ৺হেমচন্দ্ৰ আৰু গুণাভিৰামৰ কীৰ্ত্তি নহয়নে? আৰু এই দুখন আলোচনীয়েই "অসম দৰ্পণ" "আসাম বিলাসিনী" আলোচনী" আদিৰ জীৱণ দান কৰা নাইনে? তাৰ কিছুদিনৰ পিচতেই ১৮৮৮ চনত কলিকতাত থকা মুষ্টিমেয় অসমীয়া যুৱকৰ চেষ্টাতেই চুচুঁৰীয়া হিচাবে "অসমীয়া ভাষাৰ উন্নতি সাধনা সভা" স্থাপিত হোৱা নাইনে? আৰু সেই অনুষ্ঠানৰ পৰাই বৰ্ত্তমান অসমীয়া সাহিত্য ক্ষেত্ৰৰ ভোটা তৰা শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা বাৰ চাহেব পদ্মনাথ গোহাঁই বৰুৱা, যাক আজি আপোনালোকে অভিবাদন দি সন্মানিত কৰিব খুজিছে—নীৰৱ



সেৱক শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা, উপন্যাস-সম্ৰাট শ্ৰীযুত ৰজনীকান্ত বৰদলৈ আদিয়ে অসমীয়া সাহিত্যৰ গতি বৰ্ত্তমান ঠিক কৰি দিয়া নাইনে? কলিকতাত থকা অৱস্থাতেই সেই যুৱকসকলে সাহিত্যসেৱাৰ বেলেগ বেলেগ পথ ঠিক কৰি লোৱা নাছিলনে? বৰ্ত্তমান সময়তো সভায় সমিতিয়ে, আলোচনীয়ে বাতৰি কাকতে পুথি লিখা আৰু সাহিত্য চৰ্চ্চাত অসমীয়া যুৱকৰ উদ্যম লেখত লবলগীয়া।

কিন্তু সত্যৰ খাটিৰত কব লাগিব যে আজিৰ অসমীয়া যুৱকৰ প্ৰাণত স্পন্দন নাই, লিখনিত স্থৈৰ্য্যতাৰ অভাৱ আৰু অন্তৰত উদ্দীপনা নাই। আজি কেইবছৰমানৰ আগৰ অৰ্থাৎ ৺চন্দ্ৰনাথ শৰ্ম্মাৰ দিনৰ অসমীয়া যুৱকৰ অন্তৰত যিমান উদ্দীপনাৰ ভাব, মনত যিমান উচ্চ আদৰ্শ আৰু কৰ্ম্মক্ষেত্ৰত যি উগ্ৰ উৎসাহ আছিল, সেই ভাব, সেই আদৰ্শ আৰু সেই উৎসাহৰ চানেকি আজি তৰুণ অসমৰ অন্তৰত তিমান দেখা নাই। আজিৰ অসমীয়া যুৱকৰ গাত তেজ নোহোৱা যেন মনত বল নোহোৱা যেন আৰু ভৱিত থৰ যুগুতি নোহোৱা যেন দেখা গৈছে। সেই কাৰণে অসমৰ অইন ২ সমস্যাবোৰৰ লগতে সাহিত্য সেৱাতো অসমীয়া যুৱকৰ কৰ্ত্তব্য যথোচিত ৰূপে পালিত হোৱা নাই বুলি কব লাগিব। আজি অসমত যুৱক আছে কিন্তু যুৱকৰ প্ৰাণত উৎসাহৰ অভাৱ। সেই কাৰণেই আগত শত সহস্ৰ উপায় আৰু পথ ওলাই থকা স্বত্বেও তেওঁলোকে সেই পথেদি যাবলৈ ভ্ৰূক্ষেপ কৰা নাই। অসমীয়া যুৱকে আজি নিজৰ অৱস্থালৈ চাই হুমুনিয়াহ কাঢ়িছে কিন্তু তাৰ প্ৰতিকাৰৰ কাৰণে চেষ্টা কৰা নাই। আজি যুৱকৰ আগত মাতৃভাষাৰ উদ্ধাৰৰ অৰ্থে অনেক বাট পৰি আছে কিন্তু তেওঁলোকে আজি সেই বাটবোৰ দেখিও নেদেখা হৈছে। ই আমাৰ সোৰোপালিনে দুৰ্ব্বলতা তাক সঠিককৈ কব নোৱাৰি। আমি কিন্তু সোৰোপালি বুলিহে কব খোজোঁ; কাৰণ সিদিনালৈকে অসমীয়া যুৱকসকলে তেওঁলোকৰ কাৰ্য্যক্ষমতাৰ পৰিচয় যথেষ্টৰূপে দেখুৱাই আহিছে। সিদিনাৰ যুৱকৰ পৰাই আজি আমি নেওগদেৱ, শ্ৰীযুত বিনন্দ বৰুৱাদেও, শ্ৰীযুত পাৰ্ব্বতি বৰুৱাদেও আদি কৰি অসমীয়া ৰাইজৰ চকুতজলা কেইবাগৰাকী সাহিত্যসেৱকক পাই আহিছোঁ। তেখেতসকলৰ গাত যদি সেই দুৰ্ব্বলতা নাছিল তেন্তে আমাৰ গাত থাকিবৰ কোনো কাৰণ নাই। সেই কাৰণে আমাৰ ই সোৰোপালিহে বুলিব লাগিব। এই কাৰণেই আজি এটা জনৰৱ উঠিছে যে আজিৰ যুৱক সম্প্ৰদায় সুপ্ত।

এতিয়া আমি চোৱা যাওক অসমীয়া যুৱক সকলেনো কি ২ উপায়েৰে সাহিত্য-সেৱা কৰিব পাৰে। সেই উপায়বোৰ উলিয়াবলৈ যোৱাৰ আগতে আমি সাহিত্য-সেৱা মানে কি বুজোঁ, তাক চোৱা যাওক। আমাৰ বোধেৰে সাহিত্য-সেৱা কৰিবলৈ গলে সাহিত্যৰ সাধনা কৰি লব লাগিব। ইয়াত সাধনা মানে ঋষিমুনি সকলে কৰা কঠোৰ তপস্যাৰ কথা কোৱা নাই। সাধনা মানে অধ্যয়ণ আৰু যথোচিত শিক্ষাৰ দ্বাৰা নিজক উপযুক্ত সেৱক কৰি গঢ়ি তোলা। তাৰ কাৰণেই প্ৰথমতে পঢ়ন সমাজ এটা গঠন কৰা নিতান্ত দৰকাৰ হৈ পৰিছে। আজি যদি অসমত শইং কিতাপ লিখাও অসমীয়া যুৱক সম্প্ৰদায়ৰ মাজত সেই কিতাপবোৰ ভালদৰে প্ৰচলিত নহয় তেন্তে কিতাপ লিখাৰো কোনো দৰকাৰ নাই আৰু যুৱক সম্প্ৰদায়ৰো কোনো উপকাৰত নাহে। অসমীয়া সাহিত্যৰ লগত যুৱক সকল অত্যন্ত পৰিচিত হৈ থকা উচিত। কোন বিষয়ৰ কি কিতাপ আছে আৰু কোন বিষয়ৰ কি কিতাপৰ অভাৱ তাৰ লেখ যুৱকসকলৰ আঙুলীৰ আগত থাকিব লাগে। কাৰণ সেই অভাৱ পূৰণৰ ভাৰ বিশেষকৈ অসমীয়া যুৱকৰ ওপৰতহে। বৰ্ত্তমান অসমীয়া সাহিত্যৰ ভেঁটি স্থাপনৰ দিন ধৰি আজিলৈকে সেই সকলো অভাৱ যুৱকেই মোচন কৰি আহিছে। যেতিয়া এসময়ত অসমীয়া নাটকৰ অভাৱ আছিল তেতিয়া শ্ৰীযুত গুঞ্জামন বৰুৱাকে আদি কৰি তেতিয়া-কলিকতাবাসী অসমীয়া যুৱকেই "কমেদি অব এৰৰচ'ৰ" পৰা ভাঙনি কৰি ভ্ৰমৰঙ্গ নাটক প্ৰণয়ণ কৰি অভিনয় কৰা নাছিলনে? সেইদৰেই যেতিয়া অনুবাদ কৰা নাটকেৰে আমাৰ সাহিত্য ভৰি পৰি মৌলিক নাটক লিখাৰ কালে অসমীয়া-সাহিত্যিকে আওকাণ কৰিবলৈ ধৰিলে

তেতিয়া অসম সাহিত্য-সভাৰ যুৱক প্ৰতিনিধি দলৰ মাজৰ পৰাই অনুবাদিত নাটক অভিনয় কৰিবলৈ বন্ধ কৰি কৰা প্ৰস্তাৱ গ্ৰহণ কৰা হোৱা নাইনে? আৰু সেই প্ৰস্তাৱ অনুসাৰেই অসমীয়া যুৱক পাৰ্ব্বতি প্ৰসাদে পুৰণি ৰংপুৰ চহৰত যেতিয়া অনুবাদিত "সীতা" অভিনয়ৰ আয়োজন কৰে তেতিয়া কিছুমান যুৱকে তাৰ বিপক্ষে প্ৰতিবাদ কৰা নাইনে? সেইদৰে নামনি অসমত শ্ৰীযুত মহেন্দ্ৰনাথ ফুকনদেৱে আজি কেইবা বছৰৰ আগতে গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত কৰিব খোজা অনুবাদিত নাটক 'দেৱলা-দেৱীৰ' অভিনয়ৰ বিৰুদ্ধে মুৰ তুলি উঠা নাছিলনে? আৰু সেইদিন ধৰি আজিলৈকে ওপৰোক্ত ঠাই বোৰত মৌলিক নাটৰ অভিনয় যথেষ্টৰূপে হবলৈ ধৰিছে বুলি আমি স্বীকাৰ কৰিব লাগিব। তেনেদৰেই যেতিয়া অসমীয়া আলোচনীৰ অভাৱ বেচিকৈ বুজা হৈছিল তেতিয়া কলিকতাৰ সেই যুৱকসকলৰ চেষ্টাতেই "জোনাকী" আৰু "বিজুলী'ৰ জন্ম হোৱা নাছিলনে? সিদিনাও উচ্চ শ্ৰেণীৰ আলোচনীৰ অভাৱ বুজি জমিদাৰ চৌধুৰীদেৱৰ বদান্যতাত অসমীয়া যুৱক ডাক্তৰ দীন শৰ্ম্মাদেৱেহে 'আৱাহন' সম্পাদকৰ ভাৰ লোৱা নাইনে? আজিৰ 'পথিলা,' 'অৰুণ' আদিৰ সম্পাদক আৰু প্ৰচাৰক কোন? আমাৰ তৰুণ অসমৰ অসমীয়া যুৱকেই নহয়নে?

ওপৰত উল্লেখ কৰা পঢ়ন সমাজ গঢ়ি তোলাৰ ভাৰো আজি অসমীয়া যুৱকৰ ওপৰতেহে। আজি কাগজে-কলমে, মুখে-কথাই এটা অভিযোগ শুনিবলৈ পোৱা যায় যে অসমীয়া ৰাইজে অসমীয়া সাহিত্যৰ পুথিবোৰ ভালদৰে নপঢ়ে আৰু সেইবাবে গ্ৰন্থকাৰবোৰ দেৱলীয়া হব লগাত পৰে। কথাটো বাস্তৱিকতে সচা। আজি তামিল সাহিত্যৰ পুথি এখন ওলালেই সেই সেই যুৱকেই তাক কিনি পঢ়ি চাব আৰু তাৰ বিষয়ে তেওঁক সুধিলে তাৰ সমালোচনাও কৰি দিব। সেইদৰেই মাৰাঠী সাহিত্যৰ কিতাপবোৰো যুৱ সকলৰ মাজত বেচ পৰিচিত। কিন্তু অসমীয়া যুৱকক আজি অসমীয়া সাহিত্যত কেইখন উপন্যাস বা ভ্ৰমণ কাহিনীৰ পুথি আছে বুলি কোনোবাই সুধিলে তেওঁ থৰ হৈ ৰৈ থাকিব লগাত পৰিছে। আমি যদি এইদৰেই অৱহেলা কৰি থাকোঁ তেন্তে অচিৰতে আমাৰ মাজৰপৰা সাহিত্যসেৱাৰ ভাৱ দূৰ নহব বুলি কোনে নকব? আজি অসমৰ যুৱকসকলৰ মাজৰপৰা এটা দল ওলাব লগাত পৰিছে যি আজি নিজে অসমীয়া সাহিত্যৰ পুথিৰ লগত সমস্ত খবৰ লগে লগে, অসমৰ গাঁৱে-ভুঁঞে, নগৰে-চহৰে, পঢ়ন সমাজৰ আন্দোলন চলাব লাগিব। এয়ে অসমীয়া যুৱকৰ এটা সাহিত্য-সেৱা।

দ্বিতীয়তে অসমীয়া যুৱকে পঢ়ন সমাজ গঢ়িবলৈ গলে পুথি ভঁৰালৰ পিনে চকু ৰখা উচিত। আজি অসমত যথেষ্টৰূপে পুথি ভঁৰাল নাই,—যিকেইটি আছে তাৰ সংখ্যালৈ চাই নাই বুলিলেও হয়। বৰদা আৰু ত্ৰিবাঙ্কুৰ ৰাজ্যই শিক্ষা বিষয়ত বহুত আগ ঠাই অধিকাৰ কৰিছে। সেই ঠাই নিজ চকুৰে দেখি আহি মই বুজিব পাৰিছোঁ, যে তাৰ কাৰণ পুথি ভঁৰালৰ প্ৰভাৱেই। প্ৰত্যেক গাঁও আৰু চুবুৰিত যে এটি এটি পুথি ভঁৰাল আছে তাৰ উপৰিও গাইগোটা হিচাবেও সকলোৰে একোটি একোটি আছে। কিছুমান চলন্ত পুথি ভঁৰালো ( moving library ) আছে। এই পুথি ভঁৰালবোৰ গাঁৱে-ভুঁঞে চলাই লৈ ফুৰোৱা হয়। এই পুথিভঁৰালবোৰ পূৰাবলৈ জাতীয় সাহিত্যৰ বহুত কিতাপ লিখিব বা লিখাব লগা হয়। সেই সকলোবোৰ কাম তাৰ যুৱকসকলেহে কৰে। বৰ দুখৰ বিষয় আমাৰ শিৱসাগৰৰ নিচিনা ডাঙৰ নগৰ এখনৰো গোটেই টাউনৰ ভিতৰত এটি পুথি ভঁৰালো নাই—য'ৰ পৰা কিতাপ নি যুৱকসকলে পঢ়িব পাৰে।

তাৰ উপৰি য'ত এটা পুথি ভঁৰাল থাকে তাৰো অৱস্থা শোচনীয়। পুথিবোৰো মাগি দান খুজি লব লগা হোৱাৰ অৱস্থা দেখা গৈছে আৰু সেই কাৰণেই আজি তাৰ বিৰুদ্ধে বহুত আপত্তি শুনা গৈছে। অসমৰ পুথি ভঁৰালৰ অৱস্থা ভাল কৰা অসমীয়া যুৱকৰ প্ৰধান কৰ্ত্তব্য হৈ পৰিছে। পুথি ভঁৰালৰ অৱস্থা ভাল হলেই সাহিত্যও চহকী হোৱাৰ সম্ভাৱনা। এটা জাতিৰ সাহিত্যৰ উন্নতি সেই সাহিত্যৰ পঢ়ন সমাজ আৰু পুথি ভঁৰালৰ অৱস্থাৰ ওপৰতেই নিৰ্ভৰ



কৰে। অসমীয়া যুৱকে এই বিষয়ে কিবা যথোচিত কৰিবনে?

পুথিভঁৰাল আৰু পঢ়ন সমাজ গঠিত হলেও পুথি ৰচনাৰ ওপৰত বহুত নিৰ্ভৰ কৰিছে। ভ্ৰমণ কাহিনী, বিজ্ঞানৰ বিষয় আৰু গানৰ বিষয়ত যথেষ্ট পুথি আমাৰ সাহিত্যত নাই বুলিলেই হ'ল। ভ্ৰমণ কাহিনীৰ পুথিৰ কাৰণে আমাৰ সাহিত্য সিমানেই দুখীয়া। এটা জাতিৰ কাৰ্য্যক্ষমতাৰ সেই জাতিৰ ভ্ৰমণ কাহিনীৰ যোগেদি প্ৰমাণ পোৱা যায়। আমাৰ যুৱক সকলে ভ্ৰমণ নকৰাকৈ নেথাকে, কিন্তু তাৰ কাহিনী লিখাৰ অভ্যাস নাই। এই বিষয়ত অন্য সাহিত্যৰ আগত অসমীয়া সাহিত্যৰ পৰিচয় দিবলৈকে লাজ লাগে। ওচৰৰ বঙ্গ সাহিত্যত কিমান যে ভ্ৰমণ কাহিনীৰ সাহিত্য পোৱা যায় তালৈ চালে আমাৰ অৱস্থাৰ কাৰণে ভাবিলে দুখ লাগে। কিছুমান যুৱকে এই বিষয়ে দেহে কহে লাগি যোৱা উচিত। তাৰ পিচত বিজ্ঞানৰ বিষয়তো আমাৰ সেই একে দশা। বিজ্ঞানৰ বিষয়ে যি দুই এক প্ৰবন্ধ বা পুথি প্ৰকাশ হৈছে সি যথেষ্ট হোৱা নাই। আজিৰ সংসাৰত বিজ্ঞানৰ যোগেদি নহলে অইন একোৰেই জ্ঞান অৰ্জ্জন কৰা সুবিধা নহয়। সেই বিষয়ৰ যদি সাহিত্যই আমাৰ নাই তেন্তে অসমীয়া সাহিত্য এটা সাহিত্য হিচাবৰ সাহিত্য বুলি চিনাকি দিবলৈ লাজ লাগিব। এই বিষয়ে কলেজীয়া অসমীয়া যুৱকসকলে মন মেলিলেই হয়। প্ৰথমতে আমাৰ নাটকবোৰ অনুবাদ কৰি অভিনয় কৰাৰ দৰে কিছুমান ইংৰাজী বা অন্য ভাষাৰ কিতাপৰ অনুবাদ কৰি এয়েই আমাৰ বিজ্ঞান সাহিত্য আৰম্ভ কৰিব পাৰে দেখোন। কটন কলেজৰ পৰা বছৰে ২ শ শ ছাত্ৰই আই, এচ, চি আৰু বি, এচ, চি পৰীক্ষা পাছ কৰি ওলাই গৈছে; সেইদৰে কলিকতাৰ পৰা এম. এচ, চি পাচ কৰিও বহুত ছাত্ৰ এনেয়ে বহি আছে। তেখেত সকলে এবাৰ মন কৰি ভাবিলেই এই বিষয়ত ধৰিব পাৰে। সঙ্গীত সাহিত্যতো সেই একে দৰেই। চৌধুৰী, চলিহা আৰু বৰুৱাদেৱেতো এই বিষয়ে নিতান্ত মাৰিলেই; বৰদলৈৰ পিতৃ-পুত্ৰই অলপ লাগি আছে যদিও পুত্ৰ বৰদলৈদেৱে চেষ্টা কৰিলে সেই বিষয়ত অসমীয়া সাহিত্যক এখোপ ওপৰত থৈ আহিব পাৰিবগৈ। নৃত্য বিষয়ত শ্ৰীযুত ৰাভাদেৱৰ কৃতকাৰ্য্যতা প্ৰশংসনীয় আৰু তেখেতৰ পৰা আমি বহুত আশা কৰি আছোঁ। বাকী কলেজীয়া যুৱকসকলৰ সঙ্গীত চৰ্চ্চাত সিমান যে ৰাপ নায়েই তাৰ সাহিত্য চৰ্চ্চাতো মন-কাণ ঢালি দিয়া নাই। ওপৰত উল্লেখিওৱা বিষয় কিটাত আমি বৰ দুখীয়া হৈ আছোঁ। অসমীয়া যুৱকসকলে সেই আগৰ "জোনাকীৰ" দিনৰ দৰে আগভাগ লৈ হাত দিবনে?

ওপৰত উল্লেখিওৱা বিষয় কিটাৰ বাহিৰেও অসমীয়া যুৱকৰ সাহিত্যসেৱাৰ আৰু বহুত বাট আছে। এটি প্ৰধান বিষয়লৈ উল্লেখিয়াই আমাৰ প্ৰবন্ধৰ সামৰণি মাৰিম। বৰ্ত্তমান সময়ত অসমীয়া জাতিৰ জীৱন মৰণ সমস্যালৈ চাই আৰু সেইদৰে অসমীয়া সাহিত্যৰ অস্তিত্বলৈ চাই অচিৰতে আমাৰ যুৱকসকলে এটা তুমুল আন্দোলন কৰিবৰ দৰকাৰ হৈ পৰিছে। সেই আন্দোলনৰ কাৰণে যুৱকসকল প্ৰস্তুত আছে বুলি আমি বুজিব পাৰিছোঁ। সেই আন্দোলনত ৰাজনীতিৰ ভাগ-গোট নাই ধৰ্ম্ম আৰু সাম্প্ৰদায়িকতাৰ লগতো কোনো সংঘৰ্ষণ নাহে। সকলো ছাত্ৰ যুৱক আৰু অইন মেলাগে বৃদ্ধ সেৱক সকলেও সমানে ভাগ লব পাৰে। সেইটো হৈছে আমাৰ ভাষাৰ বহল প্ৰচাৰ। আমাৰ অৱহেলাত আজি ৰংপুৰ, কোচ-বিহাৰ দিনাজপুৰ আদি ঠাইৰ মানুহে আমাৰ ভাষা আৰু সাহিত্য পাহৰি বঙলুৱা সাহিত্য আৰু ভাষাক সাৱটি লব লগাত পৰিছে। আমাৰ অমনোযোগৰ কাৰণে আমাৰ নিচেই আপোন আৰু কুটুমবোৰ কুটুম মণিপুৰীয় ভাইসকলে অসমীয়া ভাষা পাহৰি আগৰ বাই-ভনী সম্বন্ধ পাহৰি কোনোকালে সম্বন্ধ আৰু মিতিৰালি নথকা বঙ্গ ভাষাক নিজৰ মাতৃ ভাষাৰদৰে লবৰ উপক্ৰম কৰিছে। এই কথা তেওঁলোকেও মুক্তকণ্ঠে স্বীকাৰ কৰে যে অতীতৰেপৰা ভাষা, সাহিত্য কৃষ্টিত অসমীয়া আৰু মণিপুৰী জাতি হাড়ে হাড়ে সম্বন্ধীয়া। ধৰ্ম্ম আৰু আচাৰ ব্যৱহাৰতো মণিপুৰী আৰু অসমীয়াৰ সামঞ্জস্য অভিন্ন। বঙ্গৰ গৌৰাঙ্গৰ প্ৰভাৱ মণিপুৰীয়াৰ ওপৰত সিদিনাহে

পাৰিছে। এতিয়াও শ্ৰীমদ্ভাগৱত পুথি মণিপুৰীৰ ঘৰত অসমীয়াৰ অনুবাদেৰে পঠিত হবই লাগিছে। এতিয়াও আচাৰে ব্যৱহাৰে, ঘৰে দুৱাৰে মণিপুৰী বাপুৱে চিঞৰি ক'ব লাগিছে যে "আমি অসমীয়া, আমি অসমীয়া"। সেইদৰেই মণিপুৰৰ দেশপ্ৰেমিক ডাং লাইবেণ সিংহকে আদি কৰি সকলো মুখিয়াল মুখিয়াল মানুহে কাগজে কলমে সভায় সমিতিয়ে চিঞৰি কবই লাগিছে, "আমি অসমীয়া, আমি অসমীয়া।" কিন্তু আমি কৰিছোঁ কি? আমি সেই চিঞৰ শুনিও শুনা নাই। সেই অৱস্থা দেখিও নেদেখা হৈছোঁ। সিদিনা বাতৰি কাকতত পাইছোঁ মনুণিৰক অসমৰ যুৱকৰপৰা ফালি দি বঙ্গত সুমাই এখন স্বকীয়া প্ৰদেশ কৰিব খুজিছে। এতিয়াও অসমীয়া যুৱকে হাত সাবটি বহি থাকিবনে? এনেদৰে থাকিলে আমাৰ আৰু কাম নচলিব। নগাপৰ্ব্বতত এতিয়াও অসমীয়া ভাষা প্ৰচলন হৈয়েই আছে। মণিপুৰী ভাইলকলে এতিয়াও অসমীয়া ভাষা শিকোঁ শিকোঁ কৰিয়েই আছে। ৰংপুৰ, কোচবিহাৰ আচাৰে ব্যৱহাৰে খোৱাই বোৱাই অসমীয়া হৈয়েই আছে; কেৱল নাই অসমীয়া যুৱকৰ উদ্যম। অচিৰতে এটি ভ্ৰমণকাৰীৰ দল গঠন কৰি গোটেই অসমতে এই ভাষাৰ প্ৰচলনৰ কাৰণে ঘূৰিব লগাত পৰিছে। অসমীয়া যুৱকৰ উৎসাহ আৰু বল পালে আমিয়েই সেই কাম হাতত লব পাৰিম। স্কুল-কলেজ বন্ধ হলেই এটা দল বাহিৰ হৈ অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে এটা আন্দোলন চলাই দি অসমীয়া ভাষা আৰু স্বাৰ্থৰ কাৰণে সভা সমিতি পাতি খবৰ বাতৰি গোটাই, বক্তৃতা দি, বুলেটিন বিলাই ফুৰিবৰ দিন আহিছে। হে অসমীয়া যুৱকবৃন্দ, আপোনা-সকলৰ নিচিনা যুৱক সকলেই আগৰপৰা অসমীয়া সাহিত্যৰ সেৱা কৰি আহিছে। আপোনাসকলৰ নিচিনা যুৱকৰ চেষ্টাতেই বাতৰি কাকত আৰু আলোচনীৰ জন্ম হৈ গোটেই দেশত প্ৰচাৰ হৈ পৰিল। আপোনাসকলৰ নিচিনা যুৱকৰ চেষ্টাতেই অসম সাহিত্য সভাৰ নিচিনা ডাঙৰ অনুষ্ঠানৰ জন্ম হৈ আজি সাহিত্য সেৱাৰ হকে বহুত কৰিবলৈ আগ বাঢ়িছে। আপোনাসকলৰ নিচিনা যুৱক ৺চন্দ্ৰনাথৰ চেষ্টাতেই অসম ছাত্ৰসন্মিলনৰ জন্ম হৈ গোটেই ছাত্ৰ সমষ্টিকেই এসময়ত এক গোট কৰিছিল। এতিয়াও আপোনাসকলৰ নিচিনা যুৱকৰ চেষ্টাতেই অসমীয়া ভাষাৰ বহল প্ৰচাৰ হ'ব বুলি আশা কৰা হ'ল ওলাওক সকলো এলাহ কাটি কৰি সকলো দুঃখ কষ্ট সহ্য কৰিবলৈ আগ বাঢ়ি ওলাওক! 'তৰুণ অসমৰ' সুৰতে সুৰ মিলাই আমিও কওঁ:—

'ধুমুহাৰ দৰে বিঘিনি উৰাই,
ধল্লৰ দৰে পৃথিবী কঁপাই
সুৰুযৰ দৰে মঙ্গল সুচাই
আগ বাঢ়া বাঢ়া আগ।"

আকৌ অসমীয়া যুৱকসকলক কওঁ "সাহু হ'বৰে হ'ল ডেকা লৰা, সাহু হ'বৰে হ'ল।"

শ্ৰীমাধৱচন্দ্ৰ বেজবৰুৱা।

## বিবিধ।

**পুনৰ্জ্জন্ম** ঃ—পুনৰ্জ্জন্ম স্বীকাৰ নকৰা মানুহে মুখতে সোধে, সুধিবও পায়, "যোৱা জন্মৰ কথাবোৰ আমি এই জন্মত মেজালো কিয়?" জন্মৰ আগৰ বিবৰণবোৰ জনা হলে আমাৰ কেনে লাগিল হেতেন এবাৰ ভাবি চোৱা হওক—



মই জানিলোঁহেতেন যে যোৱা জনমত মই অমুকৰ দুতেক আছিলোঁ, অমুক অমুক মানুহ মোৰ সম্বন্ধীয়া আছিল, অমুকৰ লগত মোৰ ভাল বা বেয়া আছিল। ক'ত কাহানি কলৈ গৈছিলোঁ, আৰু কেতিয়া কি কৈছিলোঁ, ক'ত কি সুখ-দুখ পাইছিলোঁ। এইবোৰ কথাও মোৰ মনত থাকিলহেঁতেন। সেই মানুহবোৰে এতিয়া কোনে ক'ত কি কৰিছে, তাকো মই ক'ব পাৰিলোঁহেতেন; আৰু মোৰ আগৰ কাৰ্য্য-স্থান বিলাকো চিনিলোঁহেতেন। তেনেহলে, আগৰবোৰ জন্ম আৰু এইটো জন্ম, আটাইবোৰ লেপেৰি লাগি মোৰ একেটা জন্ম যেন লাগিলহেঁতেন; আৰু সেয়ে হ'লে, জীৱনে মোক আমুৱালেহেঁতেন। জীৱনত তেতিয়া একো মাধুৰ্য্য নথাকিলহেঁতেন। তেতিয়া বাৰু মানুহে অৰুচি ভাতৰ কেই গৰাহ খালেহেঁতেন? এবছৰৰ মূৰত ঘূৰি আহে বুলিহে বসন্ত ঋতুৰ ইমান আদৰ। কৃষ্ণ পক্ষৰ পাচত দেখিহে মানুহে পূর্ণিমা পোহৰলৈ ইমান হেপাহ কৰে। বাৰমাহ পূর্ণিমা চিৰস্থায়ী হোৱা হলে কোনেও তাক গুপুতিলেহেঁতেন। সেই দেখি কল্যাণময় পৰমেশ্বৰে, আমাৰ কল্যাণৰ অৰ্থে আগৰ জন্মবোৰ আমাৰ চকুৰ আঁৰত থৈছে; কাৰণ আমাৰ নিচিনাক্ষুদ্ৰ জ্ঞানৰ মানুহৰ ই উপকাৰৰ সলনি অপকাৰ কৰিব পাৰে।

মানুহৰ ভিতৰতে যিসকল জ্ঞানী তেওঁলোকে সাধনাৰ দ্বাৰাই পূৰ্ব্ব জন্মৰ কথা জানিব পাৰে। গত জন্মৰ বিবৰণবোৰ জানিলে তেওঁলোক বিচলিত নহয়; তেওঁ-লোকে বৰং তাক দেখি আনন্দহে উপভোগ কৰে। তলৰ পৰা ওপৰলৈ জীৱনৰ ক্ৰম বিকাশটো দেখি তেওঁলোকে বিপুল তৃপ্তি অনুভৱ কৰে। আমাৰ দৰে অজ্ঞানী মানুহ লোৰে কথাফুনাকে খুন্দিয়াই ফুৰা দেখি, তেওঁলোকৰ চাগৈ হাঁহি উঠে। খুঁচতে পূৰ্ব্ব জন্মৰ কথাই তেওঁলোকক খুজে, আমাক শুওজে।

তেওঁলোকৰ অৱস্থালৈ উঠিবলৈ জ্ঞানৰূপ জখলা লাগে। জখলাৰে উঠি গৈ তেওঁলোক ওপৰ পাইছেগৈ, আমি তলতে আছোঁ। আমি কালিৰ কথাকে আজি পাহৰোঁ যেতিয়া, পূৰ্ব্ব জন্মৰ কথা সুঁৱৰিবলৈ কম সাধনা নেলাগে। সেই দেখি, এই জখলাত উঠিব পৰা হবলৈ বহুত চেষ্টা, বহুত চিন্তা, বহুত সাধনা লাগে।

• • • •

**মূৰ্ত্তিবাদ আগনে ব্ৰহ্মবাদ আগ**—ঈশ্বৰক সাকাৰ বুলি ভবাকে মূৰ্ত্তিবাদ আৰু নিৰাকাৰ পৰম ব্ৰহ্ম বুলি ভবাকে ব্ৰহ্মবাদ বোলে। এই দুটাৰ কোন আগ, কোন পিচ? অৰ্থাৎ কাৰ পৰা কোন ওলাল? এইটো এটা ভাবিবলৈ ভাল লগা কথা।

এফালৰ পৰা চালে, আদিতে মানুহে শিল, গছ, আৰু সাপ আদিক পূজা কৰিছিল বা দেওপূজা কৰিছিল; তাৰ পাচত মূৰ্ত্তি পূজা কৰিবলৈ শিকিলে; আৰু শেহত ঈশ্বৰ সৎ আৰু জগত অসৎ, অৰ্থাৎ, জগতত অকল ঈশ্বৰৰ বাজে আৰু ক'তো কেনিও একো নাই; সমস্ত জগত ঈশ্বৰতে অৱস্থান কৰিছে, এই তত্ত্ব বুজি পাই, মানুহ ব্ৰহ্মবাদী হলগৈ। প্ৰাকৃতিক ক্ৰমোন্নতিৰো এয়েহে গতি; খাপে খাপে ক্ৰমশঃ ওপৰলৈ উঠি আহিছে। এই যুক্তি মতে, মূৰ্ত্তিবাদ আগ আৰু ব্ৰহ্মবাদ পাচ বুলি স্বীকাৰ কৰিব লাগিব; অৰ্থাৎ মানুহৰ জ্ঞান মূৰ্ত্তিবাদৰ পৰাহে ব্ৰহ্মবাদলৈ বাগৰিল, এই কথা মানিব লাগিব।

ইফালৰ পৰা চালে আকৌ মূৰ্ত্তিবাদহে পাচ যেন লাগে। মানুহে ব্ৰহ্মবাদী হৈ সকলো ব্ৰহ্মময় দেখিলে; ব্ৰহ্মৰ অব্যক্ত আৰু অচিন্ত্য মহিমা দেখি বিভোল হৈ পৰিল। তেতিয়া মানুহৰ মনত ঈশ্বৰলৈ এটা আগ্ৰহ, পূৰ্ণ শ্ৰদ্ধা আৰু তাৰে পৰা প্ৰেম বা ভক্তিৰ উদয় হল। প্ৰেমত পমি ভক্তিত বিভোল হৈ, ঈশ্বৰ-প্ৰেমিকে যিহকে উৎকৃষ্ট দেখিলে তাকে ঈশ্বৰলৈ অৰ্পণ কৰিবলৈ ধৰিলে, আৰু তাকে নকৰিলে মনৰ হেপাহ খুওচা হোৱাত পৰিল। তেতিয়া প্ৰথমতে, সেৱা কৰিবলৈ দুখনি চৰণ লগা হ'ল, নহলে ভক্তি কৰিছোঁ বুলি ভাবিবলৈ ভাও পোৱা নেযায়। গোলাপ ফুলটি ছিঙ্গি আনি আগ বঢ়াবলৈ নেপালেও মনৰ হেপাহ নপলায়; তাকো আমি সমৰ্পণ কৰিবলৈ চৰণ দুখনি লগা হ'ল। এইদিনিতেই ভক্তই কবিত্ব লাভ কৰিলে; তেওঁৰ অন্তৰ কবিত্বেৰে পূৰ্ণ হৈ

পৰিল। সেই কবিত্বৰে পৰিণতি হলগৈ, সকলো উৎকৃষ্টতাৰ আদৰ্শৰ মিহলি এখনি মূৰ্ত্তি।

মুক্তিবাদেই ব্ৰহ্মবাদৰ গুৰিনে, ব্ৰহ্মবাদেই মুক্তিবাদৰ গুৰি, এই উৰহিগছৰ ওৰ পোৱা নেযায়। গছৰ পৰাই গুটি হ'লনে, গুটিৰ পৰাই গছ হ'ল, এই কথাৰ কেতিয়াও জেঙা নেভাগে। ওপৰত কোৱাটোও এই শ্ৰেণীৰে কথা।

তথাপি কিন্তু এই কথাটোৰ আলোচনা কৰাৰ পৰা এটা লাভ আছে—হয়াৰ পৰা, মুক্তিবাদ আৰু ব্ৰহ্মবাদৰ ভিতৰৰ আকাশ পাতালৰ অমিলটো লাহে লাহে আতৰি আহে।

**জীৱনৰ স্মৃতি**—আমি জানিবা পঢ়া দিনত বৰ ভাল ছাত্ৰ আছিলোঁ, এতিয়াও সৎ উপায়েৰে সুখেৰে জীৱিকা নিৰ্ব্বাহ কৰিছোঁ আৰু সমাজতো সুখ্যাতি আৰু সন্মান লাভ কৰিছোঁ। কিন্তু সেয়ে কেইদিনলৈ থাকিব? অতি টানে আমাৰ নাতিৰ দিনৰ পাচত আৰু আমাৰ নাম কোনে জানিব? মানুহৰ মনত পৰিবলৈ কিবা এটা নেথাকিলে, কি দেখিলো বাৰু তোমালৈ মনত পাৰব? যেয়ে কিবা এফেৰি এৰি থৈ গৈছে, তালৈকে মানুহে পাহৰিব নোৱাৰে, যেনে জয়মতী, শঙ্কৰদেৱ, চৈতন্যদেৱ, ৰামমোহন, শিৱজী, ( sivaji ) ৰাণা প্ৰতাপ, দয়ানন্দ আদি। সেই দৰেই, ওৱাট ( weat ) নিউটন্, চেক্স্‌পিয়েৰ, কালিদাস আৰু ইফালে বুদ্ধ, খ্ৰীষ্ট, মহম্মদ আৰু আৰ্য্য ঋষি সকলৈকে ভৱিষ্যত সমাজলৈ যেয়ে যিমান সৰহকৈ কিবা থৈ যাব পাৰিছে সেয়ে সিমান সৰহ মানুহৰ মন জুৰি আছে। এইবিলাক মানুহবে জীৱন সাৰ্থক; এওঁলোকৰ জীৱনেই মানুহৰ জীৱনৰ আদৰ্শ হব লাগে।

ওপৰত কোৱামতে জীৱিকা নিৰ্ব্বাহ কৰি আৰু সুখ্যাতি সন্মান লাভ কৰি জীৱন কটোৱাটোৱেই কিন্তু আমাৰ সাধাৰণতে জীৱনৰ লক্ষ, হৈ পৰিছে। তেনেহলে আমাৰ জীৱনৰ আদৰ্শ কিমান তলত!

এক শ্ৰেণীৰ মানুহ আছে তেওঁলোকৰ আকৌ উদ্দেশ্যটো ওপৰত কোৱা শ্ৰেণীতকৈ কিছু ওখ। তেওঁলোকৰ লক্ষ্য হেছে জ্ঞান লাভ কৰা। তাকে কৰিবলৈ তেওঁলোকে বিস্তৰ কিতাপ পত্ৰ পঢ়ে আৰু অকলৈ অকলৈ চৰ্চ্চা কৰে।

জ্ঞান চৰ্চ্চা কৰা বাবে, এই শ্ৰেণীৰ মানুহৰ নিজৰ আত্মাৰ উন্নতি হ'ব, এই কথা মানিছো; কিন্তু মানুহৰ হলে আগলৈ তেওঁলোকলৈকো মনত পেলাবলৈ নিদিবাং; কাৰণ তেওঁলোকে অকল নিজলৈহে জ্ঞান আৰ্জ্জে, লোকলৈ বুলি একো থৈ নেযায়।

সেই দেখি যাৰ যেনে শক্তি, সেই দৰেই সকলোৱে যি পাৰে অলপ অলপ নিজৰ জীৱনৰ চিন ৰাখি যাবলৈ যত্ন কৰিব লাগে। নহলে, "আহিল কণা গ'ল কণা, খাগৰি কাটিলে তিনি কনা।"

* * * *

ক্ৰমশঃ